(a) Whether Regional Engineering College, Silchar has been functioning and where it is situated ?

(b) How many staff including the Principal are appointed and are working and where their Head Quarters is situated ?

(c) What is the annual Expenditure on that account and total expenditure as far incurred by Government under different sub-heads ?

(d) Whether Government of India have earmarked any fund for the said Engineering College and whether this is drawn and spent and if so, how ?

(e) How many students are reading in this College and if not why not ?

Shri Harendranath Talukdar (Minister, Education) replied :

355.(a)—The reply already given at (a) of starred question No. 144 in the current session may be seen.

(b) -19, 17 are working at present with Head Quarter at Silchar.

(c)—The annual expenditure on staff salary etc. is about Rs. 1.00 Lakh. For total expenditure the reply given at (b) of starred question No. 144 in the current session may be seen.

(d)—The reply given at (d) (2) of starred question No. 144 as above may be seen.

(e)—The admission of students into Regional Engineering College has not been started due to non-availability of Instructional facilities.

Re: **Agricultural Farm at Kuslaiguri**

Shai Golok Chandra Patgiri asked :

*356 Will the Minister, Agriculture be pleased to state—

(a) Whether there is any Agriculture Farm at Kuslaiguri under Manikpur Development Block in Kokrajhar Subdivision ?

(b) If so, what is the acrage of the farm and whether it is functioning satisfactorily ?

(c) What is the total production of wheat, mustard Seeds, Jute and Ahu paddy in 1972-73 and 1973-74 ?

(d) Whether there is any proposal for a farming Corporation ?

Shri Upendra Das (Minister Agriculture) replied :

356. (a)—There is no Agricultural Farm at Kuslaiguri under Manikpur Development Block in Kokrajhar Subdivision.

(b) —Does not arise.

(c)—Does not arise.

(d)—There is no proposal at present.

Re : **Pending Suits in Goalpara Munsiff Court**

Shri Kabir Chandra Roy Pradhani asked :

*357. Will the Minister, Law be pleased to state—

(a) The member of suits against the State, Assam now pending in Goalpara Munsiff Court in which the State of Assam has not filed written statement within one year from the date of filing the suit ?

(b) The number of suits against the State of Assam now pending in Goalpara-Munsiff Court in which the State of Assam has not filed written statement within one year and six months from the date of filing the suit ?

(c) The number of said suits in which the Gavernment has not filed W.S. within two years from the date of filing the suits ?

(d) Whether the Government propose to take steps so that W. S. are filed within six months from the date of the receipt of the summons for the sake of speedy disposal ?

Shri Syed Ahmed Ali (Minister, Law) replied :

357. (a)—49.

(b)—20.

(c)—2.

(d)—Necessary instructions are being issued to all the Departments concerned for furnishing the materials speedily for preparation of written statement.

বিঃ দৰং জিলা গঠন

শ্ৰীলক্ষীকান্ত শইকীয়াই সুধিছে :

*৩৫৮। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) মঙ্গলদৈ মহকুমাক উন্নতি কৰি দৰং জিলা গঠন কৰাৰ দাবী চৰকাৰে বিবেচনা কৰিছেনে ?

(খ) যদি কৰিছে, কি পৰ্য্যায়ত আছে আৰু যদি কৰা নাই, কেতিয়া কৰিব ?

(গ) বিভিন্ন মহকুমাই জিলা গঠনৰ দাবী কৰাৰ পৰিপ্ৰেক্ষিতত 'অসম জিলা পুনৰ গঠন আয়োগ' এটা নিয়োগ কৰাৰ কথা চৰকাৰে বিবেচনা কৰিব নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

৩৫৮। (ক) আৰু (খ)—নতুন জিলা আৰু মহকুমা গঠনৰ সমগ্ৰ বিষয়টো চৰকাৰৰ বিচাৰ বিবেচনাধীন হৈ আছে।

(গ)—এই বিষয়ে চৰকাৰে এখন সমিতি গঠন কৰিছে।

**Re : Appointment of Senior Counsel**

Shri Atul Chandra Saikia asked :

* 359. Will the Minister, Law be pleased to state—

(a) Whether a Senior Counsel has been appointed by the Government of Assam at New Delhi to conduct Government cases before the Supreme Court ?

(b) If so, the name of the Advocate and the terms of his appointment?

Shri Syed Ahmed Ali (Minister, Law) replied :

359. (a)—No.

(b)—Does not arise.

Mr. Speaker : Tho question hour is over. Now, we come to next item Voting on demand for grants.

Shri Paramananda Gogoi, Minister, Revenue : Sir, on the recommendation of the Governor of Assam, I beg to move that a sum of Rs. 3,10,66,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March,1975 for the administration of the head "229 Land Revenue".

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :—অধ্যক্ষ মহোদয়, এই ৰাজহ শিতানৰ ওপৰত যি দাবী উত্থাপন কৰিছে তাৰ ওপৰত কৰ্ত্তন প্ৰস্তাৱ কেইটা উত্থাপন কৰিছো। বাজেটৰ দাবীৰ ৪২-৬০ পৃষ্ঠাৰ "২২৯—ভূমি ৰাজহ" শিতানৰ ৭ নম্বৰ মঞ্জুৰীৰ বাবে কৰা দাবীৰ ৩,১০,৬৬,০০০ টকা, এটকালৈ হ্ৰাস কৰা হওক।

Shri Giasuddin Ahmed : Sir, I move that the total provision of Rs. 3,10.66 000 under Grant No. 7, Major head "229-Land Revenue", at pages 42-60 of the Budget, be reduced to Rs. 1 i e the amount of the whole grant of Rs. 3,10 66,000. do stand reduced to Rs. 1.

Shri Premodhar Bora :Mr. Speaker, Sir, I beg to move that the total provision of Rs.3,10,66,000 under Grant No. 7. Major Head "229- Land Revenue" at pages 42-60 of the Budget, be reduced to Rs. 100, i. e. the amount of the whole grant of Rs 3,10.66,000 do stand reduced to Rs. 100.00

Mr. Speaker : Cut Motion moved.

শ্ৰীবদন তালুকদাৰ :—অধ্যক্ষ মহোদয়, ৰাজহ বিভাগটোৰ ওপৰত যি দাবী উত্থাপন কৰিছে, সেই দাবী সংক্ৰান্তত মই তুষাৰ কথা কব বিচাৰিছো। এই ৰাজহ বিভাগটো অতি দৰকাৰী বিভাগ। কিন্তু আজি এই ৰাজহ বিভাগটো যি ধৰণে চলিছে বা চলি আছে সেইটো বৃটিছ যুগৰ পৰা একেটা ৰীতিতেই চলি আছে। তাহানি ১৯ শতিকাতে গ্ৰহণ কৰা এখন আইনৰ জৰিয়তে আজি আমাৰ ৰাজ্যৰ ৰাজহ বিভাগটো পৰিচালিত হৈ আছে। এই ৰাজহ বিভাগটো বিশেষকৈ ভূমি ৰাজহৰ ওপৰত আমাৰ দেশৰ অৰ্থনৈতিক নিৰ্ভৰ কৰিছে। আনহাতে এই ৰাজ্যখনৰ অৰ্থনৈতিক, সামাজিক আদি সকলো দিশতে ভূমি আৰু ভূমিৰ ওপৰত লগোৱা কৰ আৰু আইনৰ নানা সমস্যাৰ বুজা জনসাধাৰণে বহন কৰিব লগীয়া হৈছে। এনে অৱস্থাত চৰকাৰৰ এই ৰাজহৰ ব্যৱস্থাৰ আমোল পৰিবৰ্ত্তন কৰা দৰ্কাৰ হৈ পৰিছে।

কিন্তু আমি দেখা পাইছো যে ভূমিৰ ক্ষেত্ৰত ভূমি ৰাজহৰ ক্ষেত্ৰত একেটা পন্থাই আজি যুগ যুগ ধৰি আমাৰ ৰাজ্যত চলি আছে। আজি চৰকাৰে সমাজবাদৰ ধ্বনি দিছে যে দেশত সমাজবাদ প্ৰতিষ্ঠা কৰিব। কিন্তু আজি যিটো নীতিত ভূমি ব্যৱস্থা চলিছে এইটো কেতিয়াও সমাজবাদৰ পৰিপন্থী হব নোৱাৰে। আমি যদি জনসাধাৰণৰ আৰ্থিক অৱস্থা লক্ষ্য কৰো তেন্তে দেখা পাও যে দিনে দিনে জনসাধাৰণৰ আৰ্থিক অৱস্থা বেয়াৰ ফালে গৈছে। এইটো কিয় হবলৈ পাইছে? আমাৰ ৰাজ্যৰ শতকৰা ৮০ ভাগ লোক খেতিৰ ওপৰত নিৰ্ভৰশীল, মাটিৰ ওপৰত নিৰ্ভৰশীল। কিন্তু তেওঁলোকৰ অৱস্থা কোনো ফালে উন্নত পথত নিয়াব পৰা নাই। আমাৰ দেশৰ যদি বৃহত্তম অংশৰ আৰ্থিক অৱস্থা উন্নত নহয় তেতিয়া হলে সামুহিক ভাবে অৰ্থনৈতিক অবস্থা উন্নত হব নোৱাৰে। ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত যিটো ব্যৱস্থা আমাৰ ৰাজ্যত প্ৰচলিত হৈ আহিছে এই ক্ষেত্ৰত কব লগা এইটো যে বৃটিচ সকলে তেওঁলোকৰ সুবিধাৰ কাৰণে আৰু কৰ আদায়ৰ কাৰণে কিছুমান লোকক মৌজাদাৰী ব্যৱস্থাৰ জৰিয়তে নিয়োগ কৰিছিল সেই মৌজাদাৰী প্ৰথা গণতান্ত্ৰিক দেশৰ জীৱন ধাৰণৰ লগত খাপ নাখায়। আমাৰ সেই ব্যৱস্থাটো আজিও ৰাখি থোৱা আছে। আনহাতে ভূমি ৰাজহ কাৰপৰা সংগ্ৰহ কৰিছে আজি যিসকল ভূমিহীন, এবিঘা দুবিঘা মাটি আছে তেওঁলোকৰ পৰা কৰ আদায় কৰি আছে।

সেই কাৰণে ভূমি ৰাজহৰ যিটো ব্যৱস্থা আছে তাক সম্পূর্ণৰূপে উঠাই দি কৃষি আয় কৰৰ যিটো ব্যৱস্থা আছে সেই ব্যৱস্থা কৰিব লাগে। সেইটো যদি নকৰে তেন্তে সমাজবাদী নীতি কেতিয়াও হব নোৱাৰে।

সেইকাৰণে আমি যদি ভাবো যে আমি সমাজবাদ প্রতিষ্ঠা কৰিব লাগে তেতিয়াহলে এই ব্যৱস্থাৰ সম্পূর্ণভাৱে পৰিবৰ্ত্তন হব লাগে আৰু এইটো আমি ভাবিব লাগে যে ৰাজহৰ ক্ষেত্রত সকলো ভূমিৰ ওপৰত ৰাজহ উঠাই নিদিলেও অন্ততঃ যিটো চৰকাৰৰ পক্ষৰপৰা অর্থনীতিক সমগোট বুলি ধৰি লোৱা হৈছে অর্থাৎ যিটো আনইকনমিক হল্ডিং বুলি কোৱা হৈছে সেইভাবে ভূমি ৰাজহৰ ওপৰত কৰ উঠাই দিব লাগে আৰু যিসকলে বেছি আয় কৰে সেই সকলৰ ওপৰত কৃষি আয়কৰ বহুৱাব লাগে।

উপাধ্যক্ষ মহোদয়, ভূমি ৰাজহৰ ক্ষেত্রত ইয়াৰ আগতে আলোচনা ক্ষেত্রত বহুতে দাবী কৰিছে যে সামন্তবাদী প্রথা সম্পূর্ণ ৰকমে উঠাই দিব লাগে। এইটো প্রথাক সমাজবাদী প্রথা বুলি কোৱা হল এই কাৰণেই যে কিছুমান লোকক মধ্য-বিত্তভাবে ৰাখি ভূমি ৰাজহ আদায় কৰি তেওঁলোকক কিছুমান কমিশ্যন দিয়া হয়। তেওঁলোকৰ লগত যিটো ঐতিহাসিক সম্পর্ক আছে সামন্তবাদী প্রথাটো সমাজত প্রতিষ্ঠা কৰাৰ সুবিধা তেওঁলোকক দি আছে। যি নহওক এইটো কথা বহুত ঠাইত উঠিছে আৰু আমাৰ ৰাজহ মন্ত্ৰী ডাঙৰীয়াও নিজে স্বীকাৰ কৰিছে যে এই ভূমি ৰাজহ আদায় কৰাৰ ক্ষেত্রত বহুতো মৌজাদাৰে জনসাধাৰণৰ পৰা ৰাজহ আদায় কৰে কিন্তু সেই ৰাজহ সময়মতে চৰকাৰৰ তহবিলত আদায় নিদিয়ে। তাৰ ফলত আমাৰ দেশৰ অর্থনৈতিক অৱস্থা বেয়াৰ ফালে যায়, অথচ সেই টকা কিছুমান লোকে নিজৰ কামত খৰচ কৰি আত্মসাৎ কৰি বহি আছে। আন এটা কথা হৈছে যি পদ্ধতিৰে ভূমি ৰাজহ আদায় কৰিব লাগে সেই পদ্ধতিৰে আজিকালি মৌজাদাৰ সকলে নকৰে। কিন্তু আনহাতে আমাৰ জনসাধাৰণে ভূমি ৰাজহ আদায় কৰি দিয়াতো নিজৰ কর্ত্তব্য বুলি আদায় দিয়ে তেনে অৱস্থাত চৰকাৰে কিছুমান মানুহ নিয়োগ কৰি মাজতে এক বিৰাট পৰিমাণ ধনৰ অপচয় কৰি গৈছে আমাৰ যিটো ৰাজহ বিভাগ আছে সেই বিভাগৰ শাখা একোটাই সেই কাম কৰিব পাৰে আৰু

তাৰ দ্বাৰা আমাৰ চৰকাৰে মৌজাদাৰী ব্যৱস্থাত কিমান টকা খৰচ কৰিছে তাতকৈ বহুত কম খৰচৰে খাজানা আদায় কৰিব পাৰে।

উপাধ্যক্ষ মহোদয়, ভূমি ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত সিদিনা আমাৰ ৰাজহ মন্ত্ৰী ডাঙৰীয়াই কৈছে যে আগৰ বছৰতকৈ এই বছৰ ভূমি ৰাজহৰ বহুখিনি উন্নতি পৰিলক্ষিত হৈছে।

মিঃ স্পীকাৰঃ-কোৰাম নাই আপুনি ৰহক। (কোৰাম নাই)

শ্ৰীবদন চন্দ্ৰ তালুকদাৰঃ- গতিকে মই ভাবো যে অনতিপলমে এই মৌজাদাৰী প্ৰথাটো উঠাই দি তাৰ ঠাইত যদি চৰকাৰে এইদৰে ৰাজহ আদায় কৰাৰ ব্যৱস্থা কৰে তেন্তে যি ধৰণেৰে চৰকাৰে ৰাজহ আদায়ৰ ব্যৱস্থা কৰিছে তাতকৈ কৃষি আয়কৰৰ জড়িয়তে ৰাজহ ভালদৰে আদায় হৈ থাকিব। বৰঞ্চ ইয়াত যিখিনি ৰাজহ আদায় হয় বৰ্তমান তাতকৈ বেছি কৃষি আয়কৰ আদায় হব। উপাধ্যক্ষ মহোদয়, ইতিমধ্যে ভূমি ৰাজহ বিভাগৰ বহুতো কথা ইয়াত উৎথাপিত হৈছে। সেই সন্দৰ্ভত মই এটা কথা কব খোঁজো যে লেন্দ ৰেভিনিউ যিখন আছে সেইখন বৃটিছৰ দিনৰে, মাথোন মাজতে কেইটামান ধাৰা সংশোধন কৰা হৈছে, কিন্তু সেই আইনৰ আমোল পৰিবৰ্ত্তন হোৱা নাই। গতিকে আজি মই দাবী কৰো সেই আইনৰ আমোল পৰিবৰ্ত্তন কৰি আজিৰ আমাৰ যিটো আদৰ্শ তাৰ লগত সেই নীতিৰ আমোল পৰিবৰ্ত্তন সাধন কৰিব লাগে। ভূমি ৰাজহ সংক্ৰান্ত ভূমি পট্টনৰ ক্ষেত্ৰত বহুতো দুৰ্নীতি সোমাই পৰিছে। এই বিলাক দূৰ নকৰিলে আমাৰ ৰাজহ আদায়ৰ যিটো ব্যৱস্থা সেই ব্যৱস্থাৰে কোনো ৰকমেৰে আমাৰ ৰাজহ আদায় নহয়। কৃষি নিগমৰ জড়িয়তে আমাৰ ভূমিহীন কৃষকক সংস্থাপন কৰিবলৈ বিচৰা হৈছে বুলি আমাৰ চৰকাৰে কৈছে এই কথা কোৱাৰ এবছৰ হৈ গল কিন্তু এতিয়ালৈকে এজন কৃষককো সংস্থাপন দি অৰ্থনৈতিক ভাবে তেওঁলোকক সবল কৰি তোলাৰ ব্যৱস্থা কৰা হোৱা নাই। আনহাতে আজি আমাৰ ৰাজ্যত হাজাৰ হাজাৰ কৃষকক উচ্ছেদ কৰা হৈছে। যিবোৰ ঠাইৰ পৰা তেওঁলোকক উচ্ছেদ কৰা হৈছে সেইবোৰ ঠাইত তেওঁলোকে বহুত বছৰ ধৰি খেতি বাতি কৰি বসবাস কৰি আছে। অথচ তেওঁলোকক নিৰ্মম ভাবে উচ্ছেদ কৰা হৈছে। এই আলোচনা প্ৰসঙ্গত সিদিনা ৰাজহ মন্ত্ৰী মহোদয়ে নিজকে উচ্ছেদিত মন্ত্ৰী বুলি আখ্যা দিছে।

শ্ৰীপৰমানন্দ গগৈ ৰাজহ মন্ত্ৰী :—কোনোবা কোনোবাই লোক উচ্ছেদ কৰা মন্ত্ৰী বুলি কোৱাৰ কথাহে কৈছো।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :—আজি আমাৰ দেশত খাদ্য পৰিস্থিতিয়ে যিটো ভয়াবহৰূপ ধাৰণ কৰিছে সেইক্ষেত্ৰত হাজাৰ হাজাৰ খেতিয়কক যদি উচ্ছেদ কৰা হয় আৰু তেওঁলোকৰ যদি কোনো ব্যৱস্থা নকৰে সেই লোক সকলক জুলুম কৰাৰ লগে লগে দেশৰ খাদ্যশস্য উৎপাদন আৰু অৰ্থনৈতিক ক্ষেত্ৰত যথেষ্ট অমঙ্গল কৰা হৈছে। উপাধ্যক্ষ মহোদয় ৰাজহ বিভাগৰ দায়ীত্ব অকল ৰাজহ আদায় কৰাই নহয় তেওঁলোকৰ সুখ-শান্তিৰ বন্দোবস্ত কৰাতো ৰাজহ বিভাগৰ দায়ীত্ব। কিন্তু ৰাজহবিভাগে এই কথা কোনো দিনে চিন্তা কৰা নাই। তেওঁলোকে দেশৰ অৰ্থনৈতিক অৱস্থাৰ কথা চিন্তা নকৰে। সেই কাৰণে মই ভাবো বৰ্ত্তমান যিটো ব্যৱস্থা চলি আছে তাৰ এটা আমূল পৰিবৰ্ত্তন কৰিব লাগে। উপাধ্যক্ষ মহোদয়, দেশত দিনক দিনে ভূমিহীন কৃষকৰ সংখ্যা বৃদ্ধি পাইছে আনহাতে আমাৰ যিবিলাক ৰায়ত আছে ... ... ...

Shri Dulal Chandra Barua : Sir, my suggestion was to move both the Demands for Grants i.e. Grant No. 7 and 63 together as both are under Land Revenue.

Shri Paramananda Gogoi, Minister, Revenue : Both the Grants are not relevant. Let us move separately.

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :—১৯৭১ চনতে প্ৰজাস্বত্ব আইন পাচ কৰা হৈছিল। এই আইনৰ জৰিয়তে আমাৰ যিবিলাক ৰায়ত আছে তেওঁলোকক ৰায়তী স্বত্ব তথা মালিকী স্বত্ব দিয়াৰ কথা সেই আইনত উল্লেখ কৰা আছে। এই আইন প্ৰণয়ন হোৱাৰ পিছত আমাৰ বহুতো কৰিবলগীয়া আছিল। কিন্তু আমি আমাৰ ৰাজ্যত কি দেখিবলৈ পাইছো তেওঁলোকক ৰক্ষণা-বেক্ষণ দিয়া দূৰৰ কথা তেওঁলোকৰ আগতে যিখিনি স্বত্ব মাটি ওপৰত আছিল সেইখিনিও নাইকীয়া হৈছে। ইতিমধ্যে বহুতো ৰায়তক মাটিৰ পৰা উচ্ছেদ কৰা হৈছে—তাৰ বহুতো উদাহৰণ আছে। সেই উদাহৰণ দাঙি ধৰাও হৈছে কিন্তু চৰকাৰৰ তৰফৰ পৰা আজিলৈ তাৰ কোনো ৰক্ষণাবেক্ষণ দিয়া নাই। ৰায়ত সকলে সময়ত কৰ্তৃপক্ষক

জনোৱা স্বত্বেও কর্তৃপক্ষই কোনো সহায় সাহায্য আগবঢ়োৱা নাই। এইটো কথা ঠিক যে এই ৰায়ত সকল অৰ্থনৈতিক ক্ষেত্ৰত বৰ দুৰ্ব্বল আৰু তেওঁলোকৰ সবল সংগঠন নাই। কিন্তু মাটিৰ মালিক সকল ইতিমধ্যে বহুত সংঘবদ্ধ হৈ গৈছে। কিন্তু ৰায়ত সকলক কি ধৰণে উচ্ছেদ কৰিব সেই খবৰ চৰকাৰৰ হাতত আছে। কিন্তু সেই হিচাবে চৰকাৰৰ তৰফৰ পৰা যিখিনি সাহায্য দিব লাগিছিল সেইখিনি দিয়া নাই। ৰায়ত সকলে চৰকাৰৰ ওচৰত আবেদন নিবেদন কৰি বিফলহৈ পৰিছে—তাৰ উদাহৰণ দিব পাৰো কিন্তু সময় লব খোজা নাই। গতিকে আমি ভাবো ৰাজহ বিভাগে ৰাজহ আদায়ৰ ক্ষেত্ৰত যি ধৰণে গুৰুত্ব দিয়ে সেই ধৰণে কৃষক সকলৰ উন্নয়নৰ কাৰণে গুৰুত্ব নিদিয়ে। গতিকে অধ্যক্ষ মহোদয় এই ক্ষেত্ৰত যিটো দাবী উত্থাপন কৰিছে সেই দাবীত আমাৰ আগৰ বাজেটৰ লগত যদি তুলনা কৰি চাও তেনেহলে দেখিবলৈ পাও ৰাজহ বিভাগে যি টকা আদায়ৰ প্ৰতিশ্ৰুতি দিছে সেই প্ৰতিশ্ৰুতি ষাতে কোনোদিনে ফলবতী হোৱা নাই। কাৰণ আমাৰ আগৰ অভিজ্ঞতাৰ পৰা দেখা যায় দেখুৱাই ঠিক কিন্তু কাৰ্য্যত ওলোটা হৈ পৰে। সেই কালৰ পৰা ৰাজহ বিভাগৰ যিটো দাবী উত্থাপন কৰিছে মই তাৰ বিৰোধীতা কৰিছো।

(Mr. Dy. Speaker vacated the Chair at 11.25 A.M. and Mr. Speaker occupied it)

Shri Giasuddin Ahmed : Mr. Speaker, Sir, in support of the cut motion I would like to make a few observations. I shall try to be as brief as possible. Sir, land revenue is a most important subject we are dealing with. It is so important that the attention of the House should be paid to it as far as possible. Sir. the history of human civilization is closely connected with the history of land. Man is born on land, lives on land and dies on land and his body is merged with land. So, it is a most important subject The fundamental principle of progressive land reform is this that the actual tiller of the soil, the man behind the plough, should get land. That is the fundamental principle on which different progressive land

legislations are made. Sir, there is a class of people who since the pre-historic period were trying to get all the benefits out of land, and as a result of struggle over land monarcy came into existence, and so many world wars were fought on land disputes. Now, those people who have got vested interest on land are trying to maintain the status quo, and that is why we made some progressive land legislations. In our State and many other States in India we passed legislation on ceiling of land holding and we have a ceiling of 50 bighas. Under the Act nobody is allowed to retain more than 50 bighas of land and in principle we supported that. But even within the ceiling we are to see whether all the owners of land upto the maximum of 50 bighas are agriculturists or not. My contention is that even within the ceiling limit 50% of the land owners are absentee landlords and we have not made any survey about this. Lakhs and lakhs of people are allowed to retain 50 bighas of land-some even keep more lands surrepticiously even though they are not agriculturists. For instance, many Government officers drawing salaries more than 500/- p.m. have agricultural land. Many Doctors who are earning thousands of rupees per month, many engineers, many industrialists, many capitalists having occupations other than agriculture are having land of their own, agricultural land. All these people are living in towns and cities they are absentee landlords having agricultural land in the rural areas and the tenants are cultivating land producing crops and these so called owners are getting the lion's share this is being allowed by law. We have made the legislation that all persons having agricultural land are allowed to have a maximum of 50 bighas of land and a nonagriculturist is also allowed to retain 50 bighas of land. That is not justified. Sir, a Ceiling. Bill was introduced in this House and I submitted one amendent wherein I said that a non-agriculturist

should not be allowed to keep more then 10 bighas of land. The ceiling limit for a non-agriculturist or a man having occupations other than agriculture should not be allowed to retain more than 10 bighas of land but in our ceiling law everybody is allowed to have 50 bighas of land. It is absured ; it is unjustified. So, my contention is this : The ceiling law should be amended. A non agriculturist, I mean, a person having occupations other then agriculture, all government officers drawing more than 500 rupees, all doctors, all engineers, all industrialists, all traders or businessmen having a certain amount of capital should not be allowed to have agricultural land. Unless and until this ceiling law is amended we cannot give land to the actual tillers of the soil. As the position stands right now, 50% of the agricultural land belong to the non-agricultural people and I can prove it. Let there be a survey on it, let there be a survey in every revenue village, let there be a survey about all the persons having occupations other than agriculture but having land upto the extent of 50 bighas of land or more than that, let there be a full survey of it and let there be a legislation acquring all these land belonging to non-agricultural people. Then again, Sir, I come to the next point-that is, the tenants Sir, in 1971, again I am to come to the Goakpara Tenancy Act, the problem of which was discussed times without number with the Chief Minister, with the Revenue Minister and with all other officers concerned but I am sorry to say that they could not take appropriate action in this regard. I am afraid, either they could not realise the gravity of the problem or they have just avoided the issue. In both the cases the Revenue Department is guilty. The problem is this, Sir. Again I would like to repeat in the House : In 1971 by an amendment of the Goakpara Tenancy Act and the Sylhet Tenancy

Act Adhiara was given the right of tenants. That is the definition of "Adhiars" was amended to the effect "tenant" shall include Adhiara also. As the legal position stands right now, the Adhiars are tenants according to law and they cannot be evicted as they were previously. When the status of tenants is given to the Adhiars the legal consequence should be this that these Adhiars i.e. tenants should get a record of right in their names. They should get Khatians in their names, but these Khatians were finalised long before 1971 that is, by 1965 or 1966; the survey settlement operation in the district of Goalpara was completed at that time. The Adhiars were not in the picture. Their names were not recorded in the Khatian. Subsequently when in 1971 they have given the status of tenants to these people, Govt. ought to have taken steps for recording the names of Adhiars They should have started a survey and settlement operation for recording the names of the Adhiars but in spite of repeated requestes to the Government they paid no heed to it either deliberately or through ignorance. Sir, in this connection, many correspondence was made and the Chief Minister assured and he, so far as I know, directed the Revenue Minister and the Revenue Department to take steps but they did not take any step what soever. It is a very simple matter under the provision of the Goakpara Tenancy Act. The Department can right now issue one circular and one executive order that is required and nothing else no amendment, no legistation. No difficulty at all. Simply one executive order from the Revenue Secretary......but they have not done it. The result is that the Adhiara have been evicted. It this connection, I addressed a letter to the Chief Minister and the Revenue Minister wherein I stated, while the govt is absolutely callous in implementation of the relevant provisions of the Act for safeguarding the legitimate right of the Adhiars, the

landlords aided and abeted by the police are out to evict the Adhiars forcibly taking advantage of absence of any record of-right in the names of Adhiars. They have been subjected to extreme harassment - physically tortuted- arrested and charge sheeted in false and manufactured criminal cases. But there is no result uptil now. The Revenue Department is sleeping so to say. They did not take any step, The other day we got one amendment of Temporary Settled Areas Tenancy Act; that was a very good Act and we submitted one amendment to this amendment. On principle we support this amendment no doubt but then what is about this Goakpara Tenancy Act? This would not solve the problem unless and until the fundamental problem is solved. The fundamental problem is record of right in the names of the Adhiars. That is the fundamental thing. If we could have got this record of right in the names of the tenants in time then this amendment safaguarding the rights of the tenants would not have been required. Because we failed to give that record of right, that is, the Khatian, that is why the question of safeguarding their position has arisen. So, unless and until we give record of right in their names this amendment will not help. The owners will go to courts and have a decree in his favour and the Government cannot go or this Temporary Settled Areas Tenancy Act or any other Act cannot go against the decree of the Court. So, this will not give the permanent solution. This amendment of the Temporary Settled Areas Tenancy Act will not give the permanent solution.

It is just a temporary relief; it is just a temporary safeguard. So, sir, my suggestion is that this fundamental thing-record of rights—should be given immediately. Sir, so far as the district of Goalpara is concerned, that can be done immediately by an executive order from the Revenue

Secretary. Sir; with these few observations and with the hope that the actual tillers of the soil, the man behind the plough, will get the land and the tenants will be safeguarded from dispossession the Revenue Department should be a bit up and doing. Sir, I think this Department is dealing with the most important subject. But unfortunately I am sorry to say that the Hon'ble Revenue Minister perhaps is not taking much interest I have a very high impression of him. But unfortunately that impression is just vanishing day by day. Sir, I hope the Revenue Minister will rejuvenate himself up to the occasion and that is up to him to consider and with these few words, sir, I conclude.

শ্রীপ্রমধৰ বৰা :—মাননীয় অধ্যক্ষ মহোদয়, মই ৰাজহৰ শিতানত অহা কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰিবলৈ গৈ চৰকাৰৰ ৰাজহ বিভাগটোক সমালোচনা কৰিব খুজিছো আৰু প্ৰথমেই চৰকাৰক মই এই আখ্যা দিব বিচাৰিছো hopelessly inactives। কাৰণ অধ্যক্ষ মহোদয়, সদনত এই ৰাজহ বিভাগৰ কৰ্ত্তন প্ৰস্তাৱটো উৎথাপন কৰাৰ লগে লগে বাহিৰত প্ৰবল বেগে বতাহ আৰম্ভ হৈছিল। ই ইয়াকে সূচাইছে যে, ভাৰতৰ অৰ্থনীতিত আজি ধুমুহা আহিব লাগিছে। দৰিদ্ৰ নাৰায়ণৰ পূজা কৰা মহামানৱ মহাত্মা গান্ধীৰ নামত যি সংকল্প লোৱা হৈছিল সেই সংকল্প লোৱা চৰকাৰে আজি গুজৰাট বিধান সভা ভঙ্গ কৰি দিব লগা হৈছে। এই বিলাক কথা আজি নতুনকৈ বিবেচনা কৰি চাবৰ সময় হৈছে। সেই কাৰণেই মই আজি সময় থাকোতেই আমাৰ চৰকাৰক সোঁৱৰাই দিব খুজিছো যে, আমাৰ সম্মুখত যিবিলাক কথা আমি আজি দেখিবলৈ পাইছো সেইবিলাক কথা আমি পাহৰা উচিত নহব। গাৱলীয়া অৰ্থনীতি আজি আগ্নেয়গিৰিৰ তপত বাষ্পপিণ্ড হৈ ওপৰলৈ উৰি গৈছে। আজি চৰকাৰৰ ৰাজহ নীতি ব্যৰ্থ হোৱাৰ ফলত আমাৰ সৰ্ব্বসাধাৰণ ৰাইজৰ জীৱন নিৰ্ব্বাহ অসম্ভৱ হৈ পৰিছে। তেওঁলোক আজি অসম্ভৱ ৰূপে নিষ্পেষিত হৈ পৰিছে। গতিকেই আমাৰ চৰকাৰক আজি কেইটামান কথা পৰামৰ্শ হিচাবে ডাঙি ধৰিব খুজিছোঁ।

অধ্যক্ষ মহোদয়, আজি আমাৰ ৰাজ্যৰ প্ৰায় দেৰ কোটি মানুহৰ ভিতৰত প্ৰায় ২০ লাখ মানুহে খাবলৈ পাইছে বাকী মানুহখিনিয়ে খাবলৈ পোৱা নাইকীয়া। এনে অৱস্থাত আমি দুখীয়া মানুহ বিলাকৰ প্ৰতিনিধিত্ব কৰিবলৈ আহি কি কৰিছোঁ? আজি কিয় এনেকুৱা এটা অৱস্থা আমাৰ মানুহৰ হবলৈ পাইছে? এই সকলো বিলাক কথা আমি চিন্তা কৰি চোৱাৰ প্ৰয়োজন হৈ পৰিছে। আজি ৰাজহ মন্ত্ৰী মহোদয়ে মৌজাদাৰ সন্মিলনৰ দাবী পাইছে, মণ্ডল, কাননগুৰ সন্মিলনৰ দাবীসমূহ পাইছে কিন্তু আমাৰ মাটিহীন দুখীয়া খেতিয়ক সকলৰ প্ৰতিবেদন পাইছেনে নাই? সকলোৰে প্ৰতিবেদন বিলাক অনুধাৱন কৰক কিন্তু লগে লগে এই দুখীয়া মাটিহীন খেতিয়ক সকলৰ সমস্যাও অনুধাৱন কৰি তাৰ বিহীত ব্যৱস্থা লোৱাটো নিতান্তই প্ৰয়োজনীয় কথা। আজি আমাৰ ৰাইজৰ অৱস্থা অতি বেয়া হৈ পৰিছে। গতিকেইহে মই আমাৰ ৰাজহ মন্ত্ৰী মহোদয়ক কেইটামান পৰামৰ্শ আগবঢ়াইছো।

প্ৰথমতে, ১৯ শতিকাতে সাম্ৰাজ্যবাদী আৰ্হিৰে ইংৰাজ চৰকাৰে কৰা 'ৰেভিনিউ মেনুৱেল' খন সংশোধন কৰি সেইমতে কাৰ্য্য পৰিচালনাৰ দায়িত্ব লব লাগে। অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনৰ ৰাজহ কৰপৰা হব? আমাৰ যিবিলাক 'গ্ৰেজিং ৰিজাৰ্ভ' আছে সেইবিলাক আজি 'কামধেনু' হৈ পৰিছে।

শ্ৰীপৰমানন্দ গগৈ (মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, সেইৰোৰ আজি বেদখল হৈ পৰিছে।

শ্ৰীপ্ৰেমধৰ বৰা :—ৰাজহ বিভাগৰ কামধেনু হৈ আছে। এইবিলাক যিমান দিনলৈকে বন্দবস্তী দিয়া নহয় তেতিয়ালৈকে মণ্ডল-কানুনগু সকলে এই কামধেনু সদৃশ 'গ্ৰেজিং ৰিলাকৰ পৰা খিৰতী গাইৰ দোহন কাৰ্য্য চলাই থাকিব পাৰিব। সেইকাৰণেই তেওঁবিলাকে এই 'গ্ৰেজিং ৰিজাৰ্ভ' বিলাকনিষ্পত্তি হোৱাটো নিবিছাৰে। ইয়াৰ ফলত এহাতে চৰকাৰৰ ৰাজহ বন্ধ হৈ আছে আৰু আনহাতে আমাৰ ভূমিহীন লোক সকলক চৰকাৰে সংস্থাপন কৰিব পৰা নাই। সংস্থাপন কৰিব নোৱাৰা যি সকল খেতিয়কে ওচৰতে থকা গ্ৰেজিং ৰিজাৰ্ভ বিলাকত বসবাস কৰিবলৈ আৰম্ভ কৰিছে তাতো আমাৰ চৰকাৰে বেদখল আৰম্ভ কৰি দিছে। যি বিলাকত উচ্ছেদ কৰিব পৰা নাইকীয়া সেই বিলাকত ধনীমানুহ বিলাকৰ কবলত পৰিছে। কোনো কোনো 'গ্ৰেজিং ৰিজাৰ্ভ'ত যদিও কিছুমান মাটিহীন

মানুহে ২৪ বিঘা মাটি ভোগ দখল কৰি আছে সেইবিলাকত ধনী মানুহ বিলাকে নানান অত্যাচাৰ আদি কৰি তেওঁলোকৰ নিৰাপত্তা নাইকীয়া কৰি পেলাইছে। দুখীয়া মানুহকহে চৰকাৰে উচ্ছেদ কৰিছে, ধনী মানুহক কৰিব পৰা নাই। ফলত এহাতে আমাৰ গ্ৰেজিং হোৱা নাই, 'চেটেলমেণ্ট'ও হোৱা নাই আৰু খাজনাও নাই। এই বিলাক নিষ্পত্তি কৰি যদি পট্টন দিব পাৰিলেহেতেন তেতিয়াহলে, ৰাজহো আমাৰ চৰকাৰে পালেহেতেন আৰু আমাৰ মাটিহীন মানুহেও মাটি পালেহেতেন। কিন্তু সেইটো কৰিব পৰা নাই। মোৰ সমষ্টি ৰঙাল মৰাত এটা কেছ আজি ৯ বছৰে চৰকাৰৰ ৰেভিনিউবৰ্ডত পৰি আছে। এই ৰেভিনিউৰৰ্ডটো চৰকাৰৰ নাৰায়ণ কবচ হোৱাৰ নিছিনা হৈছে কিয়নো যেতিয়াই এনে কিছুমান কেছ আহে তেতিয়াই চৰকাৰে আপিল কৰি সেই কেছ বিলাক এই 'ৰেভিনিউবৰ্ড'ত পেলাই থৈ দিয়ে। আগৰ ৰাজহ মন্ত্ৰী জনাই এই বিলাক নিষ্পত্তি কৰিবৰ কাৰণে আশ্বাস দিছিল কিন্তু আজিৰ ৰাজহ মন্ত্ৰী গৰাকীয়ে হলে তাৰ কোনো ব্যৱস্থা কৰা নাই। গতিকেই মই চৰকাৰৰ ওচৰত দাবী জনাইছো যে, এই ৰেভিনিউ-বৰ্ড'টো নতুনকৈ সংগঠন কৰি কাৰ দোষত এই পুৰণা কেছবোৰ পৰি থাকিব লগা হৈছে সেই সকল হেমাহি কৰা বিষয়াৰ ওপৰত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

ইয়াৰ পিছত, অসম অৰুণাচলৰ সীমাৰ ক্ষেত্ৰত মই কওঁ যে, মোৰ সমষ্টি ৰান্দৰ দেৱাত যি সকল লোকে বসবাস কৰি আছিল সেই সকলে আজি ২০।৩৫ বছৰৰ পৰা তাত বসবাস কৰি আছে। তেওঁবিলাকৰ পৰা আমাৰ চৰকাৰে ৰাজহ আদিও আদায় কৰি আহিছে। গতিকে যেতিয়া অৰুণাচল ৰাজ্যৰ চৰকাৰে সেই মানুহ বিলাকৰ ঘৰ-দুৱাৰ আদি ভাঙি তেওঁলোকৰ ওপৰত অত্যাচাৰ কৰে তেতিয়াই সেই লোক সকলক ৰক্ষণাবেক্ষণ আৰু নিৰাপত্তা দিয়াটো আমাৰ চৰকাৰৰ নৈতিক কৰ্ত্তব্য। যদি তাকে কৰিব নোৱাৰে তেতিয়া-হলে, সেই সকল লোকক প্ৰজা বুলি চিনাকি দিয়াৰ আৰু তেওঁবিলাকৰ পৰা খাজনা আদি আদায় কৰাৰ কোনো নৈতিক অধিকাৰ এই চৰকাৰৰ থাকিব নোৱাৰে। গতিকেই মই চৰকাৰক অনুৰোধ কৰিছো যে, যিবিলাক মানুহৰ পৰা আমাৰ চৰকাৰে খাজনা আদি আদায় কৰি আছে, যিবিলাক মানুহৰ ঘৰ-দুৱাৰ আদি অৰুণাচল চৰকাৰে ভাঙি তাত বে-দখল আৰম্ভ কৰিছে তাত চৰকাৰে

হস্তক্ষেপ কৰি সীমা বিবাদ নিষ্পত্তি কৰিব লাগে আৰু এই লোক সকলৰ ৰক্ষণাবেক্ষণৰো দিহা কৰিব লাগে। সীমাচিহ্নিত কৰাৰ ক্ষেত্ৰত মই অসম চাৰ্ভেৰ কথা কব খুজিছো যে, এইটো এটা অতি 'হ' পলেছলি ইন্‌এফিচিয়েণ্ট' বিভাগ হৈ আছে। এখন ৰাজ্য আজি সাতখন হোৱাৰ পিছতো এই বিভাগ টোৱে ভালদৰে কাম কৰিৰ পৰা নাই। একেখন জীপগাড়ীতে অসম চাৰ্ভে পাৰ্টিৰ লোকে 'চেণ্ট্ৰেল চাৰ্ভে পাৰ্টিৰ লগত ঘূৰি আৰু একেলগে চাহ তামোল খাই হলি গলি কৰি 'চেণ্ট্ৰল চাৰ্ভে পাৰ্টিৰ কবলত পৰি ৰাজ্যখনৰ সীমাবিলাক খেলি মেলি লগাই ৰাজ্যখনৰ স্বাৰ্থ জলাঞ্জলি দিছে।

গতিকে মই দাবী কৰিছো আমাৰ সীমা বিবাদ নিষ্পতি কৰিব লাগে আৰু ৰাজ্যৰ সীমাত যিবিলাক অৰুণাচলৰ মানুহে বেদখল কৰিছে সেইৰিলাক অনতি পলমে উৰ্চ্ছেদ কৰিব লাগে। এই সন্দৰ্ভত অধ্যক্ষ মহোদয়, আমাৰ অ'সাম চাৰ্ভেৰ এটা কথা উল্লেখ কৰো। এইটো এটা হপলেচল্লি ইন এফেকটিভ। এই বিভাগৰ দ্বাৰা আমাৰ যিবিলাক ৰাজ্যিক স্বাৰ্থ সেই স্বাৰ্থ সক্ৰীয় ভাবে বিনষ্ট হৈ পৰিছে। সেই বাবে এই কথা মই আমাৰ ৰাজহ মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিছো। আজি তিনি-চাৰি বছৰে যি চেটোলমেণ্ট হব লাগে সেয়া হোৱা নাই। মন্ত্ৰী সকলৰ সকলো কথা গৈ মণ্ডল কাননগুৰ ওচৰত শেষ হৈ যায়। মণ্ডল বিলাকৰ ডিষ্ট্ৰিক টেন্সফাৰৰ কথা আজিৰ পৰা দুবছৰৰ আগতে ওলাইছিল। যে আমাৰ চৰকাৰে ভূমিপট্টন নীতিৰ বেমেজালি হোৱা কাৰণে এখন মেন্নুৱেল তৈয়াৰ কৰিছে। দেখা যায় আজি আমাৰ মন্ত্ৰীতকৈ মণ্ডল কাননগু হে বেছি ক্ষমতাশালী হৈ পৰিছে। মন্ত্ৰী সকলৰ আজিলৈকে কোনো ট্ৰেন্সফাৰ নহল। আজি আমাৰ তৌজী বাহী খাজনাৰ যি পদ্ধতি আছে সেই পদ্ধতিৰ দ্বাৰা আমাৰ ৰাজহ আদায় হোৱা নাই। এইটো সম্পূৰ্ণ ভাবে উঠাই দিব লাগে। এই খিনিকে কৈ মই আমাৰ ৰাজহ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো।

শ্ৰীপ্ৰবীন কুমাৰ চৌধুৰী :— অধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱটোৰ বিৰোধ কৰি দুটামান পৰামৰ্শ দিব বিচাৰিছো।

অধ্যক্ষ মহোদয়, আমাৰ ৰাজহ বিভাগৰ যিখিনি টকা বাকী পৰি আছে

সেই টকাবিলাক আদায় কৰিলেও আমাৰ পঞ্চম পঞ্চ বাৰ্ষিক পৰিকল্পনা যথেষ্ট উপকৃত হব। আমাৰ মৌজাদাৰ সকলে টকা আদায় কৰে কিন্তু সেইবিলাক চৰকাৰী ভৰালত জমা নিদিয়ে মোৰ সমষ্টি ছয় গাওঁ চাৰ্কোলত ৭জন মৌজাদাৰ আছে। তাৰে ছজন মৌজাদাৰে টকা পইচা আদায় কৰি চৰকাৰক জমা নিদিয়াকৈ বহি আছে। সেই কাৰণে মই ৰাজহ মন্ত্ৰী মহোদয়ক বাৰে বাৰে কৈছো এই বিলাক মৌজাদাৰৰ ওপৰত কিবা এটা একশ্যন লব লাগে। মই আশা কৰো সেই টকা বিলাক আদায় কৰাৰ চৰকাৰে কিবা ব্যৱস্থা কৰিব। ১৯৬৮ চনত যি সময়ত ফকৰুদ্দিন আলি চাহাব বিত্ত মন্ত্ৰী আছিল সেই সময়ত বাঘবৰ মৌজাত গড়াখহনীয়া হৈছিল। তাৰ পিচত জলজলী ৰিজাৰ্ভ খুলি তাত মানুহক বসবাস কৰি দিয়া হল। কিন্তু আজিলৈকে সেই মাটিৰ পট্টা দিয়া নহল। মই আশাকৰো চৰকাৰে সেই ৰিজাৰ্ভত বসবাস কৰা মানুহখিনিৰ প্ৰতি চকু ৰাখিব।

অধ্যক্ষ মহোদয়, আমাৰ ছয় গাওঁ চাৰ্কোলৰ কথা কব খুজিছো, তাত মন্দিৰা বুলি এটা ৰিজাৰ্ভ আছে। সেই ৰিজাৰ্ভত প্ৰায় ১১ হেজাৰ বিঘা মাটি আছে। তাত যিবোৰ মানুহ গৈ বহিছে তাত বেছি সংখ্যক মানুহেই মাটি থকা মানুহ। মই মুখ্য মন্ত্ৰী মহোদয়ক এখন প্ৰতিবেদন দিছিলো যে সেই ৰিজাৰ্ভত অনতি পলমে এখন ফাৰ্মিং কৰপোৰেশ্যন কৰিব লাগে। যিবিলাক মানুহৰ প্ৰকৃততে মাটি নাই তেওঁলোকক তাত ৰখাৰ দিহা কৰি মাটি থকা মানুহখিনিক উঠাই দি আন ঠাইৰ পৰা মাটি নোহোৱা মানুহ আনি তাত বহুৱাব লাগে। কিন্তু আজি লৈকে তাৰ কোনো ব্যৱস্থা হোৱা নাই। এই সম্পৰ্কত যদিও মুখ্য মন্ত্ৰী মহোদয়ে এটা নোট দিছিল সি গৈ ৰাজহ মন্ত্ৰী মহোদয়ৰ ওচৰত আছেগৈ, কাম হোৱা নাই। গতিকে মই মুখ্য মন্ত্ৰী মহোদয়ক পুণৰ অনুৰোধ কৰিছো যাতে মন্দিৰা ৰিজাৰ্ভত অতি সোনকালে এখন ফাৰ্মিং কৰপৰেশ্যন আৰম্ভ কৰে। অধ্যক্ষ মহোদয়, যোৱা বাজেত অধিবেশনত এটা প্ৰস্তাব আনিছিলো যে যি সকলৰ ৮ বিঘা কৈ মাটি আছে সেই সকলৰ খাজনা ৰেহাই দিব লাগে আৰু ২৫ বিঘাৰ ওপৰত যি সকলৰ মাটি আছে সেই সকলৰ ওপৰত খাজনা বঢ়াই দিব। কিন্তু সেই প্ৰস্তাবটো সদনত নাহিল। মই আজি তাকেই কব বিচাৰিছো। কাৰণ ৮ বিঘাতকৈ আৰ কম ঘৰ মাটি আছে সেই সকলক মাটিহীন বুলি চৰকাৰে নীতি গ্ৰহণ কৰিছে।

যদি আমি ২৫ বিঘাৰ ওপৰত যাৰ মাটি আছে তেওঁলোকে বেচিকৈ কৰ বা খাজনা লগোৱা যায় তেনেহলে চিলিংএক্ট যি উদ্দেশ্য সফল হব। কিয়নো চিলিংএক্টত ৫০ বিঘা মাটিৰ সৰ্বোচ পৰিমাণ ধৰা হৈছিল। এনে এটা দিন আহিব যিটো দিনত মাটিৰ সৰ্বোচ পৰিমাণ ২৫ বিঘাহে কৰিব লাগিব। ইয়াকে কৈ মই কৰ্তন প্ৰস্তাৱটোৰ বিৰোধ কৰিছো আৰু বিৰোধী দলৰ সদস্য সকলক অনুৰোধ কৰিছো যাতে কৰ্তন প্ৰস্তাৱটো উঠাই লয়।

শ্ৰীপ্ৰমোদ গগৈ :— মাননীয় অধ্যক্ষ মহোদয়, মই এই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি ৰাজহ বিভাগ সম্পৰ্কে দুআষাৰ কব বিচাৰিছো। এই সম্পৰ্কে ইতিমধ্যে যথেষ্ট আলোচনা হৈ আছে। অসমত এতিয়ালৈকে যিবিলাক ভূমিসংস্কাৰ আইন পাচ কৰা হল, আইনৰ ফালৰ পৰা বিবেচনা কৰিলে সেই আইন বিলাক অন্যান্য প্ৰদেশৰ তুলনাত যথেষ্ট পৰিমানে ভাল। লগতে এই কথাও আমি কব লাগিব যে, এই আইন বিলাক কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত অসম চৰকাৰ আৰু ৰাজহ বিভাগৰ ব্যৰ্থতাৰ ভাৰতবৰ্ষৰ ভিতৰত সকলোতকৈ আমাৰ প্ৰদেশত বেছি। ১৯৪৮ চনত আধিয়াৰ স্বত্ব সংৰক্ষণ আইন পাচ কৰা হৈছিল। সেই আইন কাৰ্য্যকৰী কৰাৰ কাৰণে ৰাজ্য চৰকাৰৰ পৰা কোনো ব্যৱস্থা কৰা নহল। আৰু অৱশেষত সেই আইন কাৰ্য্যকৰী নোহোৱাকৈ অন্য এখন আইন কৰি সেই আইন বাতিল কৰা হৈছে। আমাৰ ১৯৬৮ চনতে মাটিৰ চিলিং আইন পাছ কৰা হ'ল, কিন্তু আজিলৈকে ৰাজ্য চৰকাৰে সেই চিলিং আইন কাৰ্য্যকৰী কৰিব নোৱাৰিলে। প্ৰথমতে ১৫০ বিঘাৰ মাটিৰ সীমা বান্ধি দিয়াৰ পিছত যিখিনি মাটি চৰকাৰে লব লাগিছিল, সেই মাটি চৰকাৰে আদায় কৰিব নোৱাৰিলে। ১৯৭১ চনত ৭৫ বিঘাকৈ কমাই দিয়া হ'ল। সেই ৭৫ বিঘা সীমা কমাই আইন পাচ কৰা ২ বছৰ পাৰ হৈ গল কিন্তু চৰকাৰে এতিয়ালৈকে কাৰ্য্যকৰী কৰিব নোৱাৰিলে ১৯৭২ চনত মাটিৰ আইন আৰু মাটিৰ সীমা ৫০ বিঘালৈ কমাই দিয়া হ'ল। সেই ৫০ বিঘালৈ কমাই দিয়াৰ পাচ কৰা বিধান খন আজিলৈকে ৰাজ্য চৰকাৰে বলবত কৰিব পৰা নাই। গতিকে অধ্যক্ষ মহোদয়, মাটিৰ সম্পৰ্কত এতিয়ালৈকে যিবিলাক বিধান গ্ৰহণ কৰা হৈছে সেই বিধান বিলাক কাৰ্য্যকৰী হোৱা নাই। আৰু ৭১ চনত আমাৰ যিখন টেনেনচি এক্ট পাচ কৰিলে আৰু ৰাষ্ট্ৰপতিয়েও সন্মতি দিয়া স্বত্বেও যোৱা ২ বছৰে এই আইন আমাৰ প্ৰদেশত কাৰ্য্যকৰী কৰিব পৰা নাই। ইতিমধ্যে

আমাৰ দুখন জিলাত আইন কাৰ্য্যকৰী কৰাৰ কাৰণে প্ৰশাসনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। কিন্তু সেই আইন কাৰ্যাকৰী কৰিবলৈ যাওতে যি সকল মাটিৰ মালিকে এই আইনৰ ফলত ক্ষতিগ্ৰস্থ হব আৰু ৰায়ত বিলাকক সেই দুখন জিলাত যি বলপূৰ্বক ভাবে, বে-আইনী ভাবে উচ্ছেদ কৰিছে তাৰ পৰা ৰায়ত সকলক সংৰক্ষন দিয়াৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা কৰিছেনে ? আজি সেইকাৰণেই এই প্ৰশ্নটো উঠিছে যে যদি আমাৰ ৰাজ্যখনত এতিয়ালৈকে কেইবাখনো আইন পাচ কৰা হ'ল কিন্তু এতিয়ালৈকৈ এখনো আইন কাৰ্য্যকৰী হোৱা নাই কিয় ? স্বাভাবিকতে অধ্যক্ষ মহোদয়, ৰাজহ বিভাগে এই আইন পাচ কৰিলে যদিও ৰাজহ মন্ত্ৰীয়ে যদি সেই আইন সৰ্বান্ত কৰণে সমৰ্থন নকৰে, ৰাজহ বিভাগৰ উচ্চপদস্থ কৰ্মচাৰী সকলে যদি সেই আইন সৰ্বান্ত কৰণে সমৰ্থন নকৰে তেনেহলে সেই আইন কাৰ্য্যকৰী হব পাৰিবনে ? ৰাজহ বিভাগৰ যিবিলাক বিষয়া আৰু জমিদাৰে সমৰ্থন কৰি ৰায়তক অধিকাৰ দিয়াৰ বিৰোধিতা কৰে, সেই বিষয়াসকলে আইন কাৰ্য্যকৰী কৰিব বুলি আমি আশা কৰিব পাৰোনে ? আজি এই আইন কাৰ কাৰণে কৰিছে ? আজি নানান ধৰণৰ বিষয়া নিয়োগ কৰা হৈছে, দি, এল, আৰ নিয়োগ কৰা হৈছে আৰু তেওঁলোকৰ ওপৰত ভূমি সংস্কাৰৰ কাৰণে দায়িত্ব দিয়া হৈছে। আমি জানো সেই বিষয়া সকলে আধিয়াৰ বা ৰায়ত সকলৰ স্বাৰ্থ ৰক্ষাৰ বিৰোদ্ধে প্ৰচেষ্টা চলায় আছে। গতিকে আজি আইন পাচ কৰাতোৱেই যথেষ্ট নহয়। সেই আইন পাচ কৰি কাৰ্য্যকৰী কৰাৰ কাৰণে চৰকাৰে কিয় ব্যৱস্থা লোৱা নাই। আৰু এই সন্দৰ্ভত আমি কেইবাবাৰো উল্লেখ কৰিছো। গুৱাহাটীৰ ভূমি বিতৰণৰ তদন্তৰ সম্পৰ্কত কমিটি কৰা হৈছিল, আৰু সেই কমিটিয়ে ৰিপোৰ্ট দিছে সদনে সেই ৰিপোৰ্ট গ্ৰহণ কৰি কিয় কাৰ্য্যকৰী কৰিব পৰা নাই ? যিবিলাক ৰাজনৈতিক নেতাক দোষী স্যাবস্ত কৰা হ'ল যিবিলাক বিষয়াক দোষী সাবস্ত কৰা হ'ল সেই বিষয়া সকলৰ বিৰোদ্ধে চৰকাৰে ব্যৱস্থা নোলোৱাৰ কিবা কাৰণ থাকিব পাৰেনে ? তাৰ পৰা এইটোৱেই প্ৰমাণ হৈছে যে, ৰাজ্য চৰকাৰে সেই বিষয়া সকলক আৰু ৰাজনৈতিক নেতাসকলক পৰোক্ষ ভাৱে সংৰক্ষণ দিয়াৰ ব্যৱস্থা কৰিছে। সেই কাৰণেই আজি এইবিলাক ক্ষেত্ৰত ৰাজহ বিভাগৰ ব্যৰ্থতা আমি লক্ষ কৰিছো আৰু উপলব্ধি কৰিছো। আজি আমাৰ ভূমি সংস্কাৰ আইন কাৰ্য্যকৰী নোহোৱাৰ ক্ষেত্ৰত যিবিলাক ৰাজহ বিভাগৰ বিষয়া আছে, আৰু মন্ত্ৰী আছে সেইসকলেও সেই উদ্যোগ হাতত লবলৈ বিচৰা নাই।

অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত আমি বিশেষকৈ মাটিৰ ক্ষতিপূৰণ নিৰ্দ্ধাৰণ কৰাৰ ক্ষেত্ৰত ৰাজহ বিভাগৰ যিখিনি ৰাজহুৱা ধন অপচয় কৰা হৈছে সেইটো লক্ষ কৰি ৰাজহ বিভাগে এই কথা বাৰে বাৰে কৈছে যে, মাটিৰ ক্ষতিপূৰণ নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত ৰাজহ বিভাগৰ আইন আছে। কিন্তু সেই আইনৰ বলত প্ৰকৃততে ন্যায় ভাবে মাটিৰ মালিক সকলৰ ক্ষতিপূৰণ নিৰ্দ্ধাৰণ কৰা হৈছেনে? ইতিমধ্যে অদিট ৰিপোৰ্টত এই কথা বাৰে বাৰে উল্লেখ কৰা হৈছে যে, অসমত যিবিলাক বিভাগে ৰাজহুৱা ধন অপচয় কৰিছে সেই বিভাগ বিলাকৰ ভিতৰত ৰাজহ বিভাগ এটা। সেই ৰিপোৰ্টৰ ৩৭ পৃষ্ঠাত উল্লেখ কৰা হৈছে যে, কিছুমান জিলাত ক্ষতিপূৰণ দিয়াৰ কাৰণে যিমান টকা কলেক্টৰ আৰু চাব ডেপুটি কলেক্টৰক দিয়া হ'ল, সেই টকা এতিয়ালৈকে ব্যৱহাৰ কৰা হলনে? সেই টকা ৰাইজে পাইছেনে নাই তাৰ কৈফিয়ত চৰকাৰে দিবনে? ৰিপোৰ্টৰ ৩৭ পৃষ্ঠাত ৰেভিনিউ বিভাগ সম্পৰ্কত কৈছে যে,

The following amounts were drawn by the Collector and paid to the Sub-deputy collectors and Land Acquisition officers for disbursement but their disbursment could not be verified as there was no entries in the Cash book and the payees receipt.

মহোদয়, এই শিতানত দেখা গ'ল যে, কামৰূপত ১১ হাজাৰ ৭ টকা আৰু শিৱসাগৰ জিলাত ১ লাখ ৭৪ হাজাৰ ৪৭৩ টকা। ইয়াৰোপৰি ৰাজহ মন্ত্ৰী মহোদয়েও আমাৰ আইনৰ কথা বাৰে বাৰে কয় কিন্তু ক্ষতিপূৰণ দিয়াৰ সম্পৰ্কত কোনো আইন শৃংখলা মানি চলা নাই। ৰিপোৰ্টত এটা কথা উল্লেখ কৰিছে যে,

Rs. 1.58 lakhs were paid to the persons other than the claimants and awardees.

যি বিলাকে আইন মতে ক্ষতিপূৰণ পাব নালাগে, যি বিলাকে ক্ষতিপূৰণৰ কাৰণে দাবী কৰা নাছিল, যি বিলাক ক্ষতিপূৰণ পোৱাৰ যোগ্য নহয় তেনেকুৱা লোকক ৰাজহ বিভাগে এক লাখ ৫৮ হাজাৰ টকা ক্ষতিপূৰণ দিছে। ইয়াৰোপৰি

এই ৰিপোৰ্ট'ত কোৱা হৈছে যে—

As the Patta Number was not quoted in the Chitas prepared for the respective land acquisition cases, the validity of the title of the claimants to the lands is not ascertainable. And in Nowgong district, about Rs. 19-79 lakhs for patta lands was paid without showing the patta number.

অধ্যক্ষ ডাঙৰীয়া এই বিলাক হৈছে গুৰুত্বপূৰ্ণ দৃষ্টান্ত। ৰাজহ বিভাগে কৰিব নোৱাৰা কাম কি আছে? যি ৰাজহ বিভাগে দাবী নকৰাকৈ ক্ষতিপূৰণ দিব পাৰে পট্টা নোহোৱাকৈ, নম্বৰ নোহোৱাকৈ লাখ লাখ টকা ক্ষতিপূৰণ দিব পাৰে সেই ৰাজহ বিভাগে ভূমিসংস্কাৰ আইন কাৰ্য্যকৰী কৰি এটা উদ্যোগ লব নোৱাৰে। গতিকে এই ক্ষেত্ৰত অসমৰ ৰাজহ বিভাগটো পুনৰ সংস্কাৰ কৰাৰ অতি প্ৰয়োজন হৈ পৰিছে। সেই কাৰণে মই দাবী কৰিছো যে, ৰাজহ বিভাগৰ যি বিলাক কৰ্মচাৰীয়ে তেওঁলোকৰ মাটিৰ মহাজনৰ পক্ষ লৈছে, যিবিলাক কৰ্মচাৰীয়ে জমিদাৰ পক্ষ লৈছে আৰু যি বিলাকে ভূমি সংস্কাৰ আইনৰ বিৰোধিতা কৰিছে সেই বিষয়া সকলক ৰাজহ বিভাগৰ পৰা ততালিকে আতৰাব লাগে। কাৰণ সেই বিষয়া বিলাকৰ ওপৰত যেতিয়ালৈকে অসমৰ ভূমি ৰাজহৰ দায়িত্ব ন্যস্ত থাকিব কোনো কাৰ্য্যকৰী ব্যৱস্থাই কৃতকাৰ্য্যতা লাভ কৰিব নোৱাৰে। অধ্যক্ষ ডাঙৰীয়া মই লগতে এইটো কথাও দাবী কৰিছো যে যি বিলাক বিষয়াই লাখ লাখ টকা অপব্যয় কৰিছে ৰাজহুৱা ধনৰ অপব্যয় কৰিছে সেই বিষয়া সকলৰ ওপৰত অনতিপলমে তৎকালীন ব্যৱস্থা গ্ৰহন কৰিব লাগে।

ৰাজহ বিভাগৰ অন্য কেচ হলে চৰকাৰে আইনৰ ফাক দেখুৱাই তাৰ বিৰোধিতা কৰে। কিন্তু সোণাপুৰ চাহ বাগানৰ ক্ষেত্ৰত ৯ লাখ টকাৰ ঠাইত ৫০ লাখ টকাৰ ক্ষতিপুৰণ ততালিকে দিছে। এইটো ক্ষেত্ৰত ৰাজহ বিভাগৰ বিষয়া সকলজড়িত নহয়নেকি? যি বিলাক বিষয়াই মাটিৰ মূল্য নিৰ্দ্ধাৰণ কৰিছিল, যি বিলাক বিষয়াই সেই টকা ততালিকে দিয়াৰ কাৰণে নিৰ্দেশ দিছিল সেইবিলাক বিষয়া ইয়াৰ লগত জড়িত নহয় নে? এই বিষয়ে তদন্ত কৰিলে সেই বিষয়াসকলৰ দুৰ্নীতিৰ অভিযোগত অভিযুক্ত হব পাৰে।

আমাৰ প্ৰদেশত যিবিলাক ভূমি সংস্কাৰ আইন আছে সেইবিলাক কাৰ্য্যকৰী কৰাৰক্ষেত্ৰত মই দাবী কৰিছো যে ভূমি সংস্কাৰ বিভাগটো পুনৰ গঠন কৰাৰ প্ৰয়োজন আৰু যিবিলাক বিষয়াই এই আইনক বিশ্বাস নকৰে আইন বিলাক কাৰ্য্যকৰী ক্ষেত্ৰত বিৰোধিতা কৰিছে বা বাধাৰ সৃষ্টি কৰিছে সেই বিষয়াসকলক ততালিকে ৰাজহ বিভাগৰ পৰা অপহাৰিত কৰিব লাগে। এইখিনিকে কৈ মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিলো।

Shri Dulal Chandra Barua – Mr. Speaker, Sir, in support of the cut motion under this particular head of Land Revenue I want to make a few observations. Sir, Government declard policy is to give land to the landless people and this new Government under the leadership of the present Chief Minister was very vocal in declaring the policy to give land to the landless pessants and that reformatory meassures were going to taken in the matter of settlement of land. But what is the result of all these declarations ? Have any such measure has been taken so far ? Is there any progress for rehabilitation of the landless people or is there any progress in the implementation of the land reform policy ? Sir, the result in these two fronts is nil. Sir, I want to quote certain figures to show how and in what was the so-called progressive Government is acting progressively. Sir, as per Government statistics the number of landless people in the year 1971-72 was 4.2 lakhs, in 1972-73 it was 4.9 lakhs and in the year 1973-74 it has jumped to 6.2 lakhs. It clearly shows that this Government in stead of giving land to the landless peasants, in the name of clearing the reserve forests and the V.G.R and P.G.R,, they have evicted the people. This Government have compelled the people to resort to illegal course viz encroachment etc. Sir, there is limitation to everything. I have been approaching this so-called benign Government for last 12 years for rehabilitation of certain erosion affected

people of my constituency belonging to Scheduled caste and other backward classes. These people, numbering 472 families were affected by the erosion of Brahmaputra in 1965 ; they were living on the railway embankment and abandoned dyke. I have been approaching the Government times without number the Govt. for their rehabilitation. Every time I got assurance but nothing was done. I approached all officers of Government including the Minister, Revenue and even the Chief Minister. But sir, it is very much unfortunate that on last 14th the Chief Minister has given a reply at the instance of Revenue Department. These people were given land at Malpara. The S.D.C. was deputed by the deputy Commissioner there. The S.D.C. went there and reported that rehabilitation is not possible. Then they were given at Kakojan. But the S.D.C. Golaghat objected that it will not be possible to give them cultivable land; only the home stand land could be given. Ultimately D.C. suggested that these people are to be settled somewhere else in the tea garden land and accordingly the matter was taken up with the Tea garden management. I wrote to the Chief Minister about this and the Chief Minister, at the instance of the Revenue Department has given a misleading reply. Is it on political consideration that these people are not being rehabilitated ? I am not going to Chief Minister any more; I am going to take the law in my own hand. I will see how much strength the Govt. has ? How long the people will stay on the railway dyke ? Government is ready to form suger corporation. But till to-day these people could not be rehabilitated becaused the Govt. is handicapped by the Celling Act., Government have govt. rules and regulation, but they are not in a position to do anything for these people. They are dancing at the tune of the capitalists. Sir, for last 12 years these people have been approaching the Government with

their folded hands for their rehabilitation. The Revenue Minister and the Chief Minister would say that they should have patience. But for how long people will tolerate this and have patience.

That is why all the people who have been evicted from Bahami and Dayang reserve became the victim of the circumstances. And for that Govt. is responsible. Sir, I will cite an example. It is a simple instances and that is about Cachar Sugar Mill. A portion of land belonging to Badarpur Tea Estate and that land has been declared by the Deputy Commissioner as 'surplus' land and has been alloted to the Cachar Sugar Mill. The owner of the land did not care the Deputy Commissioner. He came direct to the Revenue Minister and filed an appeal and the therefore the papers are kept pending by the Govt. inspite of repeated reminders, is and by the D.C. from time to time. This is a serious lapse on ineffectiveness on the part of the Revenue Minister or on the part of the Govt. as they are dealing with the land reform policy. If this is the attitude of the Govt. and if they wait for 5 year's time to be passed and come out again with some prapaganda to occupy the Gadhi again then I have nothing to say. My friend is correct in saying that so many amendments were passed in the Assembly for giving benefit to the cultivators or peasants – but what has happened to those amendments or acts ? I will show here Sir, how the Govt. is functioning. In the year 1973-74 94 murder cases took place in the State. These are all cases of brutal murders and the murdered persons were the peasants. Who murdered them ? The landlords murdered them and that is, after the adhiere act was passed. What Govt. is doing to protect the adieres ? Nothing. The Govt. could not

protect the lives of the peasants. Now, if they say that they are anxious to bring up the teanants nobody will have any faith on them. Sir, apart from that we have been hearing that this Govt. is very much keen to help the poor peasants and therefore they have established a Farming Corporation and so on. But I am rather doubtful whether these are actually in existence. One thing we know about this Govt. That is, they are driving out people from their own soil in the name of 'forest reserve' or Grazing reserve' on various pretext and on the other hand they are giving shelter to outsiders. In the North Bank outsiders along with fireigners are allowed to stay but our own been telling this to the Govt. to take of the situation but nothing so far been done. In Darrang and North Lakhimpur all the surplus lands are under the occupation of foreigners and these are all illegal occupation. I know Sir, certain cases in North Lakhimpur, which is my birth place that the landless people could not get the lands yet as these are occupied by outsiders. Our Govt. is not in a position to take back the lands from the outsiders due to their slackness and inactivity. Sir, in the name of preservation of forest lands, in the name of preservation for V.G.R. we are evicinting our own people but we cannot take effective steps against others. In the Revenue Deptt. we have got so many officers, Secretary, Under Secretary, Director, Joint Director and so on but if we compare the out-turn than we will find it is in a complete mess. I want to know from the hon. Chief Minister or Minister of Revenue in the context of the land ceiling amendment act how much land is now available for giving settlement to the landless people of the State ? Since Govt. has given assurance to the people that excess lands will be taken again from the richer section and distributed amongst the poor people, If this is the Govt. policy than why it could

not be materialised yet. The other day the Chief Minister said that there are some difficulties falling in tween. If this be so then is it not a complete helplessness of the Govt. in the hands of bureaucrats and capitalists. In my constituency also the same thing is happening. Lands to the landless are not given, But should we tolerate all these things ? We are telling the Govt. about it for the last so many years. Now, we are not going to tolerate any more. I shall show my strength. I requested the Govt. about the land settlement but as I am a member of the Opposition, I was not given any importance. But we are not going tolerata any more.

Now Sir, I am coming another aspect that is amount land compensation. Simply I want to remind the Assamese proverb – খেনোক দেখি ৰান্ধে বাঢ়ে খেনোক দেখি দুৱাৰ ডাং মাৰে। This Govt. under the leadership of Chief Minister and Revenue Minister who called them socialists are betraying their own people, The Revenue Minister is coming of a peasant's family.

Therefore, I must say that this Government has no moral right to deprive the people from their legitimate claim. I caution the Government that if this matter is not settled up within 31st March, 1974 we must call those sufferers to come and show their ugly faces before the Government in various constitutional forms. Mr. Choudhury has pointed out that the efficiency of the administration is practically nil.

Sir, I have already stated that a huge arrears of land revenue is pending before the Government in the form of local rates in various districts and sub-divisions.

These are as follows :—

| | | |
|---|---|---|
| 1. Silchar Sub-division— | Rs. | 65,94,658.44 |
| 2. Karimganj Sub-division— | Rs. | 9,90.498.52 |
| 3. Hailakandi Sub-division— | Rs. | 5,27,585.97 |
| 4. Kamrup District – | Rs. | 1,28 lakhs. |
| 5. North Lakhimpur Sub-division— | Rs. | 36.46 lakhs. |
| 6. Sib-sagar District – | Rs. | 46.38 lakhs. |
| 7. Nowgong District – | Rs. | 56.46 lakhs. |

In this way, huge arrears of land revenue are accumulating and the Government is not in a position to realise those amount.

Mr. Speaker : How long you will take to finish.

Shri Dulal Chandra Barua : Sir. only one point more. I am going to finish, Sir, I fully agree with the expression expressed by my hon. colleague Mr. Goswami. This report which was endorsed to the House and the House through a resolution decided as to what action is to be taken by the Government with in six months from today. They have violated it by dishonouring the prestige of the House. This Government has pointed out in the Bhatnagar Committee to enquire into the matter and submit its report within 30th November, 1963, But no report has been submitted as yet and no action has been taken. Mr- Speaker, Sir, I have got nothing to say more but only one thing I must say that this Government who has got no respect to the democracy, who has got no respect to the House and who has got no respect of their own—

this Government can never do any good not only for the themselves but for the people in general. With these few observations I support the Cut Motion.

Mr. Speaker : The House stands adjourned till 2.30 P.M.

শ্ৰীতুলাল চন্দ্ৰ খাউণ্ড :—माननीय অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি ভুষাৰমান কব খুজিছো। ৰাজহ ৰিভাগৰ ব্যৰ্থতাৰ কথা বিশেষকৈ ভূমি সংস্কাৰৰ ক্ষেত্ৰত আৰু ৰায়তক মাটি দিয়াৰ ক্ষেত্ৰত ব্যৰ্থতাৰ কথা এই সদনত ৰহুবাৰ আলোচনাহৈ গৈছে। ৰাজহমন্ত্ৰীক উচ্ছেদমন্ত্ৰী বুলি আখ্যাদি এই সদনত আলোচনাও হৈছে। ভূমি সংস্কাৰৰ ক্ষেত্ৰত যিমান আলোচনা এই সদনত হৈছে সেইবিলাক শুনি শুনি আমাৰো মুখস্থ হৈছে আৰু মন্ত্ৰী মহোদয়ৰো মুখস্থ হৈছে কিন্তু কুম্ভকৰ্ণৰ টোপনী ভাঙিব পৰা নাই, কুম্ভকৰ্ণ শুয়ে আছে। এই কথাবিলাক সম্পৰ্কে দীঘল বক্তৃতা দিব খোজা নাই। মই মাত্ৰ এটা কথা সুধিব খুজিছো সেইটো হৈছে যে আমাৰ যিটো অসমত্ত ভূমি সম্পৰ্ক আছে সেই ভূমি সম্পৰ্ক হৈছে সামন্তবাদী ভূমি সম্পৰ্ক। এই সামন্তবাদী ভুমি সম্পৰ্কৰ পৰিবৰ্ত্তন কৰিব নোৱাৰিলে আমাৰ সমাজত মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰামতে সমাজতন্ত্ৰৰ কথা বাদেই আমাৰ অৰ্থনৈতিক বা আমাৰ গাও সমাজখনক কেনেকৈ আগবঢ়াই নিয়াটো সম্ভৱপৰ হ'ব? এই নীতিগত কথা কোৱাৰ উপৰিও মই কেইটামান কথা কৰ বিচাৰিছো। আমাৰ চৰকাৰে খেতিয়কক মাটি দিয়াৰ কাৰণে কৃষি নিগম কৰিছে আৰু সেই কৃষি নিগমৰ জৰিয়তে মাটি দিয়াৰ কথা কৈছে কিন্তু ইয়াৰ আগতে চৰকাৰে কিছুমান মাটি বিতৰণ কৰিছে—যোৱা ২৬ বছৰে আমাৰ চৰকাৰে মাটি বিতৰণ কৰিছে—বহুত ঠাইত খেতিয়কক মাটি দিছে—এই কথা সদনত আগৰে কোৱা হৈছে চৰকাৰে যিবিলাক মাটি বিতৰণ কৰিছে - এনেকৈ বিতৰণ কৰিছে যাতে গাওঁই গাওঁই সংঘৰ্ষ হৰ, সমাজে সমাজে সংঘৰ্ষ হৰ, ধনী সকলে যাতে বেছি মাটি দখল কৰিব পাৰে দুখীয়া সকলক বঞ্চিত কৰি। এই ধৰণৰ আমাৰ চৰকাৰৰ কিবা উদ্দেশ্যও আছে নেকি—যে গাৱেঁ গাৱেঁ মাটিৰ নামত সংঘৰ্ষ লাগি থাকিলে, সমাজে সমাজে সংঘৰ্ষ লাগি থাকিলে ভূমি সংস্কাৰৰ কাৰণে আমাৰ জনসাধাৰণ ঐক্যবদ্ধ হৰ নোৱাৰে—আমাৰ ধাৰণানতে যাতে জনসাধাৰন

ঐক্যবদ্ধ হব নোৱাৰে তাৰ বাবে এই ভেকো ভাওনাবিলাক কৰি আছে। তাৰ উদাহৰণ দিব পাৰো – এই সদনত আগতে উল্লেখ কৰিছো আৰু মন্ত্ৰী মহোদয়কও কৈ আছো – ১৯৫১-৫২ চনত চৰকাৰে যি মাটি বিতৰণ কৰিলে আজি ২৪ বছৰে তাক জোখ কৰি নিদিলে আৰু জোখ কৰি নিদিয়াৰ ফলত যিবিলাক ধনী মানুহ যাৰ বেলেগতো মাটি আছে তেওঁলোকে বেছিকৈ মাটি দখল কৰি আছে। যিবিলাক প্ৰকৃত খেতিয়ক তেওঁলোক বঞ্চিত হৈছে তাৰ উদাহৰণ মন্ত্ৰী মহোদয়ক বহুবাৰ দিছো। যোৰহাট মহকুমাত ১৯৫১-৫২ চনত বানপানীত প্ৰপীড়িত আৰু গড়াখহনীয়াত পীড়িত সকলক মাটি দিয়া হ'ল কিন্তু আজিলৈ জুখি নিদিলে—মোৰ হাতত এখন লিষ্ট আছে—কোনে কোনে মাটি খাইছে। সৰ্বসাধাৰন ৰাইজ যাৰ মাটি নাই তেওঁলোকে ২ বিঘা ৪ বিঘাকৈ মাটি পাইছে কিন্তু এজন মণ্ডলে ২০ বিঘা দখল কৰি আছে তেওঁৰ নিজৰ নামত আৰো ঘৰত ৪০ বিঘা মাটি আছে তাৰ পিচত এজনৰ ৩০ বিঘা নিজৰ নামত গাৱঁত ৩৫ বিঘা আছে – এই উদাহৰণ মন্ত্ৰী মহোদয়ৰ ওচৰত ২ বছৰ দি আহিছো কিন্তু আজিলৈ তাৰ কোনো ফল দেখা নাই।

ইয়াৰ পিচত মাটি অধিগ্ৰহণ কৰা সম্পৰ্কত আমাৰ মাননীয় সদস্য শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ডাঙৰীয়াই কৈছে যে 'খেনোক দেখি ৰান্ধে বাঢ়ে খেনোক দেখি ছুৱাৰ বান্ধে' এইটো একেবাৰে সঁচা কথা। তাৰ প্ৰমাণ আছে। সোনাপুৰ বাগিছাৰ কথা সকলোৰে বিদিত তাৰ আলোচনাৰ কোনো প্ৰয়োজন নাই। আন এটা উদাহৰণ দিব খুজিছো সেইটো হৈছে নিউ গোহাটীৰ ওচৰত বামুনীমৈদামত ৰেলৱে ইয়াৰ্ডৰ কাৰণে মাটি অধিগ্ৰহন কৰিছিল চিঠি নং ২০-৫৯ সেই মাটিৰ ক্ষতিপূৰণ দিলে ৭৩,৮১,১৫০'৬৩ পইছা। ৰেলৱে এই টকা জমা দিলে—উৰ্চ্চন্যায়ালয়ৰ মোকৰ্দ্দমা শেষ হ'ল কিন্তু এই টকা যি সকলে পাব লাগিছিল বিশেষকৈ টেনেনট হিচাবে সেই ক্ষতিপূৰন আজিলৈ এটা পইছাও কোনেও নাপালে। কিন্তু ৰেলৱে টকা জমা দিলে। কিন্তু ইয়াৰ ভিতৰত এজন আমাৰ ৰাজহমন্ত্ৰীৰ পুৰণা এজন সহকৰ্মীক ২০,৩৩,১৫২'৫৯ পইছা দি দিলে কিন্তু যি পাবলাগিছিল যি গৰীব তেওঁলোকৰ ক্ষেত্ৰত চৰকাৰৰ আজিও গাটোকে লৰা নাই কিন্তু এই মানুহজনৰ কাৰণে চৰকাৰ ততপৰহৈ পৰিল। ৰেলৱে টকা দিয়াৰ পাচতো দুখীয়া খেতিয়কৰ কাৰণে চৰকাৰ হাতবান্ধি বহি থাকিল কিন্তু মন্ত্ৰী মহোদয়ৰ সহকৰ্মীজনৰ কাৰণে

খবখেদা লগালে। আনহাতে ধেমাজী সদৰ ঠাইৰ আৰু ৰাষ্টাৰ কাৰণে যি মাটি অধিগ্ৰহণ কৰা হল তাৰ ক্ষতিপূৰণ বাইজে আজিও নাপালে। দেখা যায় সকলোক্ষেত্ৰতে দুখীয়া সকলক নেওচা দিছে। শুনশালী বাগিছাৰ ক্ষতিপূৰণৰ নামত দামবেইন বুলি অইন এজন মানুহে যি পোৱাৰ যোগ্য নহয় তেওঁ লাখ লাখ টকা পালে এজন ইমপচটাৰৰ নামত মিঃ ড্ৰামব্ৰেইন বোলা মালিক জনৰ নামত লাখ লাখ টকা চৰকাৰৰ পৰা দিছে। এই সম্পৰ্কত যেতিয়া কাছাৰিত মোকৰ্দমা হল তেতিয়া সেই মানুহ জনে কলে আই ৱাজ এ ফ্ৰেণ্ড অফ ড্ৰামব্ৰেইন। এতিয়া যি জন মানুহে টকা পাব লাগে তেওঁৰ মানসিক বিকৃতি হল বুলি ড্ৰামব্ৰেইনৰ এজন বন্ধুক লাখ লাখ টকা দিয়া হৈছে। এতিয়া সেই ইমপচটাৰ জনক চৰকাৰে গেপ্তাৰ কৰাৰ ব্যৱস্থা কৰিবনে আৰু এই লাখ টকা আদায় কৰিবলৈ চেষ্টা কৰিবনে? এই কথা মই চৰকাৰৰ পৰা জানিব খুজিছো।

ইয়াৰ বাহিৰেও, আমাৰ চৰকাৰে ৰাজহৰ প্ৰশ্ন উঠাইছে। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ ৰিচাৰ্চ মবিলাইজেচনত শুকান জেউৰা খৰি চেপি ৰস উলিয়াবলৈ চেষ্টা কৰিছে। সিদিনা পেট্ৰলৰ লিটাৰত ১৫ পইচাকৈ টেক্স লগালে। কিন্তু ৰাজহৰ ক্ষেত্ৰত লাখ লাখ টকা আদায় কৰাৰ কোনো পথ গ্ৰহণ কৰিব পৰা নাই। তাৰ উদাহৰণ স্বৰূপে মই কব খোজিছো যে গুৱাহাটী চহৰৰ আশে পাশে ৩১ টা গ্ৰাণ্ট আছে এই বিলাক ফি চিমপল গ্ৰাণ্ট। এই বিলাক দিছিল ১৮৬২ চনৰ পৰা ১৮৬৫ চনৰ ভিতৰত। ইয়াত মুঠ ১১৯৪২ একৰ মাটি আছে। ইয়াৰ বাহিৰেও ১২৩৯১ একৰ মাটি আছে। এই বিলাকো ফি চিমপল গ্ৰাণ্টৰ মাটি আৰু তাৰ বাহিৰৰ মাটি পিচত ফি চিমপল গ্ৰাণ্ট কৰা হৈছে। এই বিলাক চৰকাৰৰ হাতলৈ অহা নাই। আৰু ম্যাদি পট্টাও নকৰে। ফি চিমপল গ্ৰাণ্টৰ মাটিৰ খাজনা বিঘাই প্ৰতি ১০ পইচা আছিল। ১৯৪৮ চনত শ্ৰীবিষ্ণুৰাম মেধী মন্ত্ৰী থাকোতে এই বিলাক কিছু পৰিমাণে বঢ়াইছিল। কামৰূপত এই গ্ৰাণ্টৰ খাজনা বিঘাই প্ৰতি ১·৬৫ টকা দিব লাগে। গুৱাহাটী চহৰৰ পৌৰনিগমৰ অন্তভুক্ত মাটিৰ খাজনা নিৰ্দ্ধাৰিত হৈছে প্ৰথম শ্ৰেণীৰ ৪৬০ টকা, দ্বিতীয় শ্ৰেণী ৩২৮ টকা, তৃতীয় শ্ৰেণী ২৩২ আৰু ৪ৰ্থ শ্ৰেণীৰ, ৮৪ টকা। প্ৰথম শ্ৰেণীৰ বস্তি লেণ্ডত ৪৪ টকা, ২য় শ্ৰেণীৰ বস্তি লেণ্ডত ২৮ টকা, তৃতীয় শ্ৰেণীৰ বস্তি লেণ্ডত ২১ টকা আৰু ৪ৰ্থ শ্ৰেণীৰ বস্তি লেণ্ডত ৯ টকা আৰু এই গ্ৰাণ্টৰ মাটিৰ খাজনা ঘোষণা কৰা হৈছে বিঘাই প্ৰতি ১৬৫

পইচা। এতিয়া হিচাব কৰিলে দেখা যায় যে প্ৰতি বছৰে আমাৰ চৰকাৰে ডেৰ পৰা দুই কোটি টকাকৈ লোকচান ভৰিছে। এই মাটি আমাৰ চৰকাৰে হাতলৈ আনিব পাৰিলে আমাৰ তিনিটা কাম হলহেতেন। এই মাটিখিনি গ্ৰাণ্টত থকাৰ ফলত গুৱাহাটী চহৰখন গঢ়ি উঠাত বাধাৰ স্থষ্টি হৈছে। এই মাটিখিনি চৰকাৰৰ হাতত থকা হলে পৰিকল্পিত ভাবে গুৱাহাটী চহৰখন গঢ়ি তুলিব পৰা গলহেতেন ইয়াৰ ফলত আমাৰ খি ডেৰ দুই কোটি টকাৰ লোকচান হৈছে সেই নহলহেতেন। এই মাটি চিলিং এক্টলৈ আনিব নোৱাৰিলে। কাৰণ এইখিনি গ্ৰাণ্টৰ মাটি। এই মাটিখিনি পৌৰ নিগমৰ ভিতৰত পৰাৰ কাৰণে চিলিং এক্টলৈ আনিব নোৱাৰি। আমাৰ যিখন আৰবান ইমমভেবল প্ৰপাৰটি চিলিং এক্ট আছে সেই মতে ইয়াত চিলিং প্ৰয়োগ কৰিব নোৱাৰি। মই দাবী কৰিছো যে এই মাটি চৰকাৰৰ হাতলৈ আনিব লাগে আৰু শ্ৰেণী বিভাগ কৰি ৰাজহ আদায় কৰিব লাগে আৰু গুৱাহাটীত যি লেণ্ড ৰেকট চলি আছে এইটো বন্ধ কৰিব লাগে।

অধ্যক্ষ মহোদয়, গুৱাহাটীত চৰকাৰৰ মুঠ ৫৯৪২ বিঘা ৪ কঠা ১৬ লেচা মাটি দেবোত্তৰ-ব্ৰহ্মোত্তৰ মাটি অধিগ্ৰহণৰ ফলত চৰকাৰৰ হাতলৈ আহিব কিন্তু কিছুমান ৰাজহ বিভাগৰ কৰ্মচাৰীৰ চক্ৰান্তত কিছুমান মানুহে ১৫০।১৬০ বিঘা পযান্ত মাটিৰ পট্টা পাইছে কিন্তু গুৱাহাটীত হাজাৰ হাজাৰ মানুহৰ ঘৰ সাজি-বলৈকে ভেটি এটাও পোৱা নাই। যি বিলাক মানুহে ১৫০।১৬০ বিঘালৈকে মাটি পাইছে সেই বিলাক মাটি চৰকাৰে নিজৰ হাতলৈ আনি আমাৰ যিবিলাক দুখীয়া মানুহ আছে তেওঁলোকৰ মাজত ভগাই দিব লাগে।

অধ্যক্ষ মহোদয়, এটা কথা মন কৰিবলগীয়া হৈছে যে এই সদনত যিবিলাক আইন পাচ কৰা হৈছে—যিবিলাক সিদ্ধান্ত লোৱা হৈছে সেইবিলাক কাৰ্য্যকৰী কৰিব পৰা নাই। সেইদৰে আমাৰ ভূমিসংস্কাৰৰ কাৰণে যিবিলাক সিদ্ধান্ত কৰা হৈছে সেই বিলাকো কাৰ্য্যকৰী কৰিব পৰা নাই। এই আইন কাৰ্য্যকৰী কৰিব নোৱাৰাৰ প্ৰধান অন্তৰায় হৈছে মহাজন আৰু মাটিৰ মালিকসকলে এই বিলাক আইন কাৰ্য্যকৰী কৰাত বাধা জন্মাইছে। অকল সেয়ে নহয় আমাৰ চৰকাৰৰ লেজুত ধৰি বল নিদিয়াৰ কাৰণেই আৰু লগতে আমাৰ ৰাজহ বিভাগৰ

কাৰণে। গতিকে ৰাজহ বিভাগৰ পুনৰ সংগঠন যদি কৰিব পৰা নহয় তেনেহলে অসমৰ ভূমিসমস্যা কোনো দিনেই সমাধান নহব আৰু ভূমিহীনে মাটি নাপাব। মই এই ৰাজহ বিভাগৰ কৰ্মচাৰী সকলে কি ধৰণেৰে কাম কৰিছে তাৰে কেইটা-মান উদাহৰণ দিব বিচাৰিছো। এইটো এটা অডিটৰ জেনেৰেলৰ ৰিপৰ্ট। আমাৰ মাননীয় সদস্য শ্ৰীগগৈ ডাঙৰীয়াই ইয়াৰ কিছু কথা কৈ গৈছে। মই মাত্ৰ ইয়াৰ এটা কথা কবলৈ বিচাৰিছো। ভূমি অধিগ্ৰহণৰ ক্ষেত্ৰত এই বিভাগৰ কৰ্মচাৰী সকলে ধনী মানুহৰ কাৰণে আইনৰ বাহিৰ হৈয়ো কাম কৰিব পাৰে আৰু দুখীয়া মানুহৰ কাৰণে বছৰৰ পিছত বছৰ পাৰ হৈ গলেও সেই কাম হৈ নুঠে। এইটো এটা উদাহৰনহে দিয়া হৈছে ইয়াৰ দ্বাৰাই তেওঁলোকৰ চৰিত্ৰ প্ৰমানিত হয়। এই ৰিপৰ্টৰ ৩৮ পৃষ্ঠাত কৈছে যে নগাও জিলাত ডি চিয়ে ক্ষতিপুৰণৰ পৰিমান ১৯,২৫০ টকা স্থিৰ কৰিলে। কিন্তু তাৰ কেইদিনমানৰ পিচত এ ডি চিয়ে এই মূল্য বৃদ্ধি কৰি স্থিৰ কৰিলে ৮১,৭১৯ টকাত। এইদৰে ১৯২৫০ টকা যাৰ ক্ষতিপূৰণৰ কাৰণে স্থিৰ কৰিছিল সেই মানুহ ৪।৫ বিঘা মাটিৰ মালিক নহয়। নিশ্চয় তেওঁলোক ধনী মানুহ সেই কাৰণে ডি চিৰ হুকুমৰ ওপৰত এডি-চনেল ডি চিয়ে ৮১ হাজাৰলৈ বৃদ্ধি কৰিব পাৰিলে। এই কথাখিনি হয়তো মন্ত্ৰী মহোদয়ে বিশ্বাস নকৰিব পাৰে কিন্তু মই বিচাৰিছো যে এইটো এ জিৰ ৰিপৰ্ট। এই দৰেই চলি থাকিলে অসমৰ ভূমিসমস্যাৰ কোনো দিনেই সমাধান নহব। এইটো পৰিলক্ষিত হৈছে যে এই বিভাগৰ মন্ত্ৰী মহোদয় যোৱা দুই বছৰ ধৰি যি নীতি চলাই আহিছে আৰু যি ধৰণেৰে কাৰ্য্য কলাপ চলাই আহিছে সেইটো সাৰে থাকি টোপনি যোৱাৰ নীতি অবলম্বন কৰিছে। যদি কোনোবাই প্ৰকৃততে টোপনি যায় তেনেহলে তেওঁৰ টোপনি ভাঙিব পাৰি কিন্তু সাৰে থাকি টোপনিৰ ভাও জুৰি থাকিলে জগাবলৈ টান।

আমাৰ ৰাজহ মন্ত্ৰীয়ে আজি দুবছৰে চকু মুদি শুই আছে। সাৰ পাই আছে, সেইবোৰ সকলো জানে কিন্তু চকু মুদি টোপনিয়াই আছে। আজি যোৱা দুবছৰেও তেখেতক জগাব পৰা নাই। আমাৰ মাননীয় সদস্য শ্ৰীদুলাল চন্দ্ৰ বৰুৱাই বহুত কথাই কৈছে। তাৰ ওপৰত মই একো কবলৈ নিবিছাৰোঁ। মই সেইধৰণেৰে ভাবুকি দিবলৈ নিবিছাৰোঁ। কিন্তু এটা কথা থিক যে, আমি এখন গণতান্ত্ৰিক দেশত বাস কৰিছোঁ। আমাৰ কথা বতৰা শুনি যদি আমাৰ ৰাজহ

মন্ত্ৰীয়ে সাৰ পাই থাকিও চকু নেমেলে তেতিয়াহলে, আমাৰ ৰাজ্যত আৰু লাখ লাখ মানুহ আছে যি সকলে আমাৰ ৰাজহমন্ত্ৰীৰ চকু মেলিবলৈ বাধ্য কৰিব। এইখিনি কৈয়ে মই মোৰ কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিছোঁ।

শ্ৰীনগেন বৰুৱা ঃ—মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি কেই আষাৰমান কথা কব বিছাৰিছোঁ। অসমত কৃষি উৎপাদন আৰু ভূমিৰ ক্ষেত্ৰত যিখিনি সমস্যাৰ উদ্ভৱ হৈছে সেই ক্ষেত্ৰত মই কওঁ যে, চৰকাৰে নিজৰ ভাষাত প্ৰগতিশীল আঁচনি বুলি যিখন আঁচনি লৈ আইন আদি প্ৰণয়ণ কৰিছে সেই বিলাক যদি কাৰ্য্যকৰী কৰিব পৰা নহয় তেতিয়াহলে, কৃষি উৎপাদনো বৃদ্ধি হব নোৱাৰে আৰু আমাৰ দেশৰ পৰা দৰিদ্ৰতাও দূৰীভূত হব নোৱাৰে। বৰং আমাৰ মাননীয় সদস্য সকলে কোৱাৰ দৰে জনসাধাৰণে ইয়াৰ কাৰণে অন্য বিকল্প পথ নিজেই বাছি লবলৈ বাধ্য হৈ পৰিব চৰকাৰে 'যাৰ নাঙল তাৰ মাটিবুলি' এটা শ্লোগান দিবলৈ আৰম্ভ কৰিছে। তাৰ কাৰণে প্ৰয়োজনীয় আইন আদিও ৰচনা কৰা হৈছে বুলিও কোৱা হৈছে কিন্তু বাস্তৱত আমি যিটো দেখিবলৈ পাইছোঁ যে, যাৰ নাঙল তাৰ হাতলৈ মাটি যোৱা নাই অৰ্থাত যি সকল হাতে হালুৱা মানুহ, যি সকল প্ৰকৃত খেতিয়ক লোক সেই সকলে খেতি বাতি আদি কৰিবলৈ প্ৰয়োজনীয় মাটি আদি চৰকাৰৰ পৰা পোৱা নাই। মাটিৰ ওপৰত সেই সকল লোকৰ স্বত্ব সাব্যস্ত কৰিব পৰা নাই। ফলত আমাৰ দেশৰ কৃষক ৰাইজ তথা আমাৰ দেশৰ অৰ্থনৈতিক নিশকতীয় অৱস্থাটোৰ কোনো পৰিবৰ্ত্তন সাধন কৰিব পৰা নাইকীয়া কৃষি উত্পাদনো আমাৰ বঢ়া নাই। আমি যদি সচাঁকৈয়ে আমাৰ কৃষিৰ উত্পাদন বঢ়াব খোজোঁ, সৰ্ব্বসাধাৰণ ৰাইজৰ অৱস্থাটো ভাল কৰিবৰ কাৰণে আমি আমাৰ ৰাজ্যখনৰ সাম্প্ৰতিক মানচিত্ৰখনৰ পৰিৱৰ্ত্তন কৰি তেনেকুৱা নতুন ধৰণৰ উন্নয়ণমূলক আইন ৰচনা কৰিৰ লাগিব আৰু আমাৰ প্ৰশাসনিক গাঠনিটোও পুনৰ সংগঠন কৰিব লাগিব।

অধ্যক্ষ মহোদয়, অসম উপত্যকা আৰু সুৰমা উপত্যকাৰ বৰাক আদি নদীৰ বাহিৰেও আমাৰ ৰাজ্যখনত আৰু বহুতো সৰু ডাঙৰ নদী, উপনদী, বিল, জান-জুৰি আদি আছে। সেই বিলাকৰ গৰ্ভতো বহুত বিলাক মাটি আছে। সেই-বিলাক পূৰ কৰিব পৰা হলেও বহুত মাটি আমি উলিয়াব পাৰিলোঁহেঁতেন। তাত বহুত মাটি অথলে গৈছে। তাত বাহিৰেও অন্য শিল্পৰ কথা নকও বৃটিচ

চৰকাৰে পাতি থৈ যোৱা শিল্প যেনে চাহ শিল্পতে দেখা যায় যে, চাহ বাগান বিলাকত বহুত মাটি এনেয়ে পৰি আছে। সেইখিনি মাটিও আমি খেতিৰ কামত লগাব পাৰিলোঁহেঁতেন। পাহাৰুৱা অঞ্চলতো বহুত পৰিমাণৰ মাটি গৈছে অসমত যিখিনি নগৰ মণীজত আছিল তাৰ বাহিৰেও শিল্পৰ ক্ষেত্ৰত, ৰেল লাইনৰ ক্ষেত্ৰত এই বিলাক স্থাপন কৰোতে বহুত পৰিমাণৰ মাটি আমাৰ গৈছে। উদাহৰণ স্বৰূপে আমি গুৱাহাটী মহানগৰীৰ কথাকে আঙুলিয়াব পাৰোঁ গুৱাহাটীৰ ওচৰে পাজৰে থকা মৌজাবিলাক যি বিলাক খেতিৰ উপযোগীমাটি আছিল সেই মাটি বিলাক আজি চহৰমুখী লোক সকলৰ কাৰণে নাইকীয় হৈ গৈছে আৰু ই চলিছেই আছে। যিবিলাক খেতিৰ মাটি আছিল সেই মাটি বিলাকত ঘৰবাৰী আদি সাজিয়েই হওঁক, অন্যান্য শিল্পৰ কাৰণেই হওঁক, নানা কাৰণত এই মাটি বিলাক নাইকীয়া কৰি পেলাইছে। অকল গুৱাহাটিতে নহয়, অসমৰ অন্যান্য চহৰ বিলাকতো এনেকুৱা হৈছে। সেইকাৰণেই আজি ১০ বছৰ বা ২০ বছৰৰ আগতে যিবিলাক মাটি আছিল সেই মাটি বিলাক আজি ক্ৰমান্বয়ে নাইকীয়া হৈ যাবলৈ ধৰিছে। ইয়াৰ বাহিৰেও অসমৰ অন্যান্য প্ৰদেশ বিলাকৰ পৰা উদ্যোগ আদিৰ কাৰণেই হওঁক বা বেহা-বেপাৰ আদিৰ কাৰণেই হওঁক, বহুত লোক আহি আমাৰ বিভিন্ন জেগাত এনেয়ে পৰি থকা মাটি বিলাকত বা অন্যান্য মাটি বিলাকত দখল কৰি বহি গৈছে। অকল ভাৰতৰ অন্যান্য ৰাজ্যবিলাকেই নহয়, আমাৰ ওচৰ চুবুৰীয়া ৰাষ্ট্ৰ যেনে, বাংলাদেশ, পাকিস্তান আদিৰ পৰাও লোক আহি আমাৰ গ্ৰেজিং বিজাৰ্ভ আদিত বহি পৰিছেহি। আমাৰ প্ৰদেশ খনত এই যি পৰিস্থিতিৰ সৃষ্টি হৈছে সেই পৰিস্থিতি ভাৰতৰ অন্যান্য ৰাজ্যত হোৱা নাই। কিন্তু আমাৰ প্ৰদেশখনৰ যি সকল খিলঞ্জীয়া লোক সেই সকল লোকে যাতে নিজৰ ল'ৰা-ছোৱালীবোৰে সৈতে পৰিয়ালটোৰ অন্ন-বস্ত্ৰৰ সংস্থাপন কৰি লব পাৰে তাৰ কাৰণে হলে অকমাণ মাটি দিয়াৰ ব্যৱস্থা কৰিব পৰা নাই। ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে আইঁত গুৰি আদি ঠাইত স্বৰ্গীয় বিমলা প্ৰসাদ চলিহা আৰু অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীৰ দিনতে বহুতো মানুহ তাত বসবাস কৰি আহিছে কিন্তু সেই মানুহ বিলাকে আজিলৈকে কোনো পট্টা আদি পোৱা নাইকীয়া। ইয়াৰ বাহিৰেও চৰ-চাপৰি আদিত বহুত বিলাক মানুহে বাস কৰি আছে। সেইবিলাক স্থায়ী ভাৱে বাস কৰিবৰ কাৰণে আৰু সাধাৰণ খেতি বাতি আদি কৰিবৰ কাৰণেও দুই এবিঘা মাটি পোৱা নাই।

সেই বিলাক মানুহৰ শিক্ষা দিক্ষা আদি • কোনো বিদ্যা আদিও নাই যাৰ দ্বাৰা তেওঁবিলাকে চাকৰি বাকৰি আদি কৰিব পাৰে। এই লোক সকল প্ৰকৃততে খেতিয়ক লোক আছিল। বানপানী, গড়াখহনীয়া আদিত সেই লোকসকল উচ্ছেদিত হল। সেই সকল লোকক সংস্থাপনৰ ব্যৱস্থা কৰাটো আমাৰ চৰকাৰৰ নৈতিক কৰ্ত্তব্য আছিল কিন্তু আজি কেইবাটাও চৰকাৰ পাৰ হৈ গল, বিভাগীয় মন্ত্ৰী আৰু মুখ্যমন্ত্ৰীকো নানান আবেদন নিবেদন আদি কৰা হব কিন্তু স্থায়ী বন্দবস্তীৰ কাৰণে হলে কোনো ব্যৱস্থা চৰকাৰে নকৰিলে। আজি আমাৰ মাননীয় সদস্য বন্ধু এজনে সমালোচনাত আমাৰ বিভাগীয় মন্ত্ৰী গৰাকী শুই থকা বুলি কৈছে কিন্তু মন্ত্ৰীজনা শুই থকাই নহয় গোটেই চৰকাৰখনেই শুই আছে। নিষ্ক্ৰীয় হৈ পৰিছে এই প্ৰশাসনিক যন্ত্ৰটো। 'যেহুজেহু' কৰি চলি আছে গোটেই চৰকাৰটো। জনকল্যাণমূলক কোনো কাম এই চৰকাৰে কৰিব পৰা নাই। সেইকাৰণেই মাননীয় অধ্যক্ষ মহোদয়, আমি আমাৰ ৰাজহৰ শিতানত যিখিনি টকা ধৰা হৈছে, প্ৰকৃততে কবলৈ হলে চৰকাৰে যথেষ্ট টকা ধৰিছে। মহোদয়, প্ৰশাসনীয় যন্ত্ৰটো পৰিচালনা কৰাৰ কাৰণে ভৰণ পোষণৰ কাৰণে, অতিৰিক্ত টকা খৰচ কৰা হৈছে। সৰ্ব্বসাধাৰণ ৰাইজৰ কৃষি, ভূমিসংস্কাৰৰ কাৰণে বা ভূমিহীন মানুহক ভূমি দিয়াৰ কাৰণে যিখিনি টকা ধৰা হৈছে, সেই টকাতকৈ বহুতো কম টকা এই শিতানত খৰচ কৰা হব। সেইকাৰণে ৰাজহৰ নামত কোটি কোটি টকা দিছে। কিন্তু আজি আমি প্ৰশাসনীয় যন্ত্ৰৰ দ্বাৰা ভূমি আৰু কৃষকৰ অৱস্থাৰ পৰিবৰ্তন কৰা নাই। অতিৰিক্ত টকা দিয়া স্বত্তেও বাঞ্চা নকৰে। সেইকাৰণে মই এই কৰ্ত্তন প্ৰস্তাৱটোৰ সমৰ্থন কৰি মূল প্ৰস্তাৱৰ বিৰোধিতা কৰো।

মহোদয়, দ্বিতীয়তে আমাৰ যিসকল খেতিয়ক সেই সকলক মাটি দিয়াৰ পৰিবৰ্ত্তে উচ্ছেদ কৰিবলৈ লোৱা হৈছে। এই কথাও শুনিবলৈ পাইছো যে, দৈয়াং আৰু বাকী অঞ্চলত চৰকাৰে ব্যাপক উচ্ছেদ কৰিছে। এই উচ্ছেদ বন্ধ কৰিবৰ কাৰণে যথেষ্ট টকা খৰচ কৰিছে। এই লোক সকলক সংস্থাপন দিবলৈ হলে প্ৰকৃততে যিবিলাক ভূমি থকা মানুহ বা বেছি ভূমি আছে সেইবিলাকক উচ্ছেদ কৰাত বাধা নাই। ইয়াত আমি প্ৰতিবাদ নকৰো বৰং চৰকাৰক সহায় হে কৰিম। যি সকল ভূমিহীন, গড়াখহনীয়া প্ৰপীড়িত লোক ভূমিহীন হৈ আছে, তেওঁলোকক

উচ্ছেদ কৰিব নালাগে। আজি যদি আমাৰ ইয়াত কৃষিৰ উন্নতি কৰিব বিচাৰো, তেনেহলে আমাৰ প্ৰকৃততে যিসকল লোকে নাঙল ধৰিব সেই সকল লোকক মাটি দিব লাগিব। চহৰ অঞ্চলত যিবিলাক মানুহে বাস কৰে, যিবিলাকৰ ব্যৱসায় বাণিজ্য আছে, বা যিসকলে চাকৰি বাকৰি কৰি আছে মাটিৰ লগত কোনো সম্পৰ্ক নাই আৰু ১০।১২ বছৰ ধৰি মাটি দখল কৰি আছে বা আধি দি, খন্দৰা দি আছে, সেই মাটি আনি মাটিহীন মানুহক দিব লাগে। নহলে সেই বিলাক মাটি কেতিয়াও উন্নত নহয়। আজি অন্যান্য ৰাজ্যত যেনে হাৰিয়ানা, পঞ্জাব, আদি ঠাইত কৃষিৰ উত্পাদন বাঢ়িছে। কিন্তু সেইবিলাক মাটিৰ লগত আমাৰ মাটিৰ মিল নাই। সেই পৰ্য্যায়ৰ মাটি কৰিবলৈ হলে প্ৰাৰম্ভিক কাম কিছুমান আমি কৰিবই লাগিব। সেইখিনি কৰিবলৈ হলে মাটি ভালদৰে ভাঙি কৰি তাত পানী যোগানৰ ব্যৱস্থা কৰিব লাগিব। তেতিয়াহে অধিক শস্য উত্পাদন কৰিব পৰা হব। গতিকে যিসকল মানুহে অন্য ঠাইত চাকৰি বাকৰি কৰি আছে বা নগৰ অঞ্চলত আছে গতিকে তেনে ধৰণৰ মানুহৰ মাটি আনি আন মাটিহীন মানুহক দিব লাগে। যি সকল মানুহে সাধাৰণতে নগৰত বাস কৰে, মাটিৰ লগত কোনো ধৰণৰ সম্পৰ্ক নাই বা সেই দখল কৰা মাটিত কোনো ধৰণৰ খেতি বাতি নকৰে বা ১০/১৫ বছৰেও কৰাৰ কোনো সম্ভাৱনা নাই সেইবিলাক ভূমি সেই লোক সকলৰ হাতৰ পৰা আনি মাটিহীন লোকক দিব লাগে আনহাতে আমাৰ ৰাজ্যত যিসকল বাহিৰাগত লোকে মাটি বে-দখল কৰি আছে সেই লোক সকলৰ পৰা মাটি আনি আমাৰ মাটিহীন লোকক দিব লাগে। আৰু যাতে কোনো বহিৰাগত লোক আহিব নোৱাৰে তাৰ আশু ব্যৱস্থা কৰিব লাগে। ইতিমধ্যে অসমলৈ যি সকল বহিৰাগত লোক আহি আছে সেই সকলক বাহিৰ কৰি দিব লাগে।

মহোদয়, মই খাজনাৰ ক্ষেত্ৰত এইটোকে কব বিচাৰো যে, যিবিলাক মাটি নদীৰ কিনাৰত, বা বানপানী হোৱাৰ আশংকা আছে সেইবিলাক ঠাইত মানুহক খাজনা ৰেহাই দিব লাগে। যি সকল দুখীয়া মানুহ সেই সকলৰ পৰা মৌজাদাৰসকলে টকা আদায় কৰে আৰু চৰকাৰক জমা নিদিয়ে। ইয়াৰ প্ৰধান কাৰণ হল, এই মৌজাদাৰ সকলৰ সহায়ত বহুতো ডাঙৰ ডাঙৰ মানুহ আছে আৰু উচ্চ স্থানীয় মানুহৰ লগত তেওঁলোকৰ সম্বন্ধ আছে আৰু সেইকাৰণে এই মৌজাদাৰ

সকলে ইমানখিনি টকা আদায় কৰি নিদিয়া স্বত্তেও চৰকাৰে তেওঁলোকক বাধ্য কৰিবলৈ অপাৰগ হৈছে। যি হওক মই ভাবো যে আমাৰ নদীৰ কাষৰীয়া অঞ্চলত খেতিৰ কোনো নিশ্চয়তা নাই, নাইবা গড়াখহনীয়াৰ গ্ৰাসত পৰিব পাৰে তেনেধৰণৰ ভূমি ৰাজহ ৰেহাই দিব লাগে। আমাৰ যি সকল ভূমিহীন খেতিয়ক, আৰু যিসকলৰ সৰ্ব্বোচ মাটিৰ পৰিমান ৫০ বিঘাটকৈ কম আছে সেইসকলক সৰ্ব্বনিম্ন পৰিমানৰ মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে। আৰু যি সকলৰ অধিক মাটি আছে সেইসকলৰ পৰা বেছি খাজনা লব লাগে। আৰু যি সকলৰ মাটিও আছে অথচ নিজে খেতি নকৰে নাইবা চহৰত চাকৰি কৰে বা অন্যান্য কোনো ব্যৱসায় কৰি পেট প্ৰবৰ্ত্তায় আছে সেই সকলৰ পৰা মাটি কাঢ়ি নি প্ৰকৃত খেতিয়কক দিব লাগে। তেতিয়াহলেহে নাঙল যাৰ মাটি তাৰ এই ব্যৱস্থাৰ প্ৰবৰ্ত্তন হব আৰু লগে লগে অমাৰ যি সমাজবাদী সমাজ প্ৰতিস্থা কৰাৰ আদৰ্শ সেইটো কিছু পৰিমাণে পূৰ্ণ হব। ইয়াকে কৈ মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিছো আৰু এই দৃষ্টিভংগীৰ পৰা মই কৰ্ত্তন মূল প্ৰস্তাৱৰ বিৰোধিতা কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীদেবেন বৰাঃ—মাননীয় অধ্যক্ষ মহোদয়, ভূমি ৰাজহ শিতানত ৰাজহ মন্ত্ৰীয়ে ৩,১০,৬৬০০০ টকাৰ যি দাবী উত্থাপন কৰিছে সেই দাবী মই সমৰ্থন কৰিছো আৰু সেই সংক্ৰান্তত যি কৰ্তন প্ৰস্তাৱ আহিছে তাৰ বিৰোধিতা কৰিছো। আমাৰ দেশৰ ভূমি সমস্যাটো এটা বিৰাট সমস্যা আৰু এই সমস্যাটো সমাধান কৰাটো সকলোৰে কাৰণে প্ৰধান কৰ্তব্য। আমাৰ দেশৰ যি কৃষি উৎপাদন সেই কৃষি উৎপাদনৰ লগত ভূমি সংস্কাৰৰ কথাটো ওতপ্ৰোত ভাবে জৰিত হৈ আছে। সেই কাৰণে আমাৰ দেশত যদি ভূমি সংস্কাৰ নহয় তেন্তে দেশৰ দুখীয়া খেতিয়কৰ কেতিয়াও উন্নতি হব নোৱাৰে। সেই কালৰ পৰা আমাৰ ৰাজ্যত বহুত প্ৰগতিমূলক আইন ৰচনা কৰা হৈছিল। কিন্তু সেই বিলাক কাৰ্য্যকৰী নোহোৱাৰ কাৰণে এই আইন বিলাকৰ অপমৃত্যু ঘটিল—যেনে আধিয়াৰ আইন। ঠিক সেই ধৰণে মাটিৰ সৰ্বোচ্চ সীমা নিৰ্দ্ধাৰণ কৰা আইন বাস্তুতী স্বত্ব আইন কৰা হ'ল এই বিলাক যদি ক্ষিপ্ৰ গতিত কাৰ্য্যকৰী কৰা নহয় তেন্তে ইয়াৰো নিশ্চয় অপমৃত্যু হব। আমাৰ দেশৰ দৰিদ্ৰ সমস্যা সমস্যা হৈ ৰব। বিৰোধী দলৰ মাননীয় সদস্য সকলে এই আইন কাৰ্য্যকৰী নোহোৱাৰ কাৰণে চৰকাৰ

কথা বিষয়া সকলক দোষাৰোপ কৰিছে। এই কথা বিলাক আলোচনা কৰাৰ আগতে আমি এটা কথা আলোচনা কৰি চাব লগা হৈছে। সেই কথাটো হ'ল আমি প্ৰকৃত দুখীয়া খেতিয়ক সকলক প্ৰগতিশীল দল বিলাকৰ সহযোগত এই গৰীব লোক সকলক সংগঠন কৰিব পাৰিছো নে নাই ? যদি তেওঁলোকক সংগঠন কৰা নহয় তেন্তে ৰায়তী স্বত্ব আইন কেতিয়াও কাৰ্য্যকৰী কৰা টান হব। আনহাতে আমাৰ সমাজত ধনী মাটিগিৰি সকলৰ প্ৰভুত্ব এতিয়াও চলি আছে। বাস্তৱ ক্ষেত্ৰত আমি দেখিছো যে কোনো সভা সমিতিত যেতিয়া ৰায়তী স্বত্বৰ কথা কোৱা হয় তেওঁলোকে সাধাৰণতে সেই কথা ভালকৈ নুবুজে। ইয়াৰ ফলত আমাৰ দেশত যি সকল ধনী মাটিগিৰি আছে তেওঁলোকৰ সুবিধা হৈ আছে। কোনো কোনো জিলাত বহুত মাটিগিৰিয়ে ৰায়তী স্বত্ব যাতে ৰায়তৰ হাতলৈ আহিব নোৱাৰে তাৰ কাৰণে তেওঁলোকক "দিন হাজিৰা কৰি খাই ছা বুলি লিখাই লৈছে। এই ধৰণৰ অত্যাচাৰ আজিও চলি আছে। গতিকে আমাৰ প্ৰগতিশীল দল সমূহৰ সহযোগত দুখীয়া ৰাইজৰ সংগঠন কৰিবৰ সময় হ'ল। যদি সংগঠন কৰা নহয় তেন্তে ধনী মাটিগিৰিৰ প্ৰভূত্ব চলিয়েই থাকিব। এইটো অৱশ্যে ঠিক যে আমাৰ চৰকাৰী কৰ্মচাৰী বহুতে এই ক্ষেত্ৰত বহুত বিধি পথালিৰ সৃষ্টি কৰিছে। ভূমিৰ সৰ্বোচ্চ সীমা নিৰ্দ্ধাৰণ কৰাৰ ক্ষেত্ৰত বহুত ৰাজহ বিভাগৰ কৰ্মচাৰীয়ে মাটি গিৰিক সহায় কৰিছে। সেই কাৰণে মাটি ওলিয়াই দিয়া কামত লেহেম হৈছে। আনহাতে ৰায়তী স্বত্ব দিবৰ কাৰণে যিটো ব্যৱস্থা লব লাগিছিল সেই ব্যৱস্থা আজিও কৰিব পৰা নাই। তেওঁলোকে শামুকীয়া গতিত কামবিলাক কৰি গৈছে। সেই কাৰণে মই ভাবো যে প্ৰগতিশীল দল বিলাকে ভূমিৰ কথাটোত সংগঠিত হৈ চৰকাৰী কৰ্মচাৰীবিলাকক এই কাম কৰাত বাধ্য কৰাব লাগিব।

১৯৭২ চনৰ জুলাই মাহত চৰকাৰে যি চৰকাৰী প্ৰস্তাৱ গ্ৰহণ কৰিছিল তাত আন সকলো কথা সন্নিবিষ্ট কৰা হৈছে। সেই কালৰ পৰা ৰায়তী স্বত্ব অতি সোনকালে দিব লাগে বুলি কোৱা হৈছে। কিন্তু সেই প্ৰস্তাৱ আজিও কাৰ্য্যকৰী হোৱা নাই বৰঞ্চ বহুতো খেলিমেলি হৈ পৰিছে। বহুত মানুহে মাটিৰ পট্টন পাইছে যদিও মাটি চমজি লব পৰা নাই। ধনী মানুহ বিলাকে জোৰ জবৰদস্তি কৰি সেই মাটি বেদখল কৰি আছে। এই কাম আইন সঙ্গত ভাবে

কৰিবৰ কাৰণে জিলা ভিত্তিত আৰু মহকুমা ভিত্তিত লেণ্ড ইউজ অথৰিটি কমিটি কৰা হৈছিল যদিও তাৰ কাম আজিও কাৰ্য্যত পৰিণত হোৱা নাই। মই চৰকাৰক অনুৰোধ জনাইছো লেণ্ড ইউজ অথৰিটি কমিটি বহি প্ৰতি মহকুমাৰ কাম অতি সোনকালে কৰিব লাগে। তাৰ নৰ্মচ মতে যি পট্টন পাব লাগে সেই মতে দিব পৰা নাই। এই কাম কৰিবৰ কাৰণে আজি ছয় মাহ পাৰ হৈ গল কিন্তু সেই প্ৰস্তাব এতিয়াও কাৰ্য্যকৰী হোৱা নাই। চৰকাৰে এই কথাটোত ক্ষিপ্ৰ গতিত আগবাঢ়ি যাব লাগে। আনহাতে আজি আমাৰ ৰাজ্যৰ বহুত মানুহক চৰকাৰী বা বনাঞ্চলৰ মাটিৰ পৰা উচ্ছেদ কৰা হৈছে। প্ৰত্যুত্তৰত মুখ্যমন্ত্ৰীয়ে কৈছে যে জাতীয় সম্পদ ৰক্ষা কৰিবৰ কাৰণে উচ্ছেদ কৰা হৈছে। সেই ফালৰ পৰা এই কথাটো প্ৰণিধানযোগ্য। কিন্তু আমাৰ দুখীয়া সকলক সংস্থাপন কৰা কথাটো লাগতীয়াল কথা। কাকী ৰিজাৰ্ভত প্ৰায় ৩ হাজাৰ পৰিয়ালক উচ্ছেদ কৰা হৈছে। তাৰ ভিতৰত চৰকাৰে ৭শ ঘৰ পৰিয়ালক টঙিয়া ভিলেজ হিচাবত সংস্থাপন কৰিবৰ কাৰণে এটা আদেশ দিছে। ঠিক সেই ৰকমে লুটুমাৰি আৰু লংজাপ ৰিজাৰ্ভত বহুত দুখীয়া খেতিয়কে মাটি দখল কৰি আছিল মই চৰকাৰক কব বিচাৰিছো যে লুটুমাৰি আৰু লংজাপ আৰু কাকীৰ কথাটো একেলগে লব নালাগে। মোৰ পৰামৰ্শ হল কাকীত কেৱল ৭শ ঘৰ পৰিয়ালক দিলেই নহব লুটুমাৰি আৰু লংজাপত যি বিলাক থলুৱা মানুহ বহি আছে তেওঁলোক সমাজৰ পিচপৰি থকা মানুহ। তাত গোৱালপাৰা আৰু নগাও জিলাৰ বিভিন্ন ঠাইৰ পৰা মানুহ আহি দখল কৰিছে।

এই মানুহ খিনিক উচ্ছেদ কৰা হৈছে। কাকীৰ নিচিনাকৈ লুটুমাৰি লংজাপত টঙিয়া পদ্ধতিত ৪-৫ শ ঘৰ মানুহক সংস্থাপন কৰিবৰ কাৰণে মই চৰকাৰক অনুৰোধ জনাইছো। আৰু মই অনুৰোধ কৰিছো যাতে চৰকাৰে কাকী আৰু লুটুমাৰি লংজাপৰ কথাটো একেলগে নহয়। আমি যদি দেশৰ দুখীয়া মানুহ বিলাকৰ কথা চিন্তা নকৰো তেন্তে দেশৰ সম্পদ কেতিয়াও বৃদ্ধি হব নোৱাৰে। মাটিৰ সৰ্বোচ্চ সীমা নিৰ্দ্ধাৰণ আইনৰ জৰিয়তে ১১ লাখ বিঘা মাটি পোৱাৰ ব্যৱস্থা কৰিছিল। তাৰ ভিতৰত ৬ লাখ বিঘা মাটিত বৃক্ষ ৰূপন কৰিব আৰু ৫ লাখ বিঘা মাটি দুখীয়া খেতিয়কক বিতৰণ কৰি দিব। আজি আমাৰ দুই

লাখ বিঘা মাটিত ৫০ হাজাৰ ৰায়ত বহি আছে বুলি অনুমান কৰা হৈছে। এতিয়া মই পৰামৰ্শ দিব খুজিছো যে ৪০ হাজাৰ পৰিয়াল ২ লাখ বিঘা মাটিত বহি আছে তেওঁলোকক তাতে অতি সোনকালে ৰায়তী স্বত্ব দিব লাগে।

এতিয়া মই চৰ এলেকাৰ কথা কব খুজিছো। এই বিষয়ে বৰুৱা ডাঙৰীয়াই কৈ গৈছে। নগাও জিলাৰ ব্ৰহ্মপুত্ৰৰ চাপৰিত ভালেমান ভাল কৃষক বহি আছে। তেওঁলোকৰ দ্বাৰা ভাল শস্য উৎপাদন হৈছে। কৃষকসকলক বাহিৰৰ মানুহে অত্যাচাৰ কৰিছে। এই চৰ এলেকাৰ গোলমাল নিষ্পত্তি কৰিবৰ কাৰণে এটা কমিটি গঠন কৰিব দিছিল। মই জানো নগাও জিলাত ৰাজহ বিভাগৰ মুখীয়াল সকলে এই কমিটিৰ লগত আলোচনা কৰি সমস্যা বিলাকৰ এতিয়া নিষ্পত্তি কৰা নাই সেই কাৰণে সেই সমস্যা সমস্যা হৈ ৰৈ গৈছে। গতিকে কামৰূপ আৰু দৰং জিলাৰ চৰ এলেকাৰ কথাবিলাক বিবেচনা কৰিব লাগে। জিলা পৰ্য্যায়ত যাতে বিষয়াসকলে এই কাম সোনকালে কৰে তাৰ কাৰণে ভাল ভাবে নিৰ্দেশ দিব লাগে। এই ৰায়তী স্বত্ব আইন কাৰ্য্যকৰী নহলে আমাৰ দেশৰ উন্নতি হব নোৱাৰে আজি চাহ বাগানৰ মালিক বিলাকে প্ৰভুত্ব বিস্তাৰ কৰি আছে চৰকাৰক প্ৰবঞ্চনা কৰি আছে। এইটো বন্ধ কৰিব লাগে। আমাৰ কাম বিলাক দ্ৰুত গতিত কৰিবৰ কাৰণে ৰায়ত সকলক সংগঠন কৰিব লাগে। কাকী আৰু লংজাপৰ কথাটোত ৰাজহ বিভাগত মনোযোগ দিবলৈ মই অনুৰোধ জনালো আৰু সৰ্বশেষত ৰাজহ মন্ত্ৰীয়ে যি মঞ্জুৰী দাবী কৰিছে সেইটো সমৰ্থন কৰিলো।

শ্ৰীকেহোৰাম হাজৰিকা :—মাননীয় অধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰি মই দুষাৰমান কব বিচাৰিছো। আমাৰ ৰাজহ বিভাগৰ বহুতো প্ৰধান দায়িত্ব অৰ্পণ কৰা আছে। আমাৰ দেশৰ জনসাধাৰণৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে খেতিয়কৰ মাটিৰ সমস্যা সমাধান, ভূমি সংস্কাৰ আইন প্ৰয়োগ, মাটি বিতৰণ আদি বহুতো দায়িত্ব এই ৰাজহ বিভাগৰ ওপৰত দিয়া হৈছে।

কিন্তু অধ্যক্ষ মহোদয়, মই আজি এই সন্মানিত সদনৰ সদস্য হোৱা ৭ বছৰ হল। এই ৭ বছৰ কালত এই বিভাগৰ কাৰ্য্যকলাপ আৰু চৰকাৰৰ কাৰ্য্যকলাপ

সম্পৰ্কে যথেষ্ট সমালোচনা হল কিন্তু আইনৰ কোনো পৰিবৰ্তন নহ'ল আৰু কৃষকৰ জীৱনতো কিবা পৰিবৰ্তন হ'ব বুলি আমি ক'ব নোৱাৰো।

মই অন্যান্য মাননীয় সদস্যসকলৰ লগতে এই কথা কবলৈ বাধ্য যে এইবিভাগটো যদি ব্যাখ্যা কৰা হয় তেনেহলে ব্যৰ্থতাৰ ইতিহাসৰ বাহিৰে একো হ'ব নোৱাৰে। উদাহৰণস্বৰূপে আমাৰ দেশত ভূমি সংস্কাৰ কৰিবৰ কাৰণে এই সদনতেই কেইটামান প্ৰগতিশীল আইন পাছ কৰা হল। এই ক্ষেত্ৰত অন্যান্য প্ৰদেশৰ যিবিলাক আইন পাছ কৰিলে সেইবিলাকে বহুত পৰিমাণে আগ বাঢ়িল। তাৰ ভিতৰত আছিল আধিয়াৰ আইন, সৰ্বোচ্চ সীমা নিৰ্দ্ধাৰণ আইন, মাটিৰ ওপৰত ৰায়তৰ অধিকাৰ ইত্যাদি। এই গোটেই বিলাকৰ কথা আমাৰ ৰাজ্যত চৰ্বাল গলে কাগজৰ আইন কাগজতে ৰৈ আছে। বাস্তৱত তাৰ কোনো প্ৰয়োগ হোৱা আমি দেখা নাই। এইটো ক্ষেত্ৰত সকলো সদস্যই একমত হব যে ভূমি সংস্কাৰ যদি দেশত নহয়—তেনেহলে আজি আৰ্থিক সংকটে দেখা দিছে—সেইটো সমাধান কেতিয়াও নহব। বৰঞ্চ মাটিৰ সমস্যা জটিলৰ পৰা জটিলতৰ হৈ উঠিব। ভূমি সংস্কাৰৰ দ্বাৰা মাটিৰ উচ্চসীমা নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত ১৯৫৭ চনৰ চৰকাৰী হিচাবমতে আমি দেখিবলৈ পাইছো-প্ৰায় ৭ লাখ বিঘা মাটি চৰকাৰে পাব লাগিছিল আৰু সেই মাটি ভূমিহীন কৃষকৰ মাজত বিতৰণ কৰি দিয়া হব বুলি প্ৰতিশ্ৰুতি দিছিল। কিন্তু পাছত দেখা গল যে মাটিৰ উচ্চসীমা নিৰ্দ্ধাৰণৰ ফলত মাত্ৰ ২ লাখ ১৬ হেজাৰ বিঘা মাটি চৰকাৰে পাইছিল—কিন্তু তাকো দুখীয়া খেতিয়কৰ মাজত বিতৰণ কৰিবলৈ এই চৰকাৰ সক্ষম হোৱা নাই। ১৯৭০ চনত মাটিৰ সৰ্বোচ্চ সীমা ৫০ বিঘা বুলি যি আইন চৰকাৰে পাছ কৰিলে—আজি সেই চৰকাৰে সেই আইন কাৰ্য্যকৰী কৰিব পৰা নাই।

অধ্যক্ষ মহোদয়, আপুনি জানে আমাৰ দেশত ৪৩ লাখ বিঘা মাটি চাহবাগান বিলাকত অন্তৰ্ভূক্ত হৈ আছে। চৰকাৰী হিচাবমতে যিখিনি মাটি ঘূৰাই দিলে তাত দেখা যায় যে ৪ ভাগৰ ১ অংশতকৈ কম মাটিতহে চাহ খেতি আছে। বাকীবিলাক মাটি হয় এনেয়ে পৰি আছে—নহয় বাগানৰ মালিকে জমিদাৰী প্ৰথা চলাইছে—নহয় অন্যান্য গছ-গছনি ৰুই গৈছে। এই বাকী থকা মাটিবিলাক মালিকে ঘূৰাই দিয়া সম্পৰ্কত চৰকাৰে কোনো খৰতকীয়া ব্যৱস্থা

গ্ৰহণ কৰা নাই। এই আইনত এই কথাৰ উল্লেখ আছে যে--কোনোবাই যদি ঘূৰাই দিবলগীয়া মাটিখিনি নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত ঘূৰাই নিদিয়ে তেনেহলে ২০০ ৰ পৰা ১০ হেজাৰৰ ভিতৰত জৰিমনা ভৰিব লাগে। কিন্তু আজি যুগ যুগ পাৰ হল চৰকাৰে সেই মাটি ঘূৰাই পোৱা নাই আৰু জৰিমনাও পোৱা নাই। সেইফালৰ পৰা চৰকাৰৰ এই নীতি ব্যৰ্থতাৰ পৰিচয় দিছে। সেই কাৰণে মই কৈছো আজি বাগানবিলাকত দুখীয়াবিলাকক উচ্ছেদ কৰা কামেই চলি আছে আৰু আমাৰ চৰকাৰ নীৰৱে টোপনিৰ ভাওধৰি শুই আছে। সেই কাৰণে মই কৈছো এই ক্ষেত্ৰত চৰকাৰ যদিও পৰ্ব্বতৰ সমান পাইছিল—শেষত নিগনিহে হৈছে বুলি আমি ভাবিবলৈ থল ওলাইছে অকল সেইটোৱে নহয় আমাৰ অসমত যদিও জমিদাৰী প্ৰথা নাই—তথাপিও মাটিৰ মহাজন যথেষ্ট আছে আৰু এই ক্ষেত্ৰত ৰায়তীস্বত্ব আইন কাৰ্য্যকৰী কৰিবৰ কাৰণে চৰকাৰে কোনো কাৰ্য্যকৰী ব্যৱস্থা বা খৰতকীয়া ব্যবস্থা হাতত লোৱা নাই। অধ্যক্ষ মহোদয়, মোৰ সমষ্টিতে এজন মহাজনৰ ৬৩১ বিঘা আছে। এই মাটি যেতিয়া চৰকাৰে ৫০ বিঘা চিলিং আইন তৈয়াৰ কৰিলে তেতিয়া সেই মানুহজনে তৎক্ষনাত তেওঁৰ মাটিবিলাক নিজৰ নামৰ ওপৰিও ঘৈণীয়েকৰ নামত আৰু গোটেই লৰা-ছোৱালীৰ নামত নামজাৰি কৰি চিলিং আইনক ফাকি দিলে। তাৰ পাছত ৰায়তী স্বত্ব আইনো পাছ হল—কিন্তু তাত থকা মানুহখিনিয়ে ৰায়তৰ স্বত্ব পাব লাগে বুলি ডি, চিৰ ওচৰত দৰ্খাস্ত দিলে। তেতিয়া এই মহাজনে তৎক্ষণাৎ এই সংবাদ পাই নগাওঁ জিলাৰ চামগুৰি থানাৰ পুলিচৰ সহায়ত সেই মানুহবিলাকক নানা অত্যাচাৰ কৰিলে আৰু ধমক দি তাৰ পৰা উঠি যাবলৈ কোৱা হৈছে। এতিয়া খেতিয়কসকলে তাৰ পৰা গুচি গৈছে। মই চৰকাৰক সুধিব বিচাৰিছো যে ইয়াৰ কাৰণে কিবা তৎপৰ ব্যৱস্থা হাতত লৈছেনে? ১৯৭০ চনতে ৰায়তী স্বত্ব আইন পাছ হল অসমৰ মাত্ৰ দুখন জিলত প্ৰাৰম্ভিক কাম আৰম্ভ কৰা হৈছে। বাকীবিলাক জিলাত অবাধে এই ধৰণৰ উচ্ছেদ কাৰ্য্য চলি আছে।

অসমৰ বাকীবোৰ জিলাতো এই ধৰণে উচ্ছেদ কাৰ্য্য চলিয়ে আছে। সেই ফালৰ পৰা কব বিছাৰিছো যদি চৰকাৰৰ এই কাৰ্যকৰী কৰাত সদিচ্ছা আছে তেনেহলে যিবিলাক দল আৰু লোকৰ চৰকাৰৰ প্ৰতি সদিচ্ছা আছে

সেই সকলকৈলে এখন বিশেষজ্ঞ কমিটি গঠন কৰিব লাগে। ইয়াৰ আগতে মাননীয় কেবাজনো সদস্যই কৈ গৈছে যে ইয়াৰ বাবে বা ভূমি পট্টনৰ বাবে লেণ্ড ইউজ কমিটি গঠন কৰা হৈছে। কিন্তু ইয়াৰ দ্বাৰাও ভূমি সংস্কাৰৰ কাম আগৰদৰেই থাকিল। এই কমিটিৰ সদস্য সংখ্যা যিমান দিছে ই এখন এচেম্বলীৰ নিচিনা। ইয়াৰ শ্ৰেণী গঠনলৈ চাই ভালকৈ চালে দেখা যাব যে এই ধৰণৰ কমিটি বিলাকে সংস্কাৰমূলক কাম কৰিব পাৰে নে নোৱাৰে। এই কথা অপ্ৰিয় সত্য হলেও কব লাগিব যে কংগ্ৰেছৰ ভিতৰতো কিছুমান সদস্যই এই আইনবিলাক কাৰ্য্যকৰী কৰাত তিব্ৰ বাধাৰ সৃষ্টি কৰিছে। সেই ফালৰ পৰা এই কমিটিত যদি সদিচ্ছা থকা মানুহ নিদিয়ে তেনেহলে এই আইন বিলাক কাৰ্য্যকৰী কৰা সম্ভৱপৰ নহয়। সেই ফালৰ পৰা লেণ্ড ইউজ কমিটিৰ মই বিৰোধিতা কৰিছো। আৰু মই যি পৰামৰ্শ আগবঢ়াইছো সেই পৰামৰ্শমতে কাম কৰিলে আৰু বিধিসন্মতভাবে এই কমিটি গঠন কৰিলে আৰু সেই সমিতিৰ ওপৰত দায়িত্ব অৰ্পন কৰিলে ভূমি সংস্কাৰ কাম ঠিকেই চলিব।

অধ্যক্ষ মহোদয়, মাটি বিতৰণৰ নামত যোৱা ২৬ বছৰে দুখীয়া খেতিয়কৰ নামত কিছুমান নতুন মহাজনৰ সৃষ্টি কৰা হ'ল আৰু এই মহাজন সকলে দুখীয়া খেতিয়কবিলাকক শোষণ কৰিছে। অধ্যক্ষ মহোদয় আমি সকলোৱে জানো যে কৃষি উন্নয়নৰ কাৰণে ভূমি উদ্ধাৰ কৰিব নোৱাৰিলে কেতিয়াও কৃষিৰ উন্নয়ন হব নোৱাৰে আৰু এই উন্নয়ন নহলে আমাৰ অৰ্থনৈতিক উন্নয়ন হব নোৱাৰে। সেই ফালৰ পৰা আমি দেখিবলৈ পাইছো যে আমাৰ দেশত যি মাটি বিতৰণ কৰা হৈছে সেই মাটি বিতৰণৰ জৰিয়তে এক শ্ৰেণী নতুন মহাজনৰ সৃষ্টি কৰা হল। অধ্যক্ষ মহোদয়, এই সদনত বহুবাৰ আলোচনা কৰা হৈছে—বাকী ফাৰেষ্ট ৰিজাৰ্ভৰ কথা-মাননীয় সদস্য শ্ৰীদেবেন বৰা ডাঙৰীয়াই এই সম্পৰ্কে কৈ গৈছে আৰু ময়ো আলোচনা কৰিছো। ১৯৫১-৫২ চনতে বাকী ৰিজাৰ্ভত ৩১ হাজাৰ বিঘা মাটি বিতৰণ কৰা হৈছে কিন্তু তাৰ শতকৰা ৯৫ অখেতিয়ক মানুহেই মাটি পাইছে। কিছুমানে নিজৰ নামত কিছুমানে ইষ্ট কুতুম্বৰ নামত ১০০-২০০ বিঘা মাটি লৈ আছে। বহুবাৰ এই বিষয়ে কোৱা হৈছে অনুসন্ধানো কৰা হৈছে – হাকিম, মণ্ডল কাননগু তালৈ যায় চাই আহে কিন্তু ব্যৱস্থা হলে একো নহল। ৩-৪ বছৰ অনুসন্ধানত দিয়া হৈছে কিন্তু একেই অৱস্থা। দুখীয়া

খেতিয়ক বিলাকক টানি বাহিৰ কৰি দিছে— মাটি খাব নিদিয়ে। আজি ইয়াত খাবলৈ দিব ২ বছৰ পিচত কব ভাত খোৱাগৈ। এই ধৰণৰ জমিদাৰৰ সৃষ্টি হৈছে। এই ধৰণৰ ব্যৱস্থা অকল নগাওতে নহয় অসমৰ সকলো ঠাইতে হৈছে। উদাহৰণস্বৰূপে চামগুৰী চাৰ্কোলত সমবায়ৰ নমত মাটি পট্টন দিয়া হল - সমবায়গনৰ নাম হল দাৰিদ্ৰ মোচন সমবায় সমিতি। ইয়াৰ আগতে যেতিয়া এই বিষয়টো মাটি উপদেষ্টা কমিটিলৈ আহিছিল তেতিয়া কমিটিয়ে চালিজাৰি চাই সন্দেহ কৰি এই কমিটিৰ বিষয়ে অনুসন্ধান কৰিবলৈ দিয়া হল। অনুসন্ধান আমাৰ এই বিধান সভাৰ সদস্যই কৰিছিল দেখা গল যে একেজন মানুহেই পুতেক নাতিয়েকৰ নামত, বোৱাৰীয়েক জীঐৰ নামত মাটিলৈ আছে, সমবায়ৰ কোনো কথা নাই তাৰ পিচত উপদেষ্টা কমিটিয়ে সিদ্ধান্ত কৰিলে যে যি সকলে ভুৱা নাম দ এইধৰণৰ কাম কৰি আছে তেওঁলোকক শাস্তি দিব লাগে আৰু প্ৰকৃতমাটিহীনক সমবায়ৰ সভ্য বা অংশীদাৰ কৰিব লাগে কিন্তু আজিলৈ কৰা নহল। গত বছৰ নিবনুৱা সমস্যা সমাধানৰ নামত যুৱক সকলক মাটি দিয়াৰ আচনি লনে আৰু সেই হিচাবে হাতীচোং ধিংৰবৰীত ৬ জন যুবকক মাটি দিয়া হল কিন্তু তেওঁলোক নিবনুৱা হয় কিন্তু বাপেকৰ নামত ১০০-দেৰশকৈ মাটি আছে তাৰ কিষ্ট এই বিধানসভাতে দাঙি ধৰিছো আটাইকেইজনেই মহ জনৰ লৰা। এতিয়া তেওঁলোক চাকৰী বাকৰী কৰিছে আৰু মাটিখিনি আধি চুখুনী দিছে। ৰাজহমন্ত্ৰীক কওতে কওতে মন্ত্ৰী মহোদয়ে অনুসন্ধান কৰিলে উপায়ুক্তৰ দ্বাৰা তাৰ পিচত হুকুমও কৰা হল উচ্ছেদৰ কাৰণে কিন্তু উচ্ছেদ কাৰ্য্য কৰা নহল—ইয়ালৈ আহি হুকুম সলনি কৰি দিলে। নগাওঁ জিলাৰ ধিং চাৰ্কোলৰ কছাৰীদল ৰিজাৰ্ভত মাটি পট্টন দিব পাৰি নেকি অনুসন্ধান কৰিবলৈ গলো। সেই ভিত্তিত মাননীয় সদস্য শ্ৰীপিতসিং কোৱৰ আৰু কেইজনমান সদস্য গৈছিলো। তাতগৈ আচৰিত কাণ্ড দেখিলো — নগাওঁ জিলাৰে এজন কংগ্ৰেছী নেতাই দুই ঠাই মান ভিতৰতে ৩০০ বিঘা মাটি বেদখল কৰি আছে— আকৌ বেদখলী মাটি বিক্ৰীও কৰিছে এই ধৰণৰ অৱস্থা চলি আছে। মন্ত্ৰী মহোদয়ক এই বিষয়ে কোৱা হৈছে। স্বাধীনতাৰ ২৬ বছৰ পাচতো আজি দুখীয়া খেতিয়কে মাটি পোৱা নাই কিন্তু যাৰ মাটিৰ লগত কোনো সম্পৰ্ক নাই যাৰ কৃষিৰ লগত কোনো সম্পৰ্ক নাই তেওঁলোকে উপাৰ্জনৰ হাতীয়াৰ হিচাৰে মাটি পট্টন লৈছে কিন্তু প্ৰকৃত খেতিয়ক তাৰ পৰা বঞ্চিত হৈছে। দুখীয়া খেতিয়কে হাবি

জমিন ভাঙ্গি নিজৰ মান নিজৰ লৰাছে ৰাসীক ৰক্ষা কৰিবলৈ মাটি দখল কৰিছে। কিন্তু হনুমন্তই নিজৰ নেগুৰত জুই লগাই লংকা ছাৰখাৰ কৰাৰ দৰে ৰাজহ মন্ত্ৰীয়ে নিজৰ নেগুৰত জুই লগাই চাৰিওফালে দেশখন চাৰখাৰ কৰিছে।

অধ্যক্ষ মহোদয়, এইধৰণে আমাৰ সাধাৰণ দুখীয়া ৰাইজৰ মাজত আতংকৰ সৃষ্টি কৰিছে। দেশৰ জনসাধাৰণৰ কাৰণে আমাৰ অন্তৰ আছে। আমাৰ কেইজনমান সদস্যই চৰকাৰক কুম্ভকৰ্ণ বুলি কৈছে। মহোদয়, আমাৰ ৰাজ্যৰ প্ৰতীক হৈছে গড়। গড়ক এবাৰ খোচ মাৰিলে ১২ বছৰৰ পিছতহে গম পায়। কাৰণ গড়ৰ চামৰা বৰ দাঠ আজি আমাৰ ৰাজহ বিভাগে ২৬ বছৰেও এই খোচৰ গম পোৱা নাই। এই ধৰণেই দুখীয়া ৰাইজক বঞ্চিত কৰিছে মই চৰকাৰক সুধিব খুজিছো যে, আমাৰ চৰকাৰ দুখীয়া লোকৰ চৰকাৰনে নাই কিছুমান মহাজনৰ চৰকাৰ। নে কিছুমান ধনী মানুহৰ চৰকাৰ। যদি আজি আমি সমাজতন্ত্ৰৰ কথা কওঁ, প্ৰকৃত সমাজতন্ত্ৰ বিচাৰো তেনেহলে দুখীয়া সকলৰ সংস্থাপন কৰিবলৈ আমাৰ চৰকাৰে চেষ্টা কৰিব লাগে।

মহোদয়, এতিয়া মই আন এটা কথা কবলৈ বিচাৰিছো সেইটো হৈছে যে আমাৰ ৰাজহৰ ধন অপব্যয় কৰা হৈছে। মাননীয় সদস্য সকলে কৈছে যে, আমাৰ দুখীয়া ৰাইজৰ পৰা বেছিকৈ টেক্স আদায় কৰা হৈছে। চৰকাৰে ধনী শ্ৰেনীটোৰ পৰা টেক্স আদায় কৰিব পৰা নাই গতিকে দুখীয়া ৰাইজৰ পৰা টেক্স আদায় কৰিছে। মৌজাদাৰ সকলে দুখীয়া ৰাইজৰ পৰা হাজৰ হাজাৰ টকা আদায় কৰিছে। আৰু নিজৰ পেটত ভৰাইছে। কিন্তু চৰকাৰে তেওঁ-লোকৰ পৰা টকা আদায় কৰিব পৰা নাই। আজি চেলটেক্স বা ইনকাম টেক্স আদি সকলোৰে ক্ষেত্ৰতেই একে অৱস্থা হৈছে। সেইফালৰ পৰা চাই কব লাগিব যে, আমাৰ দুখীয়া ৰাইজৰ অৱস্থা অতি শোচনীয় হৈ পৰিছে। আজি যিসকল মানুহ ক্ষমতাত আছে সেই সকলে জনসাধাৰণৰ ওপৰত নানা ভাবে অত্যাচাৰ কৰিছে। তাৰ বাহিৰেও ভূমি ৰাজহ সামন্ত যুগৰ প্ৰথা। এইটো সময়ত সাল সলনি হৈ আছে। গতিকে এই কৰৰ ব্যৱস্থাতো যাতে মান্ধাতা যুগৰ দৰে হৈ নাথাকে তাৰ ব্যৱস্থা কৰিব লাগে। যি সকল মানুহৰ আয় বেছি সেই সকল মানুহৰ কৰ বঢ়াই দিব লাগে। আজি ক্ষতিপূৰণ

দিয়াৰ ক্ষেত্ৰতবহুতো সদস্যই কৈছে যে, ক্ষতিপূৰণত যিসকলৰ স্বাৰ্থ থাকে, বা ক্ষমতাশালী মানুহে হয়তো পাব ২ লাখ ৪৯ হাজাৰৰ ঠাইত ৫৯ লাখ, আৰু কোনোৱে হয়তো তাতোকৈ বহুত কম পাব। ১৯৫৫ চনৰ পৰা এতিয়ালৈ ক্ষতিপূৰণৰ বহুতো টকা বাকী আছে। মোৰ সমষ্টিতে মাটি অধিগ্ৰহণৰ বাবে ১৯৫৫ চনৰে পৰা ক্ষতিপূৰণ এতিয়ালৈকে বাকী আছে। আজিলৈকে চৰকাৰৰ টোপনী ভগা নাই। চৰকাৰে দুখীয়া মানুহক ক্ষতিপূৰণ এতিয়ালৈ দিয়া নাই। কিছুমান ক্ষমতাশালী মানুহে ৰাজহ লোৱা অফিচাৰৰ লগত যোগাযোগ কৰি ৫ হেজাৰৰ ঠাইত ৫০ হাজাৰ কৰে আৰু এইদৰে ক্ষতিপূৰণ পাই আছে। সেইবাবে চৰকাৰৰ ওচৰত নিকা প্ৰশাসনৰ দাবী জনালো। আৰু কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰি সামৰিলো।

শ্ৰীলক্ষী কান্ত শইকীয়া : —অধ্যক্ষ মহোদয়, ভূমি ৰাজহ শিতানত মই মাত্ৰ কেইটামান কথা কবলৈ বিচাৰিছো। আজি আমাৰ সদনত এই শিতানত আমাৰ মাননীয় সদস্য কেইবাগৰাকীয়ে বিশেষকৈ চৰকাৰৰ ভূমি সংস্কাৰৰ বিষয়ে একো কাম হোৱা নাই বুলি চৰকাৰৰ ৰাজহ বিভাগৰ দোষ থকা বুলি অভিযোগ কৰিছে। অৱশ্যে আমাৰ মন্ত্ৰী মহোদয়ে এই বিষয়ে যথাযথ উত্তৰ দিব। দ্বিতীয়তে আমাৰ চৰকাৰে এতিয়ালৈকে কি কি কাম কৰিছে, কি কি কাম কৰা নাই বা কৰিবলৈ লৈছে তাৰ আলোচনা নকৰাতো অন্যায় হব।

ভইচ : — ( আখৰা কৰিছেনে ? )

এইটো মই আখৰা কৰা নাই প্ৰত্যুত্তৰহে। আজি আমাৰ বিৰোধী পক্ষৰ সদস্য সকলেও স্বীকাৰ কৰিছে যে ভূমি সংস্কাৰৰ কাৰণে অসমত কেইবাখনো আইন গ্ৰহণ কৰা হৈছে। ইয়াৰ পৰা এইটো কথা অনুমান হৈছে যে, আজি চৰকাৰ চলোৱা দল হিচাবে, এই সদনৰ সংখ্যাগৰিষ্ঠ দল হিচাবে আজি এখন আইন গ্ৰহন কৰিবৰ কাৰণে যি মানসিক প্ৰস্তুতিৰ প্ৰয়োজন সেইটোৰ অভাৱ হোৱা নাই। কোনো আইন পাচ কৰিলে যে একেবাৰতে কাম নহয় সেইটো আমি স্বীকাৰ কৰো। আজি আইন এখন পাচ কৰিলেই নহয়, এই আইন কাৰ্য্যকৰী হলে গোটেই চৰকাৰী যন্ত্ৰটোৰে এটা সক্ৰিয় সহযোগ লাগিব। আৰু যিসকল

লোকৰ কাৰণে আইন কৰা হয়, সেই সকল লোকৰ ৰৰঙনি বা সমাজত যিসকল লোকে নেতৃত্ব দি আহিছে সেইসকল ৰাজনৈতিক দলৰ সহযোগিতা নিশ্চয় দৰকাৰ হব। যদি সচা কথা কবলৈ হয়, আজি যিসকল লোকৰ সমাজবাদত বিশ্বাস আছে তেওঁলোকে এই কথা বুজি পায়। আজি সমাজবাদ আৰম্ভ কৰিবলৈ হলে আমাক সকলোৰে সহযোগিতা লাগিব। অৱশ্যে ভূ-স্বামীৰ প্ৰতিবাদ আহিব পাৰে সেইটো আমি স্বীকাৰ কৰো। চৰকাৰে আইন সমূহ কাৰ্য্যকৰী কৰিবলৈ যাওতে সময় লাগিব। আমাৰ যিসকল কৰ্মচাৰী আছে, সেই সকলৰ বিৰোদ্ধে মোৰ কোনো বেয়া ভাব বা অহৈতুক প্ৰীতি নাই। আজি কোনোবা বিষয়াই যদি কৰবাত বেয়া কাম কৰি'ছে তেওঁৰ বিৰোদ্ধে যদি শাস্তিমূলক ব্যৱস্থা লবলৈ যোৱাতো দুৰ্ভাগ্যৰ কথা কাৰণ এইদৰেই বিষয়া বা কৰ্মচাৰী সকলৰ বিৰোদ্ধে ব্যৱস্থা গ্ৰহণ কৰিলে ৰাজনৈতিক আন্দোলন আৰম্ভ হয় আৰু আমাৰ নেতৃত্ব দিয়া একাংশ সদস্যই ভূ-স্বামী ৰায়তিসকলৰ আইন যাতে কাৰ্য্যকৰী নহয় তাৰ কাৰণে চেষ্টা চলায়।

শ্ৰীতুলাল চন্দ্ৰ খাউণ্ড :- অধ্যক্ষ মহোদয়, এই কথাষাৰে সদনৰ ওপৰত এটা ৰিফলেকচন আনিছে। দুৰ্নীতি পৰায়ণ অফিচাৰক ৰক্ষা কৰিবলৈ চেষ্টা কৰিছে এইটো কথা উঠাই লব লাগে।

শ্ৰীলক্ষী কান্ত শইকীয়া :— অধ্যক্ষ মহোদয়, মোৰ আমাৰ মাননীয় সদস্যসকলৰ ওপৰত যথেষ্ট আস্থা আছে। মাননীয় সদস্যইও এটা কথা কৈছিল যে, যিসকল সদস্যৰ বা যিসকল লোকৰ সমাজবাদৰ ওপৰত বিশ্বাস আছে, চৰকাৰে এখন কমিটি কৰি যাতে এই ভূমিসংস্কাৰ আইন প্ৰস্তুত কৰিব পাৰে সেই সম্পৰ্কত এই কথা কৈছিল। বিশ্বাস নথকা লোকো বহুত আছে। গতিকে মই বেয়া ভাৱ লৈ এই কথা কোৱা নাই। বিনীত ভাবেহে নিবেদন কৰিছো।

অধ্যক্ষ মহোদয়, ভূমিৰ সৰ্বোচ সীমা নিৰ্দ্ধাৰণ কৰাৰ ক্ষেত্ৰত বহুতো মাননীয় সদস্যই কৈছে। আজি আমাৰ মুখ্য মন্ত্ৰী মহোদয়েও স্বীকাৰ কৰিব। যিসকল দুখীয়া খেতিয়ক যাৰ কাৰণে আজি আইন কাৰ্য্যকৰী কৰিবলৈ কৈছে বা যি সকল প্ৰকৃত পক্ষে ভূমিহীন খেতিয়ক তেখেতসকলে আজি আমাক নেতৃত্ব দিব পৰা নাই। ফলত আজি বে-দখল আৰম্ভ হৈছে।

আজি যি সকলে বেদখল কৰিলে তেওঁলোকক উচ্ছেদ কৰাৰ কাৰণে তাৰ বিৰোদ্ধে বহুত বিলাক কথা কোৱা হৈছে। অধ্যক্ষ মহোদয়, মই নিজে এইটো কথা স্বীকাৰ কৰো যে যি সকল লোকৰ প্ৰকৃততে খেতি বাতি কৰিবৰ কাৰণে প্ৰকৃততে মাটি নাই যি সকল প্ৰকৃত খেতিয়ক সেই সকলক মাটি দি খেতি কৰোৱাৰ দিহা কৰিব লাগে। এইটো কথাও স্বীকাৰ কৰিব লাগিব যে কোনো দুখীয়া খেতিয়কৰ নেতৃত্ব লৈ বেদখল কৰিব পৰা নাই। যি সকলৰ মাটি বাৰী আছে যিসকলে যথেষ্ঠ পৰিমানৰ টকা খুটুৱাৰ পাৰে যি সকলে মণ্ডল কানানগু আদিক টকা আদি দিব পাৰে সেই সকলৰ দ্বাৰাই এই কাৰ্য্য সাধিত হৈছে।

অধ্যক্ষ মহোদয়, আজি ভূমি সংস্কাৰৰ কাৰণে যথেষ্ট আইনৰ ব্যৱস্থা কৰা হৈছে। কিন্তু এই আইনবিলাক কাৰ্য্যত পৰিনত কৰিবলৈ এতিয়াও বহুত বাকী। আমাৰ বহুতেই কৈছে যে আমাৰ এই ৰাজহ বিভাগটো পুনৰ গঠন কৰিব লাগে। এই ক্ষেত্ৰত মই কব খুজিছো যে অকল দুই এজন বিষয়া বা কৰ্মচাৰী ইফাল সিফাল কৰিলে কাম নহব। এই আইন সংক্ৰান্তত ৰেভিনিও মেনুৱেলখনৰ যি বিলাক আসুৱাহ আছে সেই আসুৱাহ বিলাক দূৰ কৰিব লাগে। এই মেনুৱেলখন সংস্কাৰ কৰা হলে আৰু আমাৰ যি সকল লোক আছে সেই সকল আগবাঢ়ি আহিলে আৰু এটা প্ৰকৃততে সুস্থিৰ পৰিবেশ সৃষ্টি কৰিব পাৰে তেন্তে ভূমি সংস্কাৰ আইন কাৰ্য্যকৰী কৰাত বেছি দিন নালাগিব।

ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত বহুতো কথা কোৱা হৈছে। আৰু মৌজাদাৰ ব্যৱস্থাটোৰ ভাল বেয়া এই সম্পৰ্কত আমাৰ আগতেও বহুবাৰ আলোচনা কৰা হৈ গৈছে। এই সংক্ৰান্তত মই এইটো কথাই কব বিচাৰিছো যে আমাৰ উদ্দেশ্য হৈছে বেচি পৰিমানে ৰাজহ আদায় কৰা। আমি কি পথ অৱলম্বন কৰিলে আমি অধিক ৰাজহ আদায় কৰিব পাৰো সেইটো কথা পৰীক্ষা কৰি চাব লাগিব। ৰাজহ মন্ত্ৰী ডাঙৰীয়াই জনাই আহিছে যে হিচাৰ কৰি দেখা গৈছে যে যি বিলাক জিলাত মৌজাদাৰী ব্যৱস্থা আছে সেই বিলাক জিলাত মৌজাদাৰী ব্যৱস্থা নথকা জিলাতকৈ বেচি ৰাজহ সংগ্ৰহ হয়।

গতিকে আমি চাব লাগিব কি ব্যৱস্থা অবলম্বন কৰিলে আমি অধিক ৰাজহ

সংগ্ৰহ কৰিব পাৰো। আজি আমাৰ মৌজাদাৰ সকলে দুখীয়া খেতিয়ক সকলৰ-পৰা ৰাজহ আদায় কৰি সেইবিলাক চৰকাৰক জমা দিয়া নাই। এই সম্পৰ্কত আমাৰ যিটো ৰাজহুৱা হিচাব পৰীক্ষা কৰা কমিটি আছে তেওঁলোকে প্ৰতি-বেদনত যিবিলাক পৰামৰ্শ ডাঙি ধৰিছে সেই বিলাক পৰীক্ষা কৰি চোৱা উচিত হব আৰু কোনো মৌজাদাৰে ৰাজহ সংগ্ৰহ কৰি নিজৰ হাতত ৰাখিব নোৱাৰে আৰু সেই ৰাজহ চৰকাৰৰ ভৰালত জমা দিব লাগিব।

ইয়াৰ বাহিৰেও আৰু এটা কথা লৈ মই আঙুলিয়াব খুজিছো সেইটো হৈছে ৰাজহ বিভাগৰ জৰিপ সম্পৰ্কত। ৰাজ্যখনত আয়তন আৰু তাৰ চাৰিসীমা আমি সংগঠন কৰিব লাগিব। প্ৰকৃত পক্ষে আমাৰ ৰাজ্যখনৰ চাৰিসীমা কি এই কথা জনাই টান। আজি যদি চোৱা যায় তেনেহলে আমাৰ ৰাজ্যৰ চাৰিও সীমাত কিছুমান বেয়া কাম চলি আছে আৰু সেইবিলাক প্ৰতিৰোধৰ কাৰণে আমি গুৰুত্ব দিব লাগিব। আমাৰ মুখ্য মন্ত্ৰী ডাঙৰীয়াই কেইদিনমানৰ আগতে জনাইছিল যে কেন্দ্ৰীয় জৰিপ বিভাগৰ হাতত এইটো কথা গতাই দিয়া হৈছে। এইটো ভাল কথাই হৈছে কিয়নো কেন্দ্ৰীয় জৰিপ বিভাগটো এটা তৃতীয় পক্ষ সেই কাৰণে আমাৰ কবলগীয়া একো নাই। কিন্তু এই জৰিপৰ কাম চলি থকা অৱস্থাত অন্য ৰাজ্যৰ সীমা সম্পৰ্কত আমাৰ ৰাজ্যৰ কিছু অংশ বেদখল কৰাটো উচিত হোৱা নাই। উদাহৰণ স্বৰূপে অৰুনাচলে চাৰিটা ট্ৰেনফাৰ্দ এৰিয়া দাবী কৰিছে। এইটো পৰীক্ষা কৰি চোৱাত আপত্তি নাই কিন্তু আমাৰ ৰাজ্যৰ ভিতৰলৈ আহি দখল কৰাত কোনো যুক্তি থাকিব নোৱাৰে। আমাৰ ৰাজ্যৰ চাৰিওফালে যি কেইখন ৰাজ্য আছে সেই কেইখনৰ লগত আমি মিলা প্ৰীতিৰেই থাকিব লাগে। কিন্তু তেওঁলোকে জোৰ কৰি যেতিয়া আমাৰ ঠাইলৈ আহিছে তেনে স্থলত আমি আমাৰ সীমা সাব্যস্ত কৰিবলৈ চেষ্টা কৰিব লাগিব। এইটো বিশেষ ভাবে পৰিলক্ষিত হৈছে যে দৰং জিলা আৰু লক্ষীমপুৰ জিলাৰ উত্তৰ অঞ্চলত প্ৰণালী বদ্ধ ভাবে অৰুনাচলৰ মানুহ সোমাই গৈছে। আজি আমাৰ ভৈৰবকুণ্ডত যিটো জলসিঞ্চনৰ আচনি কৰিবলৈ লোৱা হৈছে এই ঠাইলৈ অৰুনাচলৰ মানুহ আহি গেট দি দিছে আৰু তাৰ কাৰণেই আমি প্ৰতিবাদ কৰিবলগীয়া হৈছে। অকল সেয়ে নহয় তেজপুৰৰ ভালুকপুঙত যিটো বন বিভাগৰ ইঞ্চপেকচন বাংলা আছে তাত পুলিচ ফ'চ দিছে। তাৰোপৰি

তেজপুৰৰ চাৰিদুৱাৰলৈকে অৰুনাচলৰ মানুহে ঘৰ নিৰ্মাণ কৰিছে। এইদৰে লক্ষীমপুৰতো এই ঘটনাই ঘটি আহিছে। মই এইখিনিতে এটা পৰামৰ্শ আগবঢ়াও যে ইয়াৰ কাৰণে যাতে এটা সু-ব্যৱস্থা কৰিব পাৰি তাৰ কাৰণে এখন অসমৰ মেপ তৈয়াৰ কৰিব লাগে। এই সম্পৰ্কত মোৰ এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছিল যে মেপ আছে কিন্তু স্কুল কলেজত ব্যৱহাৰ কৰাৰ কাৰণে সম্পূৰ্ণ হোৱা নাই। মই দাবী কৰিছো যে আমাৰ ৰাজ্যৰ চাৰি সীমাৰ এখন মেপ তৈয়াৰ কৰিব লাগে।

আমাৰ মাটিৰ ক্ষতিপূৰণৰ সম্পৰ্কত বহুতো কথা কৈ গৈছে। এই সম্পৰ্কত মই এটা কথা কব বিচাৰিছো যে মাটি অধিগ্ৰহণ কৰে গড়কাপ্তানী বিভাগ, জলসিঞ্চন আৰু ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰন কমিচনে। এইটো বিচাৰ কৰি দেখা গৈছে যে এতিয়াও বহুত লাখ টকাৰ ক্ষতিপূৰণ মানুহ বিলাকক দিব পৰা নাই। সম্পৰ্কীয় বিভাগ বিলাকৰ ওচৰলৈ গলে তেওঁলোকে ৰাজহ বিভাগলৈ পেলাই দিয়ে। আৰু ৰাজহ বিভাগেও সম্পূৰ্ণ ৰিপৰ্ট নহলে একো কৰিব নোৱাৰে। গতিকে এইবিলাক যাতে খেলি মেলি হব নোৱাৰে যি বিলাক মানুহৰ মাটি অধিগ্ৰহণ কৰা হৈছে তেওঁলোকে যাতে ক্ষতিপূৰণ পায় তাৰ ব্যৱস্থা কৰিব লাগে। এই কাৰণে এজন ৰাজহ বিভাগৰ উপদেষ্টা আৰু ফাইনানচিয়েল উপদেষ্টা দি মাটি অধিগ্ৰহণ আৰু ক্ষতিপূৰণৰ সমস্যাটো সমাধান হব বুলি মই ভাবো। আৰু যি সকলৰ ১৫।২০ বছৰে ক্ষতিপূৰণৰ টকা পৰি আছে সেইবিলাক পাব। গতিকে এই ব্যৱস্থা কৰিবলৈ মই চৰকাৰক অনুৰোধ কৰি এই দাবীটো সমৰ্থন জনালো।

শ্ৰীসোণেশ্বৰ বৰা :—অধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিছো। কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিবলৈ মোৰ আগতে আমাৰ নতুন তেজৰ নিজকে প্ৰগতিবাদী বুলি ভবা ডেকা বন্ধু মাননীয় সদস্য শইকীয়া দেৱৰ দুটা কথাৰ মই সমিধান পোনতে দি লব খুজিছো। ৰাজহ আদায়ৰ ক্ষেত্ৰত তেখেতে যি কোনো ব্যৱস্থাকে লৈ মৌজাদাৰী প্ৰথা ৰক্ষা কৰিবৰ প্ৰয়াস তেখেতে কৰিছে। লৰ্ড ডেলহাউচি ৱেলেচলিৰ দিনৰে পৰা চলি অহা এটা প্ৰথাক কেনেকৈনো আজিৰ ডেকা সমাজে প্ৰগতিবাদী, কেনেকৈনো সমাজবাদী প্ৰথা বুলি ভাবিছে মই কব নোৱাৰো।

শ্ৰীলক্ষ্মী কান্ত শইকীয়া ঃ—অধ্যক্ষ মহোদয়, মই নিজকে কেতিয়াও প্ৰগতিবাদী বুলি কব খোজা নাই, কেনেকৈ টকা আদায় কৰিব পৰা যায় তাৰ হে এটা পৰামৰ্শ দাঙি ধৰিছো।

শ্ৰীসোণেশ্বৰ বৰা :—কুঠাৰ এখনৰ ওজন কিমান সেই কথা কুঠাৰখন দাঙি ধৰিলেহে বুজা যায়। প্ৰগতিবাদী ৰাজনীতিৰ নিয়ম তেখেতৰ কথাৰ পৰাই বুজা গৈছে। মই সকলোকে খুৱাই দিব পাৰো বুলি যদি মোৰ নামতে মাটি-বাৰী দিয়াকে সমাজবাদ বোলা হয়, মৌজাদাৰী প্ৰথাই যদি সমাজবাদ হয়, মানুহৰ খোৱাটোৱেই যদি একমাত্ৰ কথা হয়, ৰাজহ উঠুৱাটোৱেই যদি একমাত্ৰ কথা হয় তেনেহলে মই কওঁ মাননীয় সদস্য সকলে প্ৰগতি কি এই কথাষাৰকে বুজি পোৱা নাই। কংগ্ৰেছী সদস্য সকলে —প্ৰগতিবাদী বোলা কথাটো বুজেনে নুবুজে তাত মোৰ সন্দেহ আছে।

(ধ্বনি – চচিয়েলিষ্ট পাৰ্টিৰ সদস্য গৰাকীয়েই প্ৰগতিবাদী কি বুজি পায়)
চচিয়েলিষ্ট পাৰ্টিৰ সদস্যই আৰু প্ৰগতিবাদী বুলি কোৱা কথাষাৰ জানে এইটোও জানে যে পচা সচঁৰ পৰাইহে গজালি ওলায়। কঠিয়া সিচিবলৈ হলে আগতে কঠিয়াখিনি পচাইহে লোৱা হয় তাৰ পিচত সিচি দিলেহে গজালি ওলায়। আজি কংগ্ৰেছৰ বুঢ়াই বোলক বা ডেকাই বোলক, লৰাই বোলক বা যুৱক গাভৰুৱেই বোলক কংগ্ৰেছী কংগ্ৰেছীয়েই, ধান গছত আম কঠাল নালাগে। কংগ্ৰেছ পাৰ্টিৰ কোনো প্ৰগতি নাই বা সমাজবাদ নাই। যেনেকে ধান গছত আম-কঠাল নালাগে তেনেকৈ কংগ্ৰেছীৰ গছত আম-কঠাল নালাগে, কংগ্ৰেছৰ গছত কংগ্ৰেছইহে লাগিব। গতিকে কথা আৰু কাম একেটাই হৈছে। মৌজাদাৰী প্ৰথা যোগে ৰাজহ আদায়ৰ কথাটো প্ৰগতিবাদী কথা হব পাৰেনে? আমি একাধিক বাৰ এই কথাষাৰ কৈ আহিছো যে ৰাজহৰ দায়িত্ব সমাজৰ হাতত দিব লাগে আৰু কংগ্ৰেছ চৰকাৰে মৌজাদাৰী চলাই নিব লাগে মই এইখিনিতে সুধিব খুজিছো যে কোনজন মৌজাদাৰে খাজনা তুলিবলৈ বেগ লৈ যায়? কোনজন মৌজাদাৰে প্ৰকৃততে মৌজাদাৰী কাম কৰে? মই কওঁ কোনেও নকৰে। অধিবেশনৰ পিচত অধিবেশন বহিল, কিন্তু কোনজন কংগ্ৰেছী সদস্যই প্ৰগতিবাদৰ কথা কলে? ১৯৪৮ চনতে গ্ৰহণ কৰা প্ৰগতিবাদৰ কথাকেইজন

কংগ্ৰেছী সদস্যই কলে? মই নিজেই যোৱা সাত বছৰে এই কথাবাৰ কৈ আহিছো। ৰাজহৰ দায়িত্ব দিব'ল কিয় চৰকাৰৰ ভয় লাগে? আচল ভয় হৈছে দেশত থকা সমাজবাদৰ বিৰুদ্ধে অৰ্থনীতিৰ ব্যৱস্থাটো যাবলৈ নিদিয়ে। আচলতে মৌজাদাৰী উচ্ছেদ হবলৈ নিদিয়ে।

অধ্যক্ষ মহোদয়, মাটিৰ বহুতো পৰিবৰ্ত্তনশীল নীতি গ্ৰহণ কৰা হৈছে। ১৯৪৮ চনতে আধিয়াৰ আইন কৰা হল, তাৰ পিচত ভূমিৰ সৰ্বোচ্চ পৰিমাণ ১৫০ বিঘাৰ পৰা ৭০ বিঘা আৰু তাৰ পিচত ৫০ বিঘা কৰা হল মই নিজে কৈছো যে আজি স্বাধীনতাৰ ২৬ বছৰ কালে সমাজবাদী ভূমি আইন হোৱা নাই। মাননীয় সদস্যই এবাৰ কথা কৈছে যে এখন আইনৰ বিৰোধীতা কৰাৰ যথেষ্ট সুবিধা আছে। মাটিগিৰী সকলে বিৰোধীতা কৰে, ৰাজনৈতিক দলে, কোনোবা কৰ্মচাৰীয়ে কৰে, নিজৰ দলত থকা সকলে কৰে, আৰু বিৰোধীদলেও কৰে। গতিকে ইয়াৰ পৰা এইটোৱে প্ৰমাণ হয় যে জনসাধাৰণৰ মনঃপুত নোহোৱা ব্যৱস্থা এটাৰে আইন কৰাৰ কাৰণে ইয়াক কাৰ্য্যকৰী কৰিব পৰা নাই। সচাঁ কথা জনসাধাৰণে গ্ৰহণ কৰিব পৰাকৈ এখন নিখুত আইন আমাৰ চৰকাৰে ৰচনা কৰিব পৰা নাই। জনসাধাৰণে গ্ৰহণ কৰিব পৰাকৈ যিখন আইন ৰচনা কৰা হৈছে সেইখন আইনক মই আইন বুলি নকওঁ। যিখন আইন জনসাধাৰণে গ্ৰহণ কৰিব নোৱাৰে যিখন আইন ৰচনা কৰি বিধান সভাত দাঙি ধৰাৰ পিচতে শাসক পক্ষই বিৰোধীতা কৰে আৰু যিখন আইনৰ ওপৰত চৰকাৰৰ নিজৰে বিশ্বাস নাথাকে, কৰ্মচাৰীৰ বিশ্বাস নাথাকে সেইখন আইন কেনেকৈ আইন হব পাৰে? যিখন আইন জনসাধাৰণে মানি লব পাৰে, চৰকাৰৰ নিজৰ বিশ্বাস থাকে, আৰু চৰকাৰৰ প্ৰতিপালিত কৰ্মচাৰী সকলৰ বিশ্বাস থাকে সেইখন আইন জনসাধাৰণে কেতিয়াও বিৰোধীতা নকৰে। আজি মই বুজি পাওঁ যিসকলৰ সম্পত্তিৰ কাৰণে কেতিয়াও বিৰোধীতা নকৰে। আজি মই বুজি পাওঁ যিসকলৰ সম্পত্তিৰ কথাৰে আইন অনা হয় সেইসকলে বিৰোধীতা কৰিব। কিন্তু আমাৰ সমষ্ট জনসাধাৰণ যদি আইনখনৰ পিচত থাকে তেন্তে কেইজনমান মুষ্টিমেয় ভূস্বামীয়ে তাৰ বিৰোধীতা কৰিলেই যে সেইখন কাৰ্য্যকৰী হব নালাগে সেইটো মই বুজি নাপাও। আজি আমাৰ খেতিয়কৰ বিশ্বাস আছে যে কৃষিয়েই একমাত্ৰ জীয়াই থকাৰ সম্বল তেনেস্থলত কৃষিৰ মাটিৰ কাৰণে কৰা আইনখন

বিদ্ৰোহ কোনাবাই কৰিবনে ? আজি যদি প্ৰকৃত খেতিয়কৰ কাৰণে এখন আইন বিধান সভা বা পাৰ্লিয়ামেণ্টত আনে তেন্তে জনসাধাৰণে তাক সামৰি লব পাৰিলেহেতেন আজি যি আধিয়াৰ আইন কৰা হৈছে সেই আধিয়াৰ আইন থকা স্বত্বেও মাটি উচ্ছেদ কৰি নিজৰ সম্পত্তি ৰক্ষা কৰাৰ ব্যৱস্থা ৰখা হৈছে। ঠিক তেনেকৈয়ে আজি যি কেইখন আইন এতিয়ালৈকে অনা হৈছে বৃটিছৰ দিনৰ লাখেৰাজ নিখেৰাজ খেৰাজ আদি আইন আছিল স্বাধীনতাৰ পিচতো তাকেই অনা কাৰণে মানুহে আজি বিৰোধীতা কৰিছে। আচলতে কোনে আইনৰ দ্বাৰা কোনো খেতিয়কক ৰক্ষ কৰিবৰ কাৰণে, নিৰাপট্টা দিবৰ কাৰণে আইন অনা নাই। জনসাধাৰণক ৰক্ষা কৰিবৰ কাৰণে, জনসাধাৰণক নিৰাপট্টা দিবৰ কাৰণে এখন মাত্ৰ আইন কৰক আৰু সেইখন আইনৰ দ্বাৰা দেশখনৰ বা ৰাজ্যখনৰ সমগ্ৰ খেতিয়কক উপযোগী খেতিৰ মাটি দিয়াৰ ব্যৱস্থা কৰক, সেইখন আইন কেইজন খেতিয়কে বিৰোধীতা কৰে চোৱা যাওক, কেইজন এম এল এই বিৰোধীতা কৰে চোৱা যাওক, কেইজন অফিচাৰে বিৰোধীতা কৰে চোৱা যাওক মই জানো অগনন খেতিয়ক এই আইনৰ পিচত থাকিব। কিন্তু আচলতে দেখা যায় খেতিয়ক ৰাইজৰ কাৰণে এখন পৰিস্কাৰ আইন হোৱা নাই।

আজি পূজিবাদক নাশ কৰাৰ কথা কোৱা হৈছে। কিন্তু এই আইনৰ দ্বাৰা পূজীবাদী নাশ হবনে ? গতিকে এখন ফটফটীয়া আইন কৰি দিয়ক যাৰ দ্বাৰা একমাত্ৰ খেতিয়ক আৰু শ্ৰমিক সকলকহে মাটি দিয়া হব তেনেখন আইনৰ পিচত হেজাৰ হেজাৰ খেতিয়ক থাকিব। ভূস্বামী সকলৰ সম্পত্তি ৰক্ষাৰ কাৰণে কেইজনমান মুষ্টিমেয় মানুহে ইয়াৰ বিৰোধীতা কৰিব। কিন্তু হেজাৰ হেজাৰ কৃষক লোক এই আইনৰ পিচত থাকিব।

কিন্তু চৰকাৰে হাজাৰ হাজাৰ মানুহক ৰক্ষনা বেক্ষন দিব পৰাকৈ চৰকাৰে আইন আনিব পৰা নাই। আমি এনে এখন পৰিস্কাৰ আইন বিচাৰিছো যিখন আইনৰ দ্বাৰা খেতিয়ক সকলৰ উপাৰ্জনৰ পথ দিব পৰা যায় বা তেওঁলোকৰ স্থায়ী বন্দবস্তী হয়। কিন্তু চৰকাৰৰ ফালৰ পৰা সামান্য ভাবেও এই মানুহ বিলাকক স্বীকৃতি দিব পৰাকৈ তেনে কোনো আইনৰ ব্যৱস্থা নাই। যি মানুহে প্ৰকৃততে খেতি কৰিব তেওঁক মাটি দিয়ক। কিন্তু তাকে নকৰি চেক্ৰেটেৰী ডিৰেক্টৰ, এচ, ডি, অ' পদ ওলাইছে বুলি তেওঁলোকে যদি দৰ্খাস্ত কৰে তেওঁলোকে জানো চাকৰি

পাব ? খেতি নকৰা মানুহক যি খেতিৰ ওচৰলৈ মাযায় ৰি পানীত নানামে তেওঁলোকক মাটি দিব পৰাকৈ এই আইন হৈছে। কিন্তু প্ৰকৃততে ইয়াৰ দ্বাৰা জানো সমস্যা সমাধান হব ? আমি অকল বিধান সভাৰ মজিয়াত বক্তৃতা দি থাকিলেই এই সমস্যাৰ সমাধান হব নোৱাৰে। আমি বিচাৰিছো এনেকুৱা এখন আইন আনক যি আইনৰ দ্বাৰা খেতিয়কৰ আয় হয়। আমাৰ ৰাজহ মন্ত্ৰী মহোদয় গাদীত থকা সময়ত আমি এই কথাটো সতৰ্ক কৰি দিছো এই ভূস্বামী সকলৰ পৰা মাটি আদায় কৰাৰ ব্যৱস্থা কৰক। নহলে ইয়াৰ ব্যৱস্থা ৰাইজে লব যি সকলে নিজৰ পৰিশ্ৰমেৰে খেতি নকৰে মই কও সেই সকলৰ নামত এডৰা খেতিৰ মাটিও থাকিব নালাগে। এই সিদ্ধান্ত যদি লব পাৰে আৰু কাৰ্য্যত পৰিণত কৰিব পাৰে তেন্তে মাটিৰ সমাস্যা সমাধান হব আৰু উৎপাদন বাঢ়িব। কিন্তু তাকে নকৰি আমি প্ৰলাপ কৰি থাকো তেন্তে প্ৰলাপ হৈয়ে থাকিব। আমি নিজে দেখিছো আৰু সদস্য সকলেও কৈ গৈছে অৰুনাচলৰ সীমাত থকা সকলে অৰুনাচলৰ কথা কৈছে মিজোৰামত থকা সকলে মিজোৰামৰ কথা কৈছে আৰু নগাৰ সীমাত থকা সকলে নগা সীমাৰ কথা কৈছে। ইয়াৰ কাৰণ হৈছে চাৰিওফালে এই সীমা বিলাক বিবাদমান। এই সীমা বিবাদৰ যদি নিষ্পত্তি কৰিব পৰা নাযায় তেন্তে অসমৰ ৰাজহ বিভাগ তথা আন ক্ষেত্ৰতেই হওক সমস্যা সমস্যা হৈয়ে থাকিব। আজি অসম খনৰ মাটিলৈ চাওক ব্ৰহ্মপুত্ৰৰ নানা নদ নদীত কিছু মাটি গল। ৭৫০খন বাগিচাত কিছু মাটি গল, ট্ৰাইবেল বেল্টৰ নামত কিছু মাটি গল, ৰিৰ্জাভৰ নামত কিছু গল মাত্ৰ কাষে কাষে অলপ মাটি থাকিল খেতিৰ কাৰণে। তাৰো আকৌ তাতো ৰেল লাইন আছেই। সিদিনা ৰাজহ মন্ত্ৰী ডাঙৰীয়াই কৈছে যে শতকৰা ৩৩ ভাগ মাটি বনবিভাগৰ কাৰণে থাকিব লাগে। নহলে জলবায়ু নোহোৱা হব। আৰু কিছু অংশ আমি ভবিষ্যত পুৰুষৰ কাৰণে ৰাখিব লাগিব। ইও এটা কথা হব পাৰেনে ? অসমৰ চাৰিওফালে পৰ্বত পাহাৰে ভৰি আছে। অৰুনাচল, মেঘালয়, মিজোৰাম আদি। এই পাহাৰ পৰ্বতবিলাক থাকোতে আমি আকৌ নতুনকৈ কিয় হাবি জংঘল কৰিব লাগিছে ? আমাৰ পো-জীসকলে দেখোন এই জলবায়ু পাবই। গতিকে শতকৰা ৩৩ভাগ মাটি কি যুক্তিৰ কাৰণে ফৰেষ্ট কৰি ৰাখিব লাগে বুলি কৈছে মই কব নোৱাৰো। ইফালে আমাৰ

৭৫০খন চাহ গছৰ বাগিচাৰ কত ধৰণৰ চাহ গছ আছে। এইবোৰেও অসমৰ জলবায়ুত নিশ্চয় সহায় কৰি আছে। এই মাটিবিলাক শতকৰা ৩৩ ভাগত ধৰিব পাৰি। এই ধৰণে যদি খেতিৰ মাটি বঢ়োৱা নহয় তেন্তে আমাৰ খেতিয়কে মাটি কত পাব? গতিকে চৰকাৰৰ এই ভুল প্ৰগতি পৰিবৰ্তন কৰিব লাগে। অকল বৰষুনৰ কাৰণে আজি বাট চাই থাকিব লগা হৈছে কিন্তু মাটিৰ তলতো পানী পায়। অধ্যক্ষ মহোদয় পানী যোগানৰ ক্ষেত্ৰত আমি এই নতুন দিশ বিলাক চিন্তা কৰি চোৱা উচিত। অধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ কথা বাৰে বাৰে কোৱা হৈছে আৰু কোৱা হৈছে যে ১৯৫০ চনত যি ভূমিকম্প হল তাৰ ফলত ব্ৰহ্মপুত্ৰৰ তলি ভাগ উঠি আহিছে আৰু ফলত বানপানীৰ সৃষ্টি হৈছে। আৰু সেই কাৰণে ড্ৰেজাৰ আনি ব্ৰহ্মপুত্ৰৰ তল ভাগ খন্দাৰ কথা কৈছে। অধ্যক্ষ মহোদয়, আজি ৫০ বছৰে অসম বাসীয়ে এই আশালৈ জীয়াই আছে যে ইয়াৰ এটা তৎকালীন ব্যৱস্থা হব। মই অবশ্যে নিজে ইঞ্জিনিয়াৰ নহও কিন্তু ৰাজনৈতিক দৃষ্টি কোণৰ পৰা কব পাৰো অসমৰ ইমূৰৰ পৰা যদি সিমূৰলৈ নৈ বিলাক নিয়ন্ত্ৰণ কৰা হয় তেন্তে ব্ৰহ্মপুত্ৰ নিজে নিজে নিয়ন্ত্ৰিত হব। তাকে নকৰি ড্ৰেজাৰ আনি ইয়াত ঠিয় কৰাই দিলেই ব্ৰহ্মপুত্ৰ খন্দা নুবুজায় আৰু ৰাইজৰো উপকাৰ নহয়।

অধ্যক্ষ মহোদয়, মই সিদিনাও কৈছিলো আৰু আজিও কও যে আমাৰ যি বিলাক সীমান্ত অঞ্চল সেই সীমান্ত অঞ্চল বিলাকত থকা উপায়ুক্ত বা মহকুমাধিপতিকে দায়িত্ব দিয়াৰ ব্যৱস্থা নাৰাখি সীমান্তৰ কাৰণে যি যি ঠাইত দৰকাৰ একোজন প্ৰথম শ্ৰেণীৰ দণ্ডাধীশ ৰাখি এটা প্ৰশাসনীয় শাখা খুলিব লাগে। যাতে বাহিৰা ৰাজ্যৰ মানুহ পুলিচ ইত্যাদি আৰু আমাৰ সীমান্তত বেদখল কৰিব নোৱাৰে। সিদিনা ভালুক পুংলৈ কৃষি মন্ত্ৰী শ্ৰীদাস ডাঙৰীয়া যাওতে পাচ লব লগীয়া হল। লগত আমাৰ শইকীয়া ডাঙৰীয়াও আছিল। আকৌ সিদিনা আমাৰ শ্ৰীউত্তম ব্ৰহ্ম ডাঙৰীয়া ভূটানলৈ যাবলৈ গৈ ঘূৰি আহিব লগা হৈছে পাচ নোহোৱা বাবে। এইটো বৰ দুখৰ কথা নহয় নে? নিজৰ মন্ত্ৰীজন নিজৰ ঠাইলৈ যাব নোৱাৰে। আজি আমি নিজৰ ঘৰতে আলহি হৈছো। নগাৰ লগত সদায় লাগি আছে। মই সিদিনাও কৈছিলো যে নতুন অসম চৰকাৰ হোৱাৰ লগে লগে যোগা যোগ কৰিব লাগে। সিদিনা আকৌ শ্ৰীহিৰেন

নামৰ এজন মানুহক ধৰি নিছে। যোৱা ১৪ তাৰিখে বাহাদুৰ নাৰ্জাৰি আৰু দুজন লোকক নগাই ধৰি নিছে দিন দুপৰতে। যোৱা কালি এক বজাত যেতিয়া মই গোলাঘাট মহকুমাধিপতিৰ লগত এই কথা আলোচনা কৰি আছিলো তেখেতে দিন নে ৰাতি কবই নোৱাৰিলে।

দুজন মানুহ নগাই ধৰি নিলে অথচ কব নোৱাৰে দিনতেই নিলেনে ৰাতিয়ে নিলে। প্ৰশাসন এনেদৰে চলিছে যে সেই স্থানত থকা মানুহ বিলাকে কত কি ঘটিছে কবই নোৱাৰে নগাই ধৰি নিয়া মানুহৰ ভিতৰত দুজন মানুহ এবাই আহিছে। কিন্তু বাকী বিলাকৰ অৱস্থা কি হৈছে একো নাজানো। মহকুমাধিপতি জনে কলে যে এচ ডি পি অ জন ঘূৰি নহালৈকে তেখেতে একো কব নোৱাৰে। আজি গোলাঘাট মহকুমাৰ দয়াং, ৰেংমা আৰু শিৱসাগৰ জিলাৰ ৰাকদোঙা দিচৈ গেলেকি আদি বনাঞ্চল বিলাকৰ প্ৰশাসনৰ কাৰণে ডিভিজিয়ন খুলিব লাগে। সেই-দৰে মাননীয় সদস্য শইকীয়াই কোৱাৰ দৰে যি বিলাক সীমান্ত অঞ্চলত গোলমালৰ সৃষ্টি হৈ আছে অৰুনাচলৰ দ্বাৰা সেইবিলাকতো একোটা বেলেগ ডিভিজিয়ন বহুৱাব লাগে মই আগতেও কৈ আহিছো আৰু এতিয়াও কৈছো যে এই সংক্ৰান্তত ইজৰাইলৰ পলিচি লব নালাগে। আমাৰ সীমাত বেলেগ ৰাজ্যৰ মানুহে ঘন ঘনকৈ মানুহ বহুৱাই দিছে। ৰামসিংহই লাচিত বৰফুকনৰ প্ৰভাৱ দেখি কৈ গৈছিল যে এজন অসমীয়া মানুহে বন্দুক চলাব পাৰে, নাও চলাব পাৰে আদি একোজন মানুহে সকলো বিলাক কাম কৰিব পাৰে সেই জনেই অসমীয়া গতিকে আমাৰ ফালৰ সীমান্তত উপযুক্ত বলী মানুহ বহুৱাব লাগে। আৰু তেওঁলোকক বন্দুক আদিৰ শিক্ষা দিব লাগে। এই বিষয়ে মুখ্য মন্ত্ৰীৰ লগত আলোচনা কৰোতে তেও কৈছিল যে মানুহ সীমান্তত বহুৱাবলৈ গলে বহুত বেচি খৰচ পৰে। তেতিয়া তাত পুলিচ মিলিটাৰী ৰাখিব লাগে। Expunged as Ordered by the Speaker. আমাৰ দেশৰ চাৰি সীমা কেনেকৈ ৰক্ষা কৰিব পৰা যায় সেইটো চাব লাগে।

শ্ৰীপৰমানন্দ গগৈ :—মাননীয় সদস্যক এটা অনুৰোধ কৰিব পাৰোনেকি যে আমি কিছুমান কথা গোপনীয় ভাবে আলোচনা কৰো আৰু সেই বিলাক কথা সদনত উত্থাপন নকৰাই ভাল। কাৰণ এই আলোচনাৰ দ্বাৰা দাতি কাষৰীয়া ৰাজ্য বিলাকত এটা বিৰোধ প্ৰতিক্ৰিয়া হব পাৰে।

শ্রীসোণেশ্বৰ বৰা :—মই কৈছো যে আমাৰ সীমান্ত ৰক্ষা কৰিবৰ কাৰণে আৱশ্যকীয় সকলো বিলাক ব্যৱস্থা কটকটিয়া কৰিব লাগে। আমাৰ মানুহক ৰক্ষা কৰাৰ দায়িত্ব চৰকাৰৰ হাতত।

অধ্যক্ষ মহোদয়, চৰকাৰৰ মাটি নীতি পৰিবৰ্ত্তন কৰিব লাগিব। উত্তিয়া পদ্ধতিৰে আমাৰ ৰাজহ বঢ়াব পাৰিবই লাগিব। গতিকে ভূমি নীতিৰ আমূল পৰিবৰ্ত্তনৰ কাৰণে যদি কোনোবা মন্ত্ৰী বা এম এল এ ওলাই যায় তেনেহলে যাওক। আমাক কেৱল এইটোৱেই সীদ্ধান্ত লাগে যে খেতিৰ মাটি কেৱল খেতিয়ক সকলেই পাব লাগে। এই ব্যৱস্থা হলেহে মাটিৰ সমস্যা সমাধান হব।

শ্রীউপেন সনাতন : মাননীয় অধ্যক্ষ মহোদয়, ৰাজহ বিভাগৰ ফালৰ পৰা যিটো মাটি হীন লোকক মাটি দিয়াৰ কাৰণে চৰকাৰে নীতি লৈছে সেইটোৰ কাৰণে মই চৰকাৰক ধন্যবাদ জনাইছো। যিহেতুকে অন্য ৰাজ্যৰ লগত আমাৰ ৰাজ্যৰ সীমা বিবাদ আছে। আমাৰ খেতিকৰা মাটি বিলাক কেইবাপ্ৰকাৰেও নষ্ট হৈ আছে। প্ৰথমতে আমাৰ ৰাজ্যৰ ওপৰত ভগবানৰ কি শাও পাত পৰিছে কব নোৱাৰো শদিয়াৰ পৰা ধুবুৰীলৈকে ব্ৰহ্মপুত্ৰই দুয়োপাৰ খহাই দিয়াৰ ফলত আমাৰ বহুত বিলাক খেতিৰ মাটি নষ্ট হৈছে। ২নং ডিব্ৰুগড়ৰ পৰা যিটো তেলৰ পাইপ লাইন গৈছে সেইটোৰ কাৰণেও আমাৰ বহুত মাটি নষ্ট হৈছে। ৩নং আমাৰ প্ৰতিৰক্ষাৰ ফালৰ পৰা অসমৰ বহুত ঠাইত মাটি অধিগ্ৰহণ কৰিছে। ৪নং ১৯৫০ চনৰ ভূমিকম্পত বহুত বিলাক মাটি দ হৈ যোৱাৰ ফলত সেই বিলাকত পানী থকাৰ কাৰণে সেই বিলাক মাটি খেতিৰ কাৰণে অনুপযোগী হৈছে। ইমান সমস্যাৰ পিচতো আমাৰ চৰকাৰে মাটি উলিয়াই মাটি হীন খেতিয়কক মাটি দিয়াৰ কাৰণে যি আচনি লৈছে তাৰ কাৰণে চৰকাৰক ধন্যবাদ জনাইছো।

চাহ শিল্পটো অসমৰ কাৰণে এটা ডাঙৰ শিল্প। আমাৰ চাহৰ ওপৰত, আমাৰ তেলৰ ওপৰত ভাৰতবৰ্ষ বহুতখিনি নিৰ্ভৰ কৰে। আজি আমাৰ বন্ধু সকলে যি বিলাক কথা কৈছে সেই বিলাকৰ কাৰণে অকল চৰকাৰেই যে দোষী সেইটো নহয়। আমাৰ চৰকাৰে বহুত দিনৰ পৰাই কিছুমান আচনি গ্ৰহণ কৰি আহিছে। তাৰ ভিতৰত এটা হৈছে জমিদাৰ সকলে যি বিলাক মাটি দখল কৰি ৰাখিছে

সেই বিলাক মাটি তেওঁলোকৰ পৰা আনি মাটিহীন মানুহৰ মাজত বিতৰণ কৰি দিয়া হব। কিন্তু আজি যদি শদিয়াৰ পৰা ধুবুৰীলৈকে বস্তি জুলাই চায় তেনেহলে দেখিবলৈ পাব যে কোনো এজন মাটিৰ মালিকৰ পৰা মাটি আনি কোনো ছুখীয়া মানুহক দিয়া নাই। মাটিৰ মালিক সকলৰ ভীষণ বুদ্ধি। চৰকাৰে আইন কৰাৰ লগে লগে মাটিৰ মালিক সকলে তেওঁবিলাকৰ মাটিবিলাক যাতে চৰকাৰৰ আইনত যাব নোৱাৰে তাৰ কাৰণে তাৎকালীন ব্যৱস্থাৰে সকলো বিলাক মাটি নিজৰ আত্মীয় স্বজনৰ নামত ভৰাই ৰেজিষ্টাৰ কৰি পেলায় যাৰ ফলত চৰকাৰে এবিঘা মাটিও সেই সকল মাটিৰ মালিকৰ পৰা উলিয়াব নোৱাৰে। এইবিলাক কথাও চৰকাৰে চিন্তা কৰিব লাগিব। কেৱল আমাৰ চৰকাৰ পক্ষটোক সমালোচনা কৰি থাকিলেই নহব। মোৰ এজন মাননীয় সদস্য বন্ধুৱে কৈছে যে, আমাৰ চাহবাগান বিলাকতো বহুত বিলাক মাটি আবদ্ধ হৈ আছে। এই ক্ষেত্ৰত মই কওঁ যে, চাহবাগান বিলাকত অতিৰিক্ত মাটি কিছু নেৰাখিলে তাত কিছুমান বেমেজালি আছে। কিয়নো প্লেন্টেৰৰ কৰাৰ তিনিবছৰৰ পিছতহে চাহপাত প্লাকিং কৰিব পৰাহয়। গতিকে এই তিনিবছৰৰ কাৰণে এঠাইত চাহপাত কৰিলে তাৰ যি বিলাক বনুৱা আছে সেই সকলক থকামেলাৰ ব্যৱস্থা কৰিব লাগিব। এঠাইত চাহপাত কৰিলে আন ঠাইতো অলপ মাটি ৰাখিব লাগিব যাতে এঠাইত চাহপাত কাটিবৰ হয় মানে তত চাহপাত আকৌ লগাব পৰা যায়। যিহেতুকে একে সময়তে সকলো জেগাতে চাহপাত কাটিব পৰা নহয় সেইকাৰণে অলপ অতিৰিক্ত মাটি চাহবাগান বিলাকত ৰাখিবই লাগিব। কিছুমান চাহ বাগানত কিছু মাটি আছে যদিও কিছুমান বাগানত মানুহ মৰিলেও তাক পেলাবলৈ কোনো জেগা আদি নাই। যিবিলাক বাগানৰ পৰা বা অন্যান্য জেগাৰ পৰা যিবিলাক মাটি চৰকাৰে চিলিং আইনৰ যোগেদি পাইছে সেই বিলাক মাটি সোনকালে আমাৰ মাটিহীন লোক সকলৰ মাজত ভাগ কৰি দিলে আমাৰ সন্মুখত যিটো সমস্যা আহিছে সেই সমস্যাটো সমাধান কৰিব পৰা যাব। আজি বহুত দিনৰ পৰাই কিছুমান বনুৱাই মাটি আদি চাফা কৰি তাত বসবাস কৰি আছে। সেইবিলাক মাটি পট্টা আদি দিবৰ কাৰণে চৰকাৰৰ ওচৰত নানান আবেদন নিবেদন আদি কৰি থকা হয়। কিন্তু তাৰ কোনো কাম নহয়। বাগান লবলৈ লাইচেঞ্চ নোপোৱাকৈয়ে চিত্ৰনলাৰ খেতি আৰম্ভ

কৰি দিছে। যিবিলাক মাটিত মানুহে আগতে ধান আদিৰ খেতি কৰি খাই আছিল তাত এতিয়া এই সকল লোকে চিত্ৰনলাৰ খতি কৰি আছে। মুঠৰ ওপৰত যিটো দেখা গৈছে যে, যি বিলাক মাটি আমাৰ জন সাধাৰণৰ হাতত আছে সেইবিলাক মাটিও তেওঁলোকৰ হাতৰ পৰা গুলাই যাব ধৰিছে। এইটো যাতে হব নোৱাৰে তাৰ কাৰণে চৰকাৰক মই অনুৰোধ কৰিছোঁ। বিলাতলৈ যোৱা নাই যদিও আমি শুনিবলৈ পাইছো যে, তাৰ মানুহবিলাকে মাটিৰ অভাৱত পানীত থাকিব লগা অৱস্থা আৰু ভাৰা ঘৰতেই বেছি ভাগ মানুহ থাকে। কিন্তু সেই মানুহ বিলাক সকলো বিদ্যাতে ইমান আগবঢ়া যে, তেওঁলোকে নানান বেহা-বেপাৰ কৰিয়েই আমাৰ মানুহ বিলাকতকৈ বেছি ভালকৈয়ে জীৱন নিৰ্বাহ কৰিব পাৰিছে। কিন্তু আমাৰ দেশখনৰ মানুহ বিলাক বিশেষকৈ এই বনুৱা আদিৰ শ্ৰেণীৰ মানুহ বিলাক ইমান আগবঢ়া নহয় যাৰ কাৰণে তেওঁ বিলাকে নানান বিদ্যাৰে উপাৰ্জন আদি কৰি জীৱন নিৰ্বাহ কৰিব পাৰে। গতিকেই জীৱন নিৰ্বাহৰ কাৰণে তেওঁবিলাকক অলপ মাটি নিশ্চয় লাগিবই। সেই মাটিতে তেওঁ-লোকে অভ্যাস মতে কোৰ কোদাল আদি মাৰি খেতি বাতি আদি কৰিব আৰু তাকে নহলে অন্য লোকৰ তাত কাম বন আদি কৰিও কিছুমানে দুই এপইছা উপাৰ্জন কৰে। এই বিলাক কাৰণতে পৃথিবীৰ অন্য উন্নত ঠাই বিলাকৰ তুলনাত এই মানুহ বিলাক অতিপাত দুখীয়া হৈ গৈছে। উন্নত প্ৰণালীৰে যেতিয়া এবিঘা মাটিতে পাচ বিঘা মাটিৰ সমান উৎপাদন কৰিব নোৱাৰালৈকে আমাৰ মানুহৰ অৱস্থা এনেকুৱা হৈয়ে থাকিব। অধ্যক্ষ মহোদয়, আপোনিও জানে যে, উদাহৰণ স্বৰূপে আমাৰ ডিব্ৰুগড় কথাকে কওঁ। তাত থকা বনুৱা এজনে দিছপুৰত অসমৰ নতুন ৰাজধানী হৈছে বুলি কলেও এইখন চাবলৈ আহিব নোৱাৰে। কিয়নো কেৱল মাত্ৰ চাহবাগানতেই তেওঁবিলাকে জন্ম গ্ৰহণ কৰি তাতেই কাম বন কৰি বুঢ়া হৈ গৈছে। বাহিৰত কত কি আছে তেওঁবিলাকে একো কব নোৱাৰে। আনকি আগতে যি বিলাক মানুহ বাহিৰৰ পৰা আহিছিল যদিও এতিয়া সেই জেগা বিলাক কত সেই সকলো বিলাক পাহৰিলে। গতিকে চাহবাগানত কাম কৰিব নোৱাৰা অৱস্থা হওঁতে তেওঁবিলাক এতিয়া কলৈ যাব। গতিকে তেওঁ-বিলাক থকা জেগাতে খেতি বাতি কৰি থাকিবৰ কাৰণে অন্তত অকনমান হলেও মাটি তেওঁবিলাকে পাব লাগিব।

কিন্তু এতিয়া সেই চাহ বাগান সমূহৰ বনুৱাবিলাকে বুঢ়া বুঢ়ী হৈ আছে খেতি কৰিবৰ কাৰণে এডবা মাটিও নাই। যদি এটুকুৰা মাটি খেতি কৰিবলৈ নাপায়, আনকি ঘৰ এটা কৰি থাকিবলৈও মাটি এডবা নাই তেনে অৱস্থাত কোন ঠাইত তেওঁলোক থাকে? কিয়নো কেৱল হাকিম হলেই মানুহ নহয়, ৰাস্তাৰ কাষত থকা মানুহ জনকো মানুহ বুলি কব লাগিব।

( নহয় নহয় : ভইচ )

মই কৈছো হয় বুলিয়েই। মজদুৰ সকলৰ বহিবলৈ ঠাই নাই। মাটি এটুকুৰা নাই ঘৰ এটা সাজি থাকিবলৈ। সেই কাৰণে এই দৰিদ্ৰ সকলৰ ঘৰ এটা সজাৰ নিম্নতম জীৱন নিৰ্ব্বাহৰ কাৰণে এটুকুৰা মাটি দিয়া প্ৰয়োজন। মই চৰকাৰৰ ওচৰত অনুৰোধ জনাও যেন তেওঁলোকলৈ দৃষ্টি দিয়ে। অধ্যক্ষ মহোদয়, মোক পাচ মিনিট কবলৈ দিলেই আৰু পাচ মিনিট কওঁ।

অধ্যক্ষ :—আপুনি দহমিনিট কলে।

শ্ৰীউপেন সনাতন :—গতিকে পুনৰ অনুৰোধ জনাইছো মুখ্য মন্ত্ৰী আৰু ৰাজহ মন্ত্ৰীৰ ওচৰত যেন সেই লোক সকলৰ কাৰণে অলপ চায়। কিয়নো মাটিৰ দাম সোনৰ দামৰ দৰে দিনক দিনে বাঢ়ি গৈছে। পিচলৈ আৰু ই সমস্যা হিচাবে থিয় হব। পিচলৈ কষ্ট বেছি কৰাতকৈ এতিয়াই এই লোক সকলৰ কাৰণে দৃষ্টি দিবলৈ মই চৰকাৰৰ ওচৰত অনুৰোধ জনালো। ডিব্ৰুগড়ৰ ৰংজুলী মৌজাৰ ওচৰত বানপানী কাৰণে মানুহৰ মাটি নোহোৱা হৈছে খেতি পথাৰ নষ্ট হৈছে। চাহ বাগানৰ ডেকাগাভৰু বিলাকে খেতি কৰিবলৈ মাটি নাই। এই লোক সকলক অতি সোনকালে মাটি পট্টন দিয়াৰ কাৰণে চৰকাৰৰ ওচৰত অনুৰোধ জনালো। অন্ততঃ পক্ষে ১-২ বিঘা হলেও মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে। এই খিনিকে কৈ মই কাটমোচনৰ বিৰোধীতা কৰিছো আৰু চৰকাৰৰ যিটো মঞ্জুৰী সেইটো সমৰ্থন কৰিছো।

শ্ৰীপৰমানন্দ গগৈ :—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে ৰাজহৰ শিতানত যিটো দাবী তাৰ সমালোচনা কৰোতে অনেক সুপৰামৰ্শ আগবঢ়াইছে, তাৰ কাৰণে মই তেখেত সকলক ধন্যবাদ দিছো। এই সুপৰামৰ্শ দিয়াৰ গতে

এই সংক্ৰান্ততে দুই একাষাৰ কটু বাক্যও কৈছে আৰু তেখেতসকলে এইটো আমাৰ প্ৰতি অন্যায় কৰিছে বুলি মই ভাবো, যে চৰকাৰ শুই আছে, আৰু কোনোৱে কৈছে শুই থকা নাই সাৰে থাকিও শুই থকাৰ ভাও ধৰিছে এইটো সত্য নহয়।

( ভইচ : কোনটো সত্য নহয় )

আমাৰ ৰাজহ বিস্তাৰ ভূমি সংস্কাৰ আইন সমূহ কাৰ্যাকৰী কৰিবৰ কাৰণে যৎপৰানাস্তি চেষ্টা কৰিছো ৰাজহ বিভাগৰ যি সকল বিষয় আৰু কৰ্মচাৰী আছে তেখেতসকলৰ মাজতেই চৰকাৰী নীতি মানি নলৈ বিৰোধীতা কৰি বা প্ৰগতিবাদী নীতি মানি লোৱা নাই এইটো কব নোৱাৰো কিন্তু এইটো কথা সত্য নহয় যে ৰাজহ বিভাগৰ বিষয়া কিছুমানে চৰকাৰে কাৰ্য্যকৰী কৰিব খোজা ভূমি নীতিৰ বিৰোধীতা কৰিছে। তেখেতসকলৰ এটা শকট অংশই এই ৰাজহ ভূমি সংস্কাৰ আইন কাৰ্য্যকৰী কৰিবৰ কাৰণে আপ্ৰাণ চেষ্টা কৰি আছে আৰু যি সকলে চৰকাৰে কৰিব খোজা সংস্কাৰৰ চেষ্টা কৰা নাই, তেখেতসকলে কাম কৰা নাই বুলি কোৱা কথাষাৰ সত্য নহয়।

মহোদয়, আপুনি জানে যে ৰাজহ ভূমি সংস্কাৰ কাৰ্য্যকৰী কৰিবলৈ যাওঁতে অসম ৰাজ্যখনৰ যি অৱস্থা সেই অৱস্থাত আমি কিছু সমস্যাৰ সন্মুখীন হবলগীয়া হোৱা যে নাই সেইটো নহয়। আমি ভালেখিনি সমস্যাৰ সন্মুখীন হৈছো। সেই সমস্যা বিলাকৰ ভিতৰত হৈছে ভূস্বামী সকলৰ এটা মনোভাব। বহুতে ভাবিছে যে চৰকাৰে এই আইন অনুসৰি যদিও কিছুমান প্ৰয়োজন হবলগীয়া হয় তেনেহলে ভবিষ্যতে তেওঁলোকৰ যিটো ভূমিখণ্ডৰ ওপৰত অধিকাৰ থাকিব সেই অধিকাৰ চৰকাৰে উঠাই লৈ যাব। এই সম্পৰ্কে এটা প্ৰচাৰ চলা কথাটো সচা। আৰু সেই প্ৰচাৰৰ ফলত যি সকলৰ মাটি আছে সেই সকল লোকে চৰকাৰৰ ভূমিসংস্কাৰ আইনৰ বিৰোধীতা কৰিব এনে ভাৱেই লৈছে। কিন্তু পাচ বা ছয় বিঘা মাটি থকা ভূস্বামীয়ে হয়তো বিৰোধীতা নকৰিব যদিও পাচ বিঘাৰ কাৰণে ৰায়তৰ লগতহে সম্পৰ্ক ৰাখে। সেই ধৰণৰ মানুহখিনি সমাজৰ ক্ষুদ্ৰতম অংশহে মাথোন। যিখিনি ধনী নহয়, মহাজন নহয়, জমিদাৰো নহয়, কিন্তু তেওঁলোককো চৰকাৰৰ ভূমিনীতিৰ বিৰোধীতা কৰিবলৈ কিছুমান লোকে প্ৰৰোচনা কৰিব। তেনে ক্ষেত্ৰত এইটো কেনেকৈ কাৰ্য্যকৰী কৰিম বুলি

ভাবিছো সেই সম্পৰ্ক প্ৰশ্নোত্তৰ প্ৰসঙ্গত আগতেই কৈ অহা হৈছে। আৰু আমাৰ মাননীয় সদস্য শ্ৰীদেবেন বৰা ডাঙৰীয়াই কৈছে যে অকল চৰকাৰেই আইন কাৰ্য্যকৰী কৰিব নোৱাৰো, তাৰ বাবে ৰাইজৰ সহযোগীতা প্ৰয়োজন দল-মত নিৰ্ব্বিশেষে। এইটো সত্য। দ্বিতীয়তে ৰাইজৰ

(ভইচ : ৰাইজে অসহযোগীতা কৰিছে নেকি ?

শ্ৰীবদন তালুকদাৰ ডাঙৰীয়াই তেখেতৰ কৰ্তন প্ৰস্তাৱ দাখিল কৰি কৈছে যে ৰাজহ আইন পৰিবৰ্তন হৈছে, বৃটিচ যুগৰে পৰা চলি অহা ৰাজহ আইন পৰিবৰ্ত্তন হৈছে সেই দিশতো চৰকাৰে চিন্তা কৰি আছে। কিন্তু এই বিষয়টো ইমান উজু নহয় যে তৎক্ষণাত এইটো সমাধান কৰিব পৰা হব, এইটো উপযুক্ত সময়তেই পৰিবৰ্ত্তনৰ কাৰণে চৰকাৰে চেষ্টা কৰিছে। মাননীয় সদস্য কেহোৰাম হাজৰিকাই কিন্তু আজিও আহোম যুগৰ উপাধি হাজৰিকা হৈয়েই আছে। সেই আহোম যুগৰ সামন্তবাদী উপাধি। দ্বিতীয়তে এই সম্পৰ্কে আমি চিন্তা কৰিছো কিন্তু—

শ্ৰীগিয়াচুদ্দিন আহমেদ :—এটা স্পষ্টীকৰণ বিচাৰিছো। বৰ্ত্তমান চৰকাৰ বৃটিচ যুগৰ সাম্ৰাজ্যবাদৰ উত্তৰাধিকাৰী বুলি ভাবে নেকি ?

শ্ৰীপৰমানন্দ গগৈ :—মই এই ভবা নাই। পৰিবৰ্তন সাধন কৰিব খুজিছো। ২৫ বছৰ লাগিব পাৰে নালাগিব পাৰে আৰু হয়তো এবছৰৰ ভিতৰত হব পাৰে সেই বিলাক মতামতৰ কথা। যোৱা ২৫ বছৰে কি কাম কৰিলো তাৰ কৈফিয়ৎ চৰকাৰে দিব লাগিব। কাৰণ যোৱা ২৫ বছৰে পাৰ্টিয়ে শাসন কৰি আছে। অসমৰ ৫ ভাগৰ একাংশ বিচাৰি আন্দোলন হৈছিল, কিন্তু সি কাৰ্য্যকৰী নহল। মই এম, এল, এ হৈ থকা অৱস্থাত ভূমি সংস্কাৰ আইনখন আনিবৰ সময়ত বাচি বাচি দলৰ সদস্য সকলৰ লগত ৰাজহ মন্ত্ৰীয়ে আলোচনা কৰিছিল। তেতিয়া কিছুৱে সৰ্ব্বোচ্চ সীমা ১শ বিঘা হব লাগে বুলি কৈছিল। এই বিষয়ে চৰকাৰে সদায় চিন্তা কৰি আছে। ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত কৈছে যে মৌজাদাৰী প্ৰথা এটা সামন্তবাদী প্ৰথা। আমাৰ মৌজাদাৰ সকলৰ ৰাজহ সংগ্ৰহ অৱস্থা সন্তোষজনক নহয় তথাপিতো তহশীলাৰী ব্যৱস্থাতকৈ উচ্চতম হৈছে। ৰাজহ

সংগ্ৰহ ৰাইজে কৰিবনে পঞ্চায়তে কৰিব নে মৌজাদাৰী ব্যৱস্থামতে কৰিব নে তহশীলদাৰী ব্যৱস্থা মতে কৰিব তাৰ কাৰণে সমীক্ষা চ...াবৰ ব্যৱস্থা কৰা হৈছে। এই সমীক্ষাৰ পিচত ব্যৱস্থা লম। শ্ৰীগিয়াচুদ্দিন আহমেদ ডাঙৰীয়াই কৈছে যে তাত থকা ৰায়তক অত্যাচাৰ কৰা হৈছে। এই কথাষাৰ সত্য। এই বিষয়ে চিন্তা কৰিছিলো। শেষত তেখেতে কৈছিল যে যদি ৰায়তী স্বত্ব অধিকাৰ সাব্যস্ত কৰা নহয় তেন্তে তেওঁলোকৰ ওপৰত অত্যাচাৰ চলি থাকিব। মই বা মুখ্য মন্ত্ৰীয়ে এই সংক্ৰান্তত আশ্বাস দিয়া কথাটো সচা। কিন্তু ইতিমধ্যে সিদ্ধান্ত কৰিলো যে গোৱালপাৰা জিলাত থকা প্ৰজাতন্ত্ৰ আইনখন বাদ দি তাৰ ঠাইত অসমত চলি থকা ৰাজহআইনখন প্ৰয়োগ কৰা হওক। আমাৰ উদ্দেশ্য আছিল বিলম্ব নকৰাকৈ যাতে অসমত চলি থকা আইনখনে ৰায়ত সকলক ঢুকি পায়। তেওঁলোকক ৰেকৰ্ড অব ৰাইট দিয়াৰ হুকুম জাৰি কৰিব লাগিব। সেই কাৰণে তেখেতক যি আশ্বাস দিছিলো তাক ৰক্ষা কৰিব নোৱাৰি দুখিত। তাৰ পৰিপূৰক ব্যৱস্থা হিচাবে আমি এনে ধৰণে কৰিছো।

শ্ৰীগিয়াচুদ্দিন আহমেদ :—মই এটা স্পষ্টিকৰণ বিচাৰিছো যে আগৰ ব্যৱস্থা ৰিপিল কৰি অসমত চলি থকা আইন প্ৰয়োগ কৰোতে বহুত পলম হব। গতিকে চাৰ্ভে আদি আগতে কৰিব পাৰিলেহেতেন বৰ্তমান চিন্তা কৰা মতে ৰেকৰ্ড অব ৰাইট দিওতে দিওতে টিনেণ্ট মৰি শেষ হৈ যাব।

শ্ৰীপৰমানন্দ গগৈ :—তেখেতে যিমান দীঘলীয়া কৰি কলে আচলতে তেনে নহয়। এই ক্ষেত্ৰত আমি ব্যৱস্থা গ্ৰহন কৰিম। শ্ৰীপ্ৰেম বৰা ডাঙৰীয়াই কৈছে যে বৰ্ড অৰ ৰেভিনিউ পুনৰ গঠন কৰিব লাগে। ইয়াৰ কাম কৰিবৰ কাৰণে আমি চিন্তা কৰি আছো। শ্ৰীতুলাল বৰুৱা ডাঙৰীয়াই যি চাৰিশ ঘৰ পৰিয়ালৰ দুৰৱস্থাৰ কথা কলে আমিও তাৰ বাবে দুখিত। তেওঁলোকক পুনৰ বসতি দিবৰ কাৰণে চৰকাৰে ১২ বছৰে চেষ্টা চলাইছেনে নাই মোৰ মনত পৰা নাই। এই বিষয়ত মই অনুসন্ধান কৰিছো। শিলিখাগুৰি বাগানৰ মাটি অধিগ্ৰহন কৰিবৰ কাৰণে চেষ্টা চলাই আছো। এই সম্পৰ্কে কোম্পানিৰ লগত আলোচনা চলাই আছো। গোহাইগাৱঁৰ মানুহখিনি অস্থায়ী ভাবে বহিৰৰ কাৰণে নামাঞ্জুৰ কৰিছে। আমি স্থায়ীভাবে বসতি দিবৰ কাৰণে চেষ্টা কৰিছো।

অধ্যক্ষ :—আপুনি কাইলৈ কব।

## Matter Under Rule 301

Shri Dulal Chandra Barua :Mr, Speaker Sir, I want to raise a discussion under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly relating to the news item appearing in the Dainik Assam, dated 17th February, 1974 under the Caption "টোকোলাই চাহ গৱেষণা কেন্দ্ৰত বেমেজালিৰ অভিযোগ." In this connection, Sir, you will very well remember that I have raised this matter in November Session too. At that time the Government assured the House that the Government is taking necessary steps for removing the ano. malies, particularly; the demands of the employees would be redressed. Even after that, the Management is trying to shift its headquarter from Jorhat to Calcutta, If this is so, then we have got strong opposition against it. Apart from this, the tea experimental station here not only cater the need of different tea estates here in Assam, it also cater the need of the entire northern India. When we are trying to develop our tea industry, this exparimental station is a must here in Assam. Therefore, the conspirecy that is going on in this regard and the Management, at the instance of certain high ups, they are going to shift this organisation, the very centre of tea experiment, from here to outside the state. This cannot be tolerated at all. Sir. you know it very well that this organisation was one of the best organisation in India. Apart from the preventive side of the tea industry, it also improves and helps breeding, from time to time. From this side also, the future of our tea industry is very bright here in Assam. As we are thinking, the Government also is thinking in general term to take over such tea gardens under Tea Corporation. If this experimental centre is shifted from here to some other places of outside Assam, it will be very difficult on our part to have such kind of station here in the State of Assam. Therefore, I want to know from the Government, whether

the Govt. has instituted any enquiry ? If it is so, what is the present position of the enquiry, whether Govt. has already received the enquiry report from the enquiry committee? More so, whether Govt. is in know of the things that the Management is, now, trying to shift the headquarter of this Toklai Tea Experiment station from here to outside the state? and No. 3, that the employees, who are working here under this particular organisation, are allowed to suffer in verious means? Though the employees are demanding to remove such kind of grievances, the Management did not pay any heed. Therefore, I want to know whether the Government is firm in taking action against this shifting from Jorhat to outside like many other local industrial headquarter, which are instead of locating here in Assam and other organisations like Regional Research Laboratory, the headquartar of which is located at Deradun, the Petro-Chemical Complex, which is proposed to be set up at Bongaigaon, the headquarter is situated at Boroda. They are appointing people from outside the state against this particular project and later on they are adoptiong a system that these people will be transferred from here and thereby they are depriving the legitimate right of the local people. I think, the Govt. will never agree to this proposal to shift the headquarter of the Toklai Tea Experiment station from here to some other place. If at all they do not listen to the Government at their own initiative, I think, the matter is to be taken up with the Government of India and we must keep the headquarter here, which is a benefit to the different industrial developmenent here in the State of Assam. Therefore, with these words I have brought this matter in this House.

শ্ৰীগজেন তাঁতী :—অধ্যক্ষ মহোদয়, যোৱা নবেম্বৰ চেচনতেই মাননীয় সদস্য শ্ৰীহুলাল বৰুৱা আৰু শ্ৰীসন্দিকৈ ডাঙৰীয়াই টোকোলাই গবেষণা কেন্দ্ৰক অসমৰ পৰা বাহিৰলৈ উঠাই নিয়াৰ সিদ্ধান্ত কৰিছে বুলি এটা প্ৰশ্ন উত্থাপন কৰিছিল। সেই সময়ত মই

সদনত আশ্বাস দিছিলো যে এই কথা আমি চৰকাৰৰ ফালৰ পৰা অনুসন্ধান কৰি চাম। ইতিমধ্যে চৰকাৰৰ ফালৰ পৰা গোটেই কথাবিলাক অনুসন্ধান কৰা হৈছে।

মাননীয় সদস্যসকলক মই জনাব বিচাৰিছো যে টোকোলাই এক্সপেৰিমেণ্টেল ষ্টেচনটো সম্পূৰ্ণ চৰকাৰী অনুষ্ঠান নহয়—চেমি গভৰ্ণমেণ্ট অৰ্গেনাইজেচন। ইয়াত যিখিনি খৰচ হয়—তাৰে শতকৰা ৫০ ভাগ কাউন্সিল অৱ চইন্টিফিক এণ্ড ইণ্ডাষ্ট্ৰিয়েল ৰিচাৰ্চ আৰু টি বোৰ্ড অৱ ইণ্ডিয়াই বহণ কৰে। বাকী ৫০ ভাগ টি ষ্টেট আৰু এচচিয়েচনৰ মেম্বাৰে বহন কৰে। টোকোলই ৰিচাৰ্চ ষ্টেচনৰ কৰ্ম্মচাৰীৰ সংখ্যা হ'ল—অফিচাৰ ৩০ জন ষ্টাফ্ ৫০০ জন আৰু লেবাৰ তিনিশ জন। এই শ্ৰমিক সকলৰ দুটা ইউনিয়ন আছে আৰু দুয়োটাই ৰেজিষ্টাৰ্ড ইউনিয়ন। এই ষ্টেচনটো ইয়াৰ পৰা তুলি নিয়াৰ ক্ষেত্ৰত কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰিছিল আৰু কৰ্তৃপক্ষই এই ৰিচাৰ্চ ষ্টেচনটো ইয়াৰ পৰা উঠাই নিয়াৰ কোনো প্ৰস্তাৱ লোৱা নাই—এইটো ইয়াতেই থাকিব বুলি আমাক জনাইছে।

তাৰোপৰি অধ্যক্ষ মহোদয়, কাগজত কিছুমান খৰছৰ কথা ওলাইছে—নানা ধৰণৰ খৰছৰ কথা। কিন্তু এই খৰছ পাতিৰ বিষয়ে তেওঁলোকৰ ভিতৰত এখন বছেৰেকীয়া সভা হয় আৰু সেই সভাতেই গোটেই কথাবিলাক ডাঙি ধৰে। তাৰ বোৰ্ডে এইটো মেনেজমেণ্ট কৰে। তাত ৫ জন প্ৰতিনিধি থাকে আৰু ৫ জন সদস্য চি, এচ, আই, আৰ, 'ৰ দ্বাৰা মনোনিত কৰে। চি. এচ, আই, আই, আৰ'ৰ হেড্ কুৱাৰ্টাৰ হ'ল দিল্লীত আৰু তাৰ পৰা এই ষ্টেচনটো উঠাই নিয়াৰ কোনো প্ৰস্তাৱ নাই বুলি তেখেতসকলে আমাক জনাইছে। তাৰোপৰি কৰ্ম্মচাৰী সকলৰ অভাৱ অভিযোগৰ বিষয়ে ইণ্ডাষ্ট্ৰিয়েল ডিচপুত এক্ট ১৯৪৭ অনুসৰি চৰকাৰে বেলেগে বেলেগে বিবেচনা কৰি আছে আৰু যদি কিবা অভাৱ অভিযোগ মাননীয় সদস্যসকলৰ থাকে তেনেহলে সেইমতে চৰকাৰৰ ওচৰলৈ পঠালে চৰকাৰে গোটেইবিলাক কথা বিবেচনা কৰিব—কিন্তু চৰকাৰে সেই অনুষ্ঠানটো তাৰ পৰা উঠাই নিয়াৰ কোনো ব্যৱস্থা কৰা নাই।

শ্ৰীদুলাল বৰুৱা :—এই কথাৰ কোনো সিদ্ধান্ত নাই বুলি তেখেতে কোন বিষয়ৰ পৰা জানিব পাৰিছে--আমাক সদনত জনাব লাগে আৰু তেখেতসকলে সিদ্ধান্ত গ্ৰহণ কৰি এটাৰ পিচত এটাকৈ বস্তুবিলাক লৈ গৈ আছে আৰু তেনে ব্যৱস্থা চলি আছে--

অথচ তেখেতসকলে কৈ আছে তেনে সিদ্ধান্ত লোৱা নাই —এইটো অতি আচৰিত কথা নহয় নে ?

শ্ৰীগজেন তাঁতী :—অধ্যক্ষ মহোদয়, চৰকাৰৰ ফালৰ পৰা অনুসন্ধান কৰাত তেনেকুৱা কোনো খবৰ পোৱা নগল।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :—অধ্যক্ষ মহোদয়, এই কথাটোৰ অনুসন্ধান নাই বুলি তেখেতে কোন সূত্ৰৰ পৰা কব বিচাৰিছে ? কিন্তু আমি জনাত ইয়াৰ অনুসন্ধান ইতিমধ্যে হৈছে :— (ইং)

শ্ৰীগজেন তাঁতি ঃ— অনুসন্ধান কৰাটো তেনে কোনো খবৰ পোৱা নগল।

## Discussion Under Rule 49

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী :— অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৪৯ নং নিয়ম অনুসৰি ১৯৭৪ চনৰ ৪ মাৰ্চৰ দিনা শ্ৰীতুলাল চন্দ্ৰ খাউণ্ডে সোধা ১৮৩ নং তাৰাংকত প্ৰশ্নোত্তৰত উত্তৰ হোৱা 'Allotment of Rape seed"ৰ সম্পৰ্কত মই কিছু কথা কব খুজিছো।

এই সম্পৰ্কে অসম বিধান সভাত ৪ মাৰ্চৰ তাৰিখে কিছুমান আলোচনা হৈছিল আৰু সেই আলোচনা সম্পূৰ্ণ নোহোৱাৰ কাৰণে আৰু সেই আলোচনা খৰচি মাৰি কৰিবৰ কাৰণে আৰু সেই সম্পৰ্কে চৰকাৰে কি কৰিছে জানিবৰ কাৰণে আজি এই প্ৰসঙ্গটো উল্লেখ কৰা হৈছে। অধ্যক্ষ মহোদয়, আপুনি জানে নৱেম্বৰ মাহৰ পৰা জানুৱাৰী মাহৰ ১৪ তাৰিখলৈকে আমাৰ দেশত মিঠাতেলৰ অভাব হৈছিল। আৰু ১৪-১৫ জানুৱাৰী তাৰিখে মাঘ বিহুৰ সময়ত গুৱাহাটীত ১৪ টকাৰ পৰা ১৫ টকালৈ মিঠাতেল স্থানীয় মানুহে কিনিছিল সেই পৰিপ্ৰেক্ষিতত অক্টোবৰ-নবেম্বৰ মাহত হোৱা ফুদ চাপ্লাই কমিটি কৰি সেই কমিটিক আবেদন নিবেদন কৰি অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা ১০ হেজাৰ টন ৰেপ চিদ অইল ৰাইজক দিয়াৰ ব্যৱস্থা কৰিবৰ কাৰণে এলটমেণ্ট কৰি দিলে। তাৰে ৪ হেজাৰ টন গুৱাহাটী এফ টি এচক দিয়া বুলি এফটি এচৰ

মিটিঙত কোৱা হয়। কিন্তু সেই ৰেপ চিদ সম্পৰ্কে বিধান সভাৰ মজিয়াত চৰকাৰক সোধা হৈছিল, চৰকাৰে কৈছিল যে ৰেপ চিদ গুৱাহাটীৰ দুজন ব্যৱসায়ীক দিয়া হৈছিল। কিন্তু ইতিমধ্যে ২৭ তাৰিখে পৌৰ নিগমৰ নিৰ্বাচন হব ল'গে সেইকাৰণে কংগ্ৰেছ অনুষ্ঠানক ভোট নিদিব বুলি মিঠা তেলৰ দাম কমাবলৈ বিচৰা হৈছিল এই সম্পৰ্কত চেম্বাৰচ অৱ কমাৰ্চৰ লগতো এলানি আলোচনা চলিছিল। সেই আলোচনাৰ পৰিপ্ৰেক্ষিতত গুৱাহাটীৰ দুজন ব্যৱসায়িক সন্তাত মিঠাতেল দিবলৈ নিৰ্দেশ দিয়া হৈছিল কিন্তু তেওঁলোকে ৭ টকা দৰত মিঠাতেল দিবলৈ সন্মতি প্ৰকাশ নকৰিলে। আৰু সেই অনুপাতে প্ৰায় ১২ হেজাৰ টন মিঠাতেল ৭ টকাত বেচিছিল। গুৱাহাটীৰ কাৰণে যি ৰেপচিদ দিছিল সেই গোটেই খিনি ৰেপচিদ মাত্ৰ দুজন ব্যৱসায়িক দিয়া বুলি অসম চৰকাৰে নিজে ঘোষণা কৰিছে।

অধ্যক্ষ মহোদয়, আপুনি জানে যে ৰেপ চিদ অইলৰ দাম ৪ টকা বা ৫ টকাৰ ভিতৰত হব লাগে, কিন্তু গুৱাহাটীৰ ৰাইজে সিমান দামত তেল পোৱা নাছিল। বৰঞ্চ ৭ টকাৰ পৰা ৯ টকা পৰ্যন্ত কিনি খোৱা বুলি সেই দিনাখন বিধান সভাৰ মজিয়াত সোধা হৈছিল যে ৰেপ চিদ অইলৰ দাম ফিক্স কৰা হৈছে নে নাই। তেতিয়া মুখ্যমন্ত্ৰীয়ে কৈছিল যে ৰেপ চিদ অইলৰ দাম ডি চিক ফিক্স কৰিবলৈ কোৱা হৈছে। কিন্তু অধ্যক্ষ মহোদয়, এক টি এচৰ প্ৰচিডিংচত কোৱা হৈছে যে অসম চৰকাৰে কেনেকৈ মিঠাতেলৰ এগ্ৰিমেণ্ট দিছে ডি, চিয়ে নাজানে। কিন্তু বিধান সভাৰ মজিয়াত মুখ্যমন্ত্ৰীয়ে কয় যে ৰেপ চিদ অইলৰ দাম ফিক্স কৰিবলৈ দিয়া হৈছে। এইটো এটা প্ৰহেলীকাৰ সৃষ্টি হৈছে। অধ্যক্ষ মহোদয়, আমি জনা মতে সেই ৰেপ চিদৰ সংক্ৰান্তত চৰকাৰে ৰেকেট অৰ্থাত দুৰ্নীতিৰ আশ্ৰয় লৈ সেই ব্যৱসায়ী দুজনক দিছে। যি সময়ত তেওঁলোকে মাত্ৰ দুহেজাৰ টন মিঠাতেল চৰকাৰে বদান্যতা দেখুৱাই ১৪ টকাৰ ঠাইত ৭ টকাত দিছিল সেই সময়ত মুখ্যমন্ত্ৰীক সোধা হৈছিল যে তেওঁলোকক তাৰ যোগে কিবা সমাজ সেৱা কৰিছেনে কি? মুখ্যমন্ত্ৰী মহোদয়ে তেতিয়া উত্তৰ দিব নোৱাৰিলে। অসম চৰকাৰে এই দুজন ব্যৱসায়ী লগত এক অদ্ভুত এগ্ৰিমেণ্টত আহিছে আৰু সেই চুক্তিত কৈছে যে অসম চৰকাৰে ৰপ চিদ অইলৰ দাম ফিক্স নকৰে আৰু তেওঁলোকে ফ্ৰি পাইত বিক্ৰী কৰিব পাৰে। নিৰ্বাচনৰ সময়ত ব্যৱসায়ী দুজনে

৭ টকাত মিঠাতেল বিক্ৰী কৰি চৰকাৰক সহায় কৰিলে আৰু তাৰ প্ৰতিদান স্বৰূপে তেওঁলোকক ৪ হেজাৰ মিঠাতেল যি কোনো দামত বিক্ৰী কৰাৰ সুবিধা পালে। ফুদ চাপ্লাই বৰ্ডি কৰি বিধান সভাৰ সদস্যৰে এখন কমিটি কৰি বিধান সভাৰ সদস্য সকলক এনে ভাৰ দিলে যে এম এল এ সকলে চেনি, চাউল, মিঠাতেল আদি কৰি প্ৰয়োজনীয় বস্তু অনাৰ দায়িত্ব থাকিল। একেদৰেই বিধান সভাৰ সদস্য সকলে চিয়ৰ-বাখৰ কৰি ৰেপ চিদ অইল আনিব লগা হ'ল কিন্তু আনহাতে দেখা গৈছে একমাত্ৰ এগৰাকী মহিলাই ৮০ বেগ চিমেণ্ট পাইছে। আৰু গুৱাহাটীৰ মেডিকেল কলেজ কৰিবৰ কাৰণে ৫ শ বেগ চিমেণ্ট দিয়াৰ দায়িত্ব পি ডবলিউ ডিয়ে লৈছে কাৰণ ঠিকাদাৰৰ লগত সম্পৰ্ক ৰাখি গুৱাহাটী মেডিকেল কলেজত সেই চিমেণ্ট ব্যৱহাৰ কৰা হব সেই কাৰণে মই কব খুজিছো যে এফ টি এচত নন অফিচিয়েল বৰ্ড কৰি দি তাৰ দায়িত্ব তেওঁলোকক দিৰক আজি চৰকাৰে যি বিলাক দূৰ্নীতি কৰিছে সেই বিলাকত নন অফিছিয়েল কৰি তাৰ দায়িত্ব দিয়ক আৰু আগৰ চৰকাৰে যি ধৰনেৰে দায়িত্ব লৈ দুৰ্নীতি পৰায়ণ আছিল তেনেকৈয়ে চৰকাৰ চলাই যাওক। তাত আমাৰ আপত্তি নাই। কিন্তু আমাক ইনভলভ কৰি সেই দায়িত্ব আমাৰ ওপৰত জাপি দিয়াৰ কোনো অৰ্থ থাকিব নোৱাৰে।

গতিকে অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰীৰ পৰা এইটো কথা জানিব বিচাৰিছো যে ইয়াৰ আগতে চাপ্লাই মন্ত্ৰী মহোদয়ে একো নজনা বুলি কৈছে অন বিহাফ অৱ যোগান মন্ত্ৰী বিধান সভাৰ মজিয়াত মুখ্যমন্ত্ৰী মহোদয়ে কৈছিল যে ৰেপ চিদ অইলৰ দাম ফিক্স কৰিবলৈ ডিচিচ দিয়া হৈছে। কিন্তু মই সুধিব খুজিছো যে কি চুক্তিত সেই দুজন ব্যৱসায়িক ৰেপ চিদ অইল ৭ টকাৰ পৰা ৯ টকা পৰ্য্যন্ত গুৱাহাটীৰ ৰাইজে কিনি খাব লগা হৈছিল? এই গোটেই কথাটো খৰচি মাৰি মই মুখ্য মন্ত্ৰী মহোদয়ৰ পৰা জানিবৰ কাৰণে এই প্ৰস্তাবটো উত্থাপন কৰিলো।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ : অধ্যক্ষ মহোদয়, ৰেপচিদ খোৱা অভ্যাস আমাৰ নাছিল। মিঠাতেলৰ অত্যাধিক দাম বঢ়াত কানাডাৰ পৰা ৰেপচিদ আমদানি কৰিলে আৰু সেই ৰেপচিদ মানুহে খোৱাৰ উপযোগী হয় নে নহয় সেই সম্পৰ্কে মানুহৰ সন্দেহৰ থল থকা স্বত্বেও ৰাজনৈতিক কাৰণত মানুহক খাবলৈ ব্যস্ত কৰা হ'ল। অধ্যক্ষ

মহোদয়, ৰেপচিদ গুৱাহাটী আৰু অসমৰ আন আন ঠাইত চৰ চৰকাৰৰ যোগেদি আহিছে—একেদামতে দিছে কিন্তু অসমৰে অন্যান্য ঠাইত ইয়াৰ দাম কম বেছি হোৱাৰ কোনো যুক্তি থাকিব নোৱাৰে। অনা নিয়া খৰছৰ বাহিৰে বেলেগ দাম হোৱাৰ কোনো যুক্তি থাকিব নোৱাৰে। মই নিজে নলবাৰী মহকুমাত দেখিছো ৫টকা ৫.৫০টকাকৈ বিক্ৰী হৈছে। বৰপেটা মহকুমাতো তেনে হৈছে। এই বিষয়ে কমিটিত আলোচনা কৰাও হৈছিল। কিন্তু গুৱাহাটীৰ ক্ষেত্ৰত ইয়াৰ ব্যতিক্ৰম হোৱাত নিশ্চয় কিবা ৰহস্যজনক কথা আছে। আমাৰ সন্দেহ হৈছে ইয়াত কি দুৰ্নীতি সোমাইছে বুলি। সেই কাৰণে আমি স্পষ্ট হব বিছাৰিছো। আমি নিজৰ কথা নকও কিন্তু চৰকাৰৰ ফালৰ পৰা লোক সভাৰ সদস্য এজনে গোলাঘাটৰ সভা এখনত মন্তব্য দিছিল সেই মন্তব্যৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো তাত তেখেতে কৈছিল।

শ্ৰীচৈয়দ আহমদ আলি : লোক সভাৰ সদস্যজন ইয়াত উপস্থিত নাই গতিকে—

শ্ৰীবদন তালুকদাৰ : এই কথাটো কাগজত ওলাইছিল। তাত কৈছে চৰকাৰে যদি ফাচিবজাৰক মুক্ত কৰিব নোৱাৰে তেন্তে দেশৰ অৰ্থনৈতিক উন্নতি কেতিয়াও কৰিব নোৱাৰে আৰু দেশৰ পৰা দুৰ্নীতি কেতিয়াও আতৰ কৰিব নোৱাৰে। এই কথা তেখেতে নতুনকৈ কোৱা নাছিল। মইও কও চৰকাৰে যদি ফাচিবজাৰক মুক্ত কৰিব নোৱাৰে তেন্তে দুৰ্নীতি দমন কৰিব নোৱাৰে আৰু কেতিয়াও বস্তুৰ দাম কমাব নোৱাৰে।

শ্ৰীশৰত চন্দ্ৰ সিংহ :—মাননীয় সদস্য দুগৰাকীয়ে ১৯ টকা দাম যি সময়ত আছিল বুলি কৈছে আমাৰ খবৰ মতে ইমান দাম নাছিল। যেতিয়া মিঠাতেলৰ দাম ১৯ টকা তেওঁলোকৰ কথাকেই কৈছো. নিৰ্বাচন হওকেই বা নহওকেই যেতিয়া মিঠাতেলৰ দাম গুৱাহাটীত বাঢ়ে তেতিয়া তাৰ প্ৰভাৱ গোটেই ৰাজ্যতেই পৰে। সেই কাৰণে আমি জোৰ দিছিলো যে তাৰ দাম গুৱাহাটীত কমাবই লাগিব। তেখেত সকলক এই কথা কৈ আছো যে যি সময়ত তেখেত সকলে ১৯ টকা হৈছিল বুলি কৈছে সেই সময়ত গুৱাহাটীত মিঠাতেলৰ প্ৰতি লিটাৰত চাৰে ৭ টকাকৈ বিক্ৰী কৰিবলৈ বাধ্য কৰা হৈছিল, তাৰ পিচত ৭.৩৭ টকা আৰু তাৰ পিচত ৭টকাকৈ বিক্ৰী কৰিবলৈ বাধ্য কৰা হৈছিল। ইয়াত কোনো এগ্ৰিমেণ্ট বা আপোচৰ কথা নাছিল। মাত্ৰ ব্যৱসায়ী সকলক বাধ্য কৰোৱা কথা। এই কথাত

চেম্বাচৰ অফ কমার্চৰ সকলোৱেই এই কথাৰ বিৰোধিতা কৰিলে। কিন্তু পিচত দুজনে এইটোত ৰাজি হল আৰু মানি ললে। আমি ব্যৱস্থা কৰিছো যি ধৰণে-ৰেই হওক বস্তুৰ দাম কমাব পৰা যায়। এতিয়া দেখা গৈছে যে বস্তুৰ দাম কমাব পাৰিলেও মুচকিল আৰু বস্তুৰ দাম বাঢ়িলেও মুচকিল। অধ্যক্ষ মহোদয়, এইটো কথা কৈছো ইয়াৰ তাৎপর্য্য উপলব্ধি কৰিব লাগিব। মাননীয় সদস্য গৰাকীয়ে গোলাঘাটৰ সম্পর্কত যিটো কথা কৈছে সেইটো মই স্বীকাৰ কৰো। আমাৰ ফাচিবজাৰেই আমাৰ অর্থ নীতি নিয়ন্ত্রন কৰি আহিছে। ফাচিবজাৰৰ পৰা আমাৰ অর্থনীতি মুক্ত কৰিব নোৱাৰালৈকে আমাৰ সমস্যা আছেই। আজি তেল নিমখৰ অভাব বা অন্যান্য বস্তুৰ নাটনি হলে সেইবিলাকৰ অনা নিয়া ব্যৱস্থা ঠিক মতে কৰিব পৰা নাই। কাৰণ এই ক্ষেত্রত আমি সম্পূর্ণ ব্যৱস্থা কৰিব পৰা নাই। আৰু তাকে কৰিব নোৱাৰিলে নিয়ন্ত্রন কৰিব পৰাতো সম্ভৱ-পৰ নহয়। সেই কাৰণে মাননীয় সদস্য গৰাকীয়ে কোৱাৰ দৰে ফাচিবজাৰৰ অর্থনীতি সম্পূর্ণ মুক্ত কৰিব লাগিব এই কথাষাৰ কোৱাত যিমান সহজ কার্য্য ক্ষেত্রত সিমান সহজ নহয়।

শ্রীদুলাল চন্দ্র বৰুৱা : আমাৰ এষাৰ কথা আছে "নাখাও তাইৰ হাতে ভাত ঘূৰি মৰি তাইতেহে হাত..... "

শ্রীগৌৰীশংকৰ ভট্টাচার্য্য : মই এইখিনিতে এটা স্পষ্টীকৰণ বিচাৰিছো। চৰকাৰৰ হাতত • হাজাৰ টন ৰেপ চিদ আছিল। এই খিনিৰ ৰেপচিদ হিচাবে যিমান দাম সেইখিনিকে তেল উলিয়াই বিক্রী কৰিলে লিটাৰত চাৰে ৪ টকাকৈ বিক্রী কৰিব পৰা যায়। তাকে নকৰি লিটাৰত চাৰে ৭ টকা কেনেকৈ হব পাৰে।

শ্রীশৰৎ চন্দ্র সিংহ : ১০ হাজাৰ টন নহয়।

শ্রীগৌৰীশংকৰ ভট্টাচার্য্য : গুৱাহাটীত আছিল চাৰে ৪ হাজাৰ টন ৰেপ চিদ তাৰ পৰা কিমান তেল হব পাৰে। ৰাতিৰ ভিতৰতে দুজন ব্যৱসায়ী বা পুজিপতিৰ ( মই নাম নকও ) লগত মুখ্য মন্ত্রীয়ে নির্বাচনৰ আগে আগে ব্যৱস্থা কৰি লাখ লাখ টকা কৰিবলৈ সুবিধা দিলে।

শ্রীদুলাল চন্দ্র বৰুৱা : যি সময়ত আমাৰ ইয়াত মিঠাতেল নাছিল সেই সময়ত

এই সকল মানুহৰ হাতত কিমান মিঠাতেল আছিল আৰু কি কনদিচনত প্ৰতি লিটাৰত চাৰে ৭ টকাকৈ বিক্ৰী কৰিবলৈ মানি লৈছিল।

শ্ৰীগজেন তাতী: অক্টোবৰ মাহত যেতিয়া মিঠাতেলৰ দাম বাঢ়ে তেতিয়া কেন্দ্ৰীয় চৰকাৰৰ পৰা আমি ১০০০ টন ৰেপ চিদ বিচাৰিছিলো। আৰু কেন্দ্ৰীয় চৰকাৰে সেইখিনি কলিকতাৰ এফ টি এচক দিয়ে। আৰু সেইটো আমি অনাৰ ভাৰ এফ চি আইক দিলো। এফ চি আয়ে সেই বিলাকৰ কুৱালিটি বেয়া বুলি নানিলে। আৰু কলে যে চৰকাৰৰ কোনো বিষয়াই সেইটো চাৰটিফাই কৰি দিব লাগে। নহলে তেওঁলোকে আনিব নোৱাৰে। সেইমতেই চৰকাৰে বিষয়া পঠালে আৰু ১০০০ টন ৰেপ চিদৰ ভিতৰত মাত্ৰ ৪৭০ টন ৰেপ চিদ অনা হল বাকী বিলাক এফ টি এচে কলে যে আমাৰ এটা কমাইনমেণ্ট আহিব ধৰিছে সেইটো আহি পালেই বাকী খিনি পঠাই দিম। মই কালি এই বিষয়ে কলিকতা আৰু দিল্লীৰ লগত কথা পাতিছিলো তেতিয়া এফ টি এচে কলে যে এক সপ্তাহৰ ভিতৰতে দিব পৰা হব বুলি কলে। কলিকতাত এই ৰেপ চিদৰ দাম ১৭৬০ টকা পাৰ টন। পিচত এফ চি আইয়ে ৰেপ চিদ আনি দিয়ে। তেতিয়া দুটা মিলক দিয়া হয়। তাৰে এটা হল M/s. Mahalakshmi Mills আৰু আনটো হল M/s, Kothari Mill. আৰু তেওঁলোকক কিয় দিয়া হল সেই বিষয়ে মুখ্য মন্ত্ৰী ডাঙৰীয়াই কৈছে। যেতিয়া অসমত মিঠাতেলৰ দাম বাঢ়ে তেতিয়া অকল মিঠাতেলৰ ক্ষেত্ৰতেই নহয় অন্যান্য সম্পৰ্কতো ব্যৱসায়ী সকলৰ লগত আলোচনা কৰিবলগীয়া হয়। ইয়াত যদি কিবা সন্দেহৰ স্থল আছে বুলি কয় তেনেহলে কোনো উপাই নাই। এই আলোচনা দুই দিন ধৰি হৈছিল। মিঠাতেলৰ ব্যৱসায়ী সকলৰ উপৰিও চেম্বাৰ অফ কমাৰ্চৰ মানুহেও ইয়াত যোগদান কৰিছিল। আৰু তেখেত সকলক মিঠাতেলৰ দাম কমাবলৈ কোৱা হৈছিল। আৰু এইটোও কোৱা হৈছিল যে ৰেপ চিদ যিখিনি আহিব সেই খিনিও তেওঁলোকক দিয়া হব কিন্তু মিঠাতেলৰ দাম কমাই দিব লাগে। ইয়াত ব্যৱসায়ী সকলে এগ্ৰি নকৰিলে। তাৰ পিচত দুজন ব্যৱসায়ী সন্মত হল। তাত কোনো এগ্ৰিমেণ্ট বা কনদিচন নাছিল। খালি মৌখিকভাৱে আলোচনা কৰা হৈছিল। আৰু বোজা পৰা

হৈছিল। সেই মতেই ৭.৩৭ টকাকৈ প্ৰতি লিটাৰত ১১ হাজাৰ মিঠাতেলৰ টিন দিব।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :—এই ১১ হাজাৰ মিঠাতেলৰ টিন কত আছিল? Why there is Scarcity of Musterd Oil? Why this people were not arrested as hoarders. ইয়াত কলেই নহব।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ :—সেইটো মপেন আছিল। ইয়াত উত্তেজিত হব নালাগে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :—এই ১১ হাজাৰ টিন মিঠাতেল কত আছিল? তেওঁলোক হৰদাৰ নহয়নে। তেওঁলোকক কিয় গ্ৰেপ্তাৰ কৰা নহল?

শ্ৰীগজেন তাতী :—ডিকল্যাৰেচন নিদিলেহে হৰদাৰ হয়।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :—কোন তাৰিখে ডিক্লেয়াৰেচন দিছিল আমি জনাত তেওঁলোকে ডিক্লাৰেচন দিয়া নাই। এই হৰদাৰ বিলাকৰ লগত চৰকাৰে হাত মিলাইছে।

শ্ৰীগজেন তাতী (মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, তাৰিখটো মোৰ মনত নাই।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :—অধ্যক্ষ মহোদয়, চৰকাৰে এফ, টি, এছ'ৰ লগত জি, চি আদিৰ আগত 'ডিক্লাৰেচন' দিব লাগে। এনে অৱস্থাত 'ডিক্লাৰেচন' নাই দিয়া বুলি চৰকাৰে কেনেকৈ কব পাৰে?

শ্ৰীগজেন তাতী (মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, 'লোকেল অৰ্থৰিটি'ও হব পাৰে। মই সিদিনা প্ৰশ্নোত্তৰত কৈছিলো যে, আমাৰ ফালৰ পৰা তেলৰ দাম বান্ধি দিয়া হৈছে কিন্তু সংখ্যাটো মোৰ হাতত নাই বুলিও কোৱা হৈছিল। এই বিষয়ে একো নেজানো বুলি কোৱা নাই। মই কৈছো যে, দাম বান্ধি দিয়া হৈছে আৰু এই দাম ১০৭ টকা ৭৫ পইছা।

শ্ৰীমতী ৰেনুকাদেৱী বৰকটকী :—মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে প্ৰশ্নোত্তৰত ৰেপচিদৰ দাম বান্ধি দিয়া হোৱা নাই বুলি কৈছে। ডি, চিক দাম

বান্ধি দিবলৈ কে'ৱা হৈছে কিন্তু আজি মন্ত্ৰী মহোদয়ে কৈছে যে, দামটো বান্ধি দিয়া হৈছে। এতিয়া কোনটো সচা বুলি ভাবিম ?

শ্ৰীগজেন তাতী (মন্ত্ৰী) :-অধ্যক্ষ মহোদয়, মোৰ স্পষ্ট মনত আছে যে, 'দাম বান্ধি দিয়া হৈছে কিন্তু সংখ্যাটো মোৰ মনত নাই' এই বুলি মই কৈছিলো।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :-অধ্যক্ষ মহোদয়, মই জনাত যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে দামটো বান্ধি দিয়া নাই বুলি কৈছে কিন্তু আজি কৈছেযে, দামটো বান্ধি দিয়া হৈছে গতিকে ইয়াৰ সত্যাসত্য প্ৰমাণ কৰি চাবৰ কাৰণে ছু-টেপ্‌ৰেকৰ্ড আৰু প্ৰচিডিংছ মিলাই চাব লাগে। লগতে যিটো 'ক্লিয়াৰেশ্বন' দিয়াৰ কথা কৈছে সেইটো কোন তাৰিখে দিছিল সেইটো আমাক জনাব লাগে।

শ্ৰীগজেন তাতী (মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, মই সেই কথাটো সিদিনাখন কোৱা নাই। 'লেট্ হিম চেলেঞ্জ'।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :—অধ্যক্ষ মহোদয়, দামৰ কথাটো কোৱা নাই।

শ্ৰীগজেন তাতী (মন্ত্ৰী) :—দামটো বান্ধি দিয়া হৈছে কিন্তু সংখ্যাটো মোৰ মনত নাই বুলি কোৱা হৈছে।

(সদনত হুলস্থুল হোৱাৰ কাৰণে একো শুনা নেযায়)

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :- অধ্যক্ষ মহোদয়, ইয়াত কিছুমান কথা কৈ আওপথে নিয়াৰহে চেষ্টা কৰিছে সিদিনা তেখেতে দাম বান্ধি দিয়া নাই বুলি কৈছে। তাৰোপৰি 'ডিক্লাৰেশ্বন' দিয়াৰ কথাটোও কোৱা নাই। অধ্যক্ষ মহোদয়, এইটো এটা গুৰুত্বপূৰ্ণ কথা। গতিকে অধ্যক্ষ মহোদয়, এই কথাটো আপুনি বিচাৰ কৰি দিব লাগে।

শ্ৰীগজেন তাতী (মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, মই সিদিনা কৈছিলো যে, দাম বান্ধি দিয়া হৈছে আৰু সংখ্যাৰ হিচাবটো মোৰ হাতত নাই। তাৰ পিছত অধ্যক্ষ মহোদয়, ১০৭ টকা ৭৫ পইছা দাম, 'ৰিটেইল প্ৰাইচ' হৈছে ৭ টকা, ১৬ লিটাৰত এটিং। কিন্তু অধ্যক্ষ মহোদয়, ইয়াৰ পিছত সৰিয়হ ওলাইছে আৰু বৰ্ত্তমান ৭.৫০ পইছা মিঠাতেলৰ দাম চলি আছে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :—কত আছে ?

শ্ৰীগজেন তাতী (মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, গুৱাহাটীতে চলি আছে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : – অধ্যক্ষ মহোদয়, দিছপুৰত কিমান সেইটো জনাবনে ? গুৱাহাটীত ৭.৫০ টকা বুলি কলেই নহব।

শ্ৰীলক্ষীকান্ত শইকীয়া :—অধ্যক্ষ মহোদয়, চিঞৰি কলেই হবনেকি ?

(হুলস্থূলৰ কাৰণে একো শুনা নেযায়)

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :—অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে চিঞৰাৰ কথাটো কৈছে। চিঞৰাৰ কাৰণ কি ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : –অধ্যক্ষ মহোদয়, চিঞৰাৰ মানে কি ?

**Mr. Speaker** :—Order, order Let the minister finish his Statement.

শ্ৰীগজেন তাতী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, দামৰ কথা কলোৱেই। খুউব কম সংখ্যক ৰেপচিদৰহে তেল পেৰা হৈছে। বাকীখিনি তেলৰ নাটনি হলে কৰিবলৈ থোৱা হৈছে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : অধ্যক্ষ মহোদয়, দামটো নিৰ্দ্ধাৰণ কৰিলে বুলি কৈছে কিন্তু কোন তাৰিখত এইটো কৰা হৈছে ?

শ্ৰীমতী ৰেণুকাদেৱী বৰকটকী :—অধ্যক্ষ মহোদয়, এইটো এটা অতি গুৰুত্বপূৰ্ণ বিষয়। কিয়নো মন্ত্ৰী মহোদয়ে সদনত কৈছে যে, মিঠাতেলৰ প্ৰতি লিটাৰত ৭.৫০ পইছাকৈ বিক্ৰী হৈ আছে। কিন্তু আপুনি ইয়াৰ ওচৰতে থকা যিকোনো দোকানলৈ যাওঁক দেখিব কতো সেই দামত মিঠাতেল পাবলৈ নাই। ব্যক্তিগত অভিজ্ঞতাৰ পৰাই আমি দেখিবলৈ পাইছোঁ যে, মিঠাতেলৰ কাৰণে ৰাইজে হাঁহাকাৰ কৰিব লাগিছে। তেনেক্ষেত্ৰত মন্ত্ৰী জনাই মিঠাতেল ৭.৫০ পইছাত কেনেকৈ বিক্ৰী হৈছে বুলি কব পাৰিছে ?

শ্ৰীপিটসিং কোঁৱৰ : অধ্যক্ষ মহোদয়, আজি ৰাতিপুৱাই ১০ টকা লিটাৰত মই মিঠাতেল কিনি খাইছোঁ।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ঃ অধ্যক্ষ মহোদয়, ৰেপ চিদৰ দামটো কেতিয়া নিৰ্দ্ধাৰণ কৰা হৈছিল ?

শ্ৰীগজেন তাতী (মন্ত্ৰী : অধ্যক্ষ মহোদয়, মই এইটো কালিলৈ দিব পাৰিম।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ঃ অধ্যক্ষ মহোদয়, কিমান পৰিমাণৰ ৰেপচিদৰ তেল পেৰা হল আৰু কিমান পৰিমাণ বাকী ৰখা হৈছে ?

শ্ৰীগজেন তাতী ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, ৬ হেজাৰ ১৭৭ কুইন্টলৰ তেল কৰা হল বাকীখিনি আছে।

Mr. Speaker ; The House stands adjourned till 10 a.m. tomorrow.

The House then adojourned at 5·50 p,m. till 10 A.m on Tuesday, the 19th March, 1974.

P. D. Borua,
Secretary, Legislative Assembly
Assam,

Dispur
18-3-74.